www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যদি তুমি ধনৱান হ'ব বিচাৰা তেন্তে যিমান পোৱা সিমানে সঞ্চয় কৰাৰ কথা ভাবিবা। - ফ্ৰেংকলিন

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ২২৫ ❐ বুধবাৰ ❐ ৫ নৱেম্বৰ, ২০২৫ চন ❐ ১৮ কাতি, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 225 ❐ Wednesday ❐ 5th November, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

▪ অসমৰে এখন গাঁৱৰ অধিকাংশ লোকৰে শৰীৰত নাই এটাকৈ কিডনী ▪

# ৰাজ্যত সক্ৰিয় বৃক্ক সৰবৰাহকাৰী চক্ৰ



## দালাল চক্ৰৰ প্ৰৰোচনাত পৰি ২-৩ লাখ টকাত গাঁওখনৰ অধিকাংশ দৰিদ্ৰ লোকে বিক্ৰী কৰিছে কিডনী

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** দাৰিদ্ৰ্যৰ চৰম সীমাত উপনীত হৈ অসমৰ এখন গাঁৱৰ প্ৰায় ৪০ শতাংশ লোকে নিজৰ কিডনী বিক্ৰী কৰাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। নগাঁও চহৰৰ হুজ কৈৱৰ্ত গাঁৱত বিগত চাৰি বছৰ ধৰি চলি থকা এই অবৈধ কিডনী ব্যৱসায়ে অভাৱগ্ৰস্ততাৰ এক ক'লা অধ্যায় উন্মোচন কৰিছে। স্থানীয় গাঁওপ্ৰধানৰ অভিযোগৰ ▸▸ ৮ পৃষ্ঠাত



ছিৱানত হিমন্ত বিশ্ব শৰ্মাৰ 'লাডেন' তুলনাৰ বিতণ্ডা

## বিহাৰত বিধানসভা নিৰ্বাচনৰ ৰণডংকা ষ্টাৰ কেম্পেইনাৰ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** ভাৰতৰ বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ হিচাপে খ্যাতি লাভ কৰা বিহাৰত অনুষ্ঠিত হ'ব বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত বিশ্বৰ বিভিন্ন দেশৰ প্ৰতিনিধি দলটোৰে ▸▸ ৬ পৃষ্ঠাত

নেডাৰ আহ্বায়ক হিমন্ত বিশ্ব শৰ্মাৰ সন্মুখত নতুন প্ৰত্যাহ্বান

## উত্তৰ-পূৰ্বৰ আটাইকেইখন ৰাজ্যৰ জনগোষ্ঠীয় নেতৃত্বৰ উদ্যোগত গঠন হ'ব একত্ৰিত ৰাজনৈতিক দল




'এক সংযুক্ত একক ৰাজনৈতিক সত্তা' গঠনৰ ঐতিহাসিক পৰিকল্পনা ঘোষণা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** উত্তৰ-পূৰ্বৰ ৰাজনীতিত এটা ডাঙৰ পৰিৱৰ্তনৰ সংকেত উদ্ভৱ হৈছে। দিল্লীৰ কনষ্টিটিউশ্যন ক্লাৱত 'ৱান নৰ্থ ইষ্ট' শীৰ্ষক এখন সংবাদমেলত মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে. চাংমাই ঘোষণা কৰিছে যে, উত্তৰ-পূৰ্বৰ সকলো ৰাজনৈতিক দলক একেলগ কৰি শক্তিশালী আঞ্চলিক ▸▸ ৬ পৃষ্ঠাত

আজিৰ কলম

## 'বৈ বৈ বিনালে' বোলছবিখনৰ প্ৰসঙ্গত কিছু কথা



শৰৎ চন্দ্ৰ চিৰিংফুকন

**স্ব**ৰ্গত জুবিন গাৰ্গৰ যোৱা ৩১ অক্টোবৰত শুভমুক্তিপ্ৰাপ্ত বহু চৰ্চিত 'বৈ বৈ বিনালে' বোলছবিখন অলপতে উপভোগ কৰিলোঁ। বোলছবিখনৰ অন্তৰ্ভাগত সোমাই ▸▸ ৬ পৃষ্ঠাত

বীৰ লাচিত সেনাৰ সদস্য হ'বলৈ তিনি প্ৰজন্ম হ'ব লাগিব খিলঞ্জীয়া

## চান্দা নোতোলে বীৰ লাচিত সেনাই

অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহাবীৰ লাচিত বৰফুকনৰ আদৰ্শৰে পৰিচালিত বীৰ লাচিত সেনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৪ নৱেম্বৰ ঃ** অসমৰ খ্যাতনামা সংগঠন বীৰ লাচিত সেনাই চান্দা সংগ্ৰহৰ ক্ষেত্ৰত এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিছে। সংগঠনটোৰ প্ৰশাসনিক সচিব শৃংখল চলিহা আৰু ভাৰপ্ৰাপ্ত সচিব প্ৰাণজিৎ গৈৰে যুটীয়াভাৱে ঘোষণা কৰিছে যে, এতিয়াৰ পৰা বীৰ লাচিত সেনাই কোনো ধৰণৰ চান্দা সংগ্ৰহ নকৰিব। ইচ্ছুক ব্যক্তি বা সংস্থাই কেৱল ▸▸ ৬ পৃষ্ঠাত

তদন্তত নতুন মূৰ

### মুম্বাইত SIT, পুৰণি চিকিৎসাৰ তথ্য সংগ্ৰহৰ লক্ষ্য

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** অসমৰ প্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তত বিশেষ ▸▸ ৮ পৃষ্ঠাত

চাকৰিৰ পৰা নিলম্বন; বিদ্যালয়ৰ অধ্যক্ষক কাৰণ দৰ্শোৱা জাননী

### নিযুত মইনা আঁচনিৰ নামত ধন সংগ্ৰহ বিদ্যালয় জ্যেষ্ঠ সহায়কৰ

**অসম বাৰ্তা, নগাঁও, ৩ নৱেম্বৰ ঃ** নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মাই জিলাখনৰ বিদ্যালয় ▸▸ ৮ পৃষ্ঠাত

বাঁহী বাদনেৰে প্ৰখ্যাত বাঁহীবাদক গৰাকীলৈ শিষ্যৰ শ্ৰদ্ধাঞ্জলি

## পঞ্চভূতত বিলীন হ'ল আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** অসমৰ সংগীত জগতৰ এটা উজ্জ্বল নক্ষত্ৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মা অৱশেষত পঞ্চভূতত বিলীন হ'ল। ২০২৫ চনটোৱে অসমীয়া জাতিৰ বুকুত একেৰাহে ▸▸ ৬ পৃষ্ঠাত

ৰাজ্যিক মৰ্যাদাৰে নৱগ্ৰহ শ্মশানত শেষকৃত্য



▪ আঞ্চলিক মঞ্চলৈ জ্যেষ্ঠ বিজেপি নেতা ৰাজেন গোহাঁই ▪

## আজি অজাপত যোগদানৰ সম্ভাৱনা ৰাজেন গোহাঁইৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** অসমৰ ৰাজনীতিত এটা ডাঙৰ পৰিৱৰ্তনৰ সাক্ষী হ'বলৈ ওলাইছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি ▸▸ ৬ পৃষ্ঠাত

## মণিপুৰৰ চুড়াচান্দপুৰত সেনাৰ গুলীত নিহত ৪ কুকি বিদ্ৰোহী



**অসম বাৰ্তা, ইম্ফল, ৪ নৱেম্বৰ ঃ** ৪ নৱেম্বৰৰ পুৱতি নিশা মণিপুৰৰ চুড়াচান্দপুৰৰ পৰা প্ৰায় ৮০ কিলোমিটাৰ পশ্চিমে অৱস্থিত খাঁপি গাঁৱত চোৰাংচোৱা ভিত্তিক অভিযান চলাই নিৰাপত্তা ▸▸ ৬ পৃষ্ঠাত

দুটাকৈ বৃহৎ প্ৰকল্প উদ্বোধনৰ বাবে মোদীক অসমলৈ আমন্ত্ৰণ মুখ্যমন্ত্ৰীৰ

## প্ৰধানমন্ত্ৰীক চৰকাৰী বাসভৱনত সাক্ষাৎ অসমৰ মুখ্যমন্ত্ৰীৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** মঙলবাৰে ৰাজধানী দিল্লীত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে সাক্ষাৎ কৰে অসমৰ মুখ্যমন্ত্ৰী ▸▸ ৮ পৃষ্ঠাত

## ছত্তিশগড়ৰ বিলাশপুৰত ৰে'ল দুৰ্ঘটনাত ছজনকৈ লোকৰ মৃত্যু

যাত্ৰীবাহী ৰে'ল আৰু মালবাহী ৰে'লৰ মাজত ভয়াৱহ সংঘৰ্ষ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** দেশত শেহতীয়াভাৱে সংঘটিত হোৱা ▸▸ ৮ পৃষ্ঠাত

সাম্প্ৰতিক

### ভূপেন হাজৰিকাৰ গীতত মানৱতা

বিশ্বজিৎ সূত

**অ**সমৰ সংগীত জগতৰ এগৰাকী বিশ্ব বৰেণ্য শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। তেখেত একাধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ, সংগীতজ্ঞ, চলচ্চিত্ৰ পৰিচালক আৰু ভাৰতৰত্ন, ▸▸ ৬ পৃষ্ঠাত

তিনিচুকীয়াৰ বৰডুবিত চাহ বাগানৰ মাজত ছাত্ৰীৰ চিৎকাৰ

## বিদ্যালয়ৰ পৰা ওভতাৰ পথত ৩ নৰাধমৰ কামনাৰ বলি সপ্তম শ্ৰেণীৰ ছাত্ৰী

মুমূৰ্ষু অৱস্থাত উদ্ধাৰ হোৱা ছাত্ৰীগৰাকীয়ে জীৱন-মৃত্যুৰে যুঁজিছে চিকিৎসালয়ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৪ নৱেম্বৰ ঃ** তিনিচুকীয়াত পুনৰ সংঘটিত হৈছে এক জঘন্য কাণ্ড। এগৰাকী সপ্তম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰী তথা কিশোৰীৰ লগত সংঘটিত হৈছে ভয়ংকৰ ঘটনাটি। বিদ্যালয়ৰ পৰা ঘৰলৈ ▸▸ ৮ পৃষ্ঠাত




ডবা, শংখ, উৰুলিৰ মাংগলিক ধ্বনিৰে প্ৰস্তাৱনা দৃষ্টিৰে শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলা আৰম্ভ

## কানাইৰ বাঁহীৰ সুৰত বিলীন মাজুলী

▪ মঞ্চই মঞ্চই জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বাজি উঠিল মায়াবিনী ▪

স্নিগ্ধ জোনাকত টুনী নদীত প্ৰদৰ্শিত হ'ব মহাৰাস



**অসম বাৰ্তা, উজনী মাজুলী, ৪ নৱেম্বৰ ঃ** সত্ৰ দ্বীপ মাজুলীৰ আধ্যাত্মিক সুখানুভূতি জড়িত হৈ থকা শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসলীলা আজিৰে পৰা মাজুলীৰ অধিকাংশ ৰংগমঞ্চত আৰম্ভ হৈছে। মাজুলীৰ ৬৭টা ৰংগমঞ্চত আজি ▸▸ ৮ পৃষ্ঠাত

### POCSO আইনৰ অপব্যৱহাৰ ৰোধত সজাগতাৰ আহ্বান উচ্চতম ন্যায়ালয়ৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৪ নৱেম্বৰ ঃ** ভাৰতৰ উচ্চতম ন্যায়ালয়ে যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা (POCSO) আইনৰ অপব্যৱহাৰৰ ক্ষেত্ৰত গভীৰ উদ্বেগ প্ৰকাশ কৰি এক গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণ কৰিছে। আদালতে স্পষ্টভাৱে উল্লেখ কৰিছে ▸▸ ৮ পৃষ্ঠাত

## বাক্সাৰ দীঘলডোঙা ৰাস মহোৎসৱত
# আধুনিক একক নৃত্য প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, বাগানপাৰা, ২ নৱেম্বৰ ঃ** বাক্সা জিলাৰ দীঘলডোঙাৰ ৬৮ সংখ্যক বি চি ব্লক মাদুলিবাৰী শ্ৰীশ্ৰী ৰাস মহোৎসৱ উপলক্ষে আধুনিক একক নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই আধুনিক একক নৃত্য প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ ১০,০০০ টকা, দ্বিতীয় পুৰস্কাৰ ৭,০০০ টকা আৰু তৃতীয় পুৰস্কাৰ হিচাপে ৫, ০০০ টকা আগবঢ়োৱা হৈছে। প্ৰতিযোগী সকলে ভৰ্তি মাছুল হিচাপে ১০০ টকা দিব লাগিব বুলি এক জাননী যোগে প্ৰচাৰ কৰিছে। এই আধুনিক একক নৃত্য প্ৰতিযোগিতাত ১৩ বছৰৰ ওপৰৰ প্ৰতিযোগী সকলে অংশগ্ৰহণ কৰিব পাৰিব। আধুনিক একক নৃত্য প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগী সকলে ৬৯০১৩২৩৬২০/ ৮৬৩৮১০৮৭৫৬ অথবা ৯৮৬৪৭৬৮৪৭৫ নম্বৰত যোগাযোগ কৰিব পাৰিব। ৰাস মহোৎসৱ উপলক্ষে আমন্ত্ৰিত নৃত্য গোষ্ঠীৰ দ্বাৰা নৃত্যানুষ্ঠান, আধুনিক একক নৃত্য প্ৰতিযোগিতা, নৱজাগৰণ নাট্য গোষ্ঠী আৰু ময়ূৰপংখী নাট্য দলৰ দ্বাৰা নাট প্ৰদৰ্শন, নাগাৰা নাম, সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ দেবা গীৎজ আৰু ৰিকি দাসৰ সংগীতানুষ্ঠান। অহা ৫ নবেম্বৰৰ পৰা ১১ নবেম্বৰলৈ অনুষ্ঠিত হ'বলগীয়া সাদিনীয়া ৰাস মহোৎসৱত সকলো কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু পূৰ্ণ সহযোগিতা ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

### ডুমডুমাত প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত সভাত সিদ্ধান্ত
# বটলিফ ফেক্টৰীয়ে ক্ৰয় কৰিব ক্ষুদ্ৰ চাহ খেতিয়কৰ কেঁচা চাহপাত

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ নৱেম্বৰ ঃ** ভাৰতীয় চাহ ব'ৰ্ডে যোৱা ২১ অক্টোবৰ, ২০১৫ তাৰিখে জাৰি এক কৰা নিৰ্দেশনাত অসমৰ সকলো বটলিফ ফেক্টৰীক যোৱা আগষ্ট আৰু ছেপ্টেম্বৰ মাহৰ ন্যূনতম আধাৰ মূল্য ক্ষুদ্ৰ চাহ খেতিয়কসকলক মোকলাই দিবলৈ নিৰ্দেশ দিছিল। তাৰ পৰিপ্ৰেক্ষিতত যোৱা ২৭ অক্টোবৰৰ পৰা ১ নবেম্বৰলৈকে বটলিফ ফেক্টৰীসমূহে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ পৰা কেঁচাপাত কিনাৰ পৰা বিৰত থাকে। এই সংক্ৰান্তত কালি ডুমডুমাত তিনিচুকীয়া জিলাৰ সহকাৰী আয়ুক্তৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ চাহ বৰ্ড বিষয়া, উদ্যোগ আৰু বাণিজ্যিক বিভাগৰ তিনিচুকীয়া জিলাৰ পৰিচালক, বটলিফ এছোচিয়েচনৰ বিষয়ববীয়া আৰু সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। আলোচনাৰ অন্তত বটলিফ এছোচিয়েচনে ক্ষুদ্ৰ চাহ

### সহস্ৰাধিক মহিলাই গালে মায়াবিনী ৰাতিৰ বুকুত
# মায়াবিনী কাপ ছিজন-১ চুড়ান্ত ফুটবল খেল প্ৰতিযোগিতাৰ সামৰণি




**অসম বাৰ্তা, বাসুগাঁও, ২ নৱেম্বৰ ঃ** বিটিচিৰ চিৰাং জিলাৰ অন্তৰ্গত বিজয়গাওঁ ৰাজহুৱা খেলপথাৰত বিজয়গাওঁ আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত ৩০ তম বাৰ্ষিক ফুটবল খেল প্ৰতিযোগিতাৰ আজি সামৰণি পৰে। উল্লেখযোগ্য বিজয়গাঁও আঞ্চলিক ৰত্নপীঠ সংঘ আৰু পুথিভঁৰালৰ উদ্যোগত অনুষ্ঠিত হোৱা ফাইনেল খেলখনত কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ কৰ্মেশ্বৰ ৰায়ে উপস্থিত থাকি প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনাই মায়াবিনী ছিজন-১ ফুটবল খেলৰ প্ৰতিযোগিতাৰ আৰম্ভণি কৰে। আজিৰ ফাইনেল খেলখনত চালাকাটি এফ চিয়ে হেকইপাৰা এফ চি'ক ১-০ গলত পৰাজিত কৰি চালাকাটি এফ চিয়ে জয়ী হয়। আজিৰ ফাইনেল খেলখনত সংগীত শিল্পী মানসী চহৰীয়াৰ লগতে বিজয়গাওঁ আঞ্চলিকৰ সহশ্ৰাধিক মহিলাই একেলগে মায়াবিনী ৰাতিৰ বুকুত গীতটি পৰিৱেশন কৰে। দিলীপ ৰায়ৰ কোচৰাজবংশী নৃত্যশিল্পী আৰু বঙাইগাঁৱৰ কৃষ্টি বিকাশ সাংস্কৃতিক দলটিয়ে অংশগ্ৰহণ কৰি নৃত্য পৰিৱেশন কৰে। উক্ত কাৰ্যসুচীত বিটিচি'ৰ ১৩ নং চিৰাং পৰিষদীয় সমষ্টিৰ পাৰিষদ শুকুৰসিং মুচাহাৰী আৰু কে এ চি'ৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, বিশিষ্ট সমাজ সেৱক শম্ভু ৰাজবংশীকে ধৰি বহুতো অতিথি উপস্থিত থাকে। খেলখন ৰেফাৰী হিচাপে স্বপন কুমাৰ ৰায়ৰ নেতৃত্বত পৰিচালনা কৰে।

### বঙাইগাঁৱত বেজেই প্ৰধান চিকিৎসক
# আধুনিক চিকিৎসাই স্পৰ্শ কৰা নাই নেকি সৰ্বসাধাৰণক ?

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ১ নৱেম্বৰ ঃ** বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই চৰম উৎকৰ্ষ সাধন সময়তো সমাজৰ পৰা আতৰা নাই অন্ধবিশ্বাস, কুসংস্কাৰ। আধুনিক চিকিৎসা ব্যৱস্থা সুলভ হোৱাৰ পিছতো ৰোগীৰ ঘৰৰ চোতালত চলে বেজৰ চিকিৎসা। এঘৰ লোকৰ চোতালৰ মাজতে শয্যাগত এজন ৰোগী। ৰোগীজনক আৱৰি চক্ৰাকাৰে ঘূৰি ঘূৰি গীত গাই নৃত্য কৰি আছে কেইজনীমান কিশোৰী। চৌদিশে গভীৰ উৎসুকতাৰে অলেখ জনতা। গীত, নৃত্যৰ মাজতে শয্যাগত ৰোগীজনক চিকিৎসা কৰি আছে কবিৰাজে। এই দৃশ্য বঙাইগাঁও জিলাৰ বৰঘোলা আৰক্ষী চকীৰ অন্তৰ্গত টিলাপাৰা গাঁৱৰ। উক্ত ভিডিঅ' ভাইৰেল হোৱাৰ পাছত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে চৌদিশে। চিকিৎসা বিজ্ঞানৰ উত্তৰণৰ সময়ত এনে দৃশ্যই চকু কপালত তুলিছে সচেতন লোকৰ মাজত। ৰোগীৰ জীৱন, মৃত্যুৰ সৈতে খেলা কৰা এনে ভণ্ড বেজৰ বিৰুদ্ধে ব্যৱস্থা লবনে চৰকাৰে বুলিও প্ৰশ্ন উত্থাপন কৰিছে বহুতে।

# হাৰমতী বাঁহবাৰী মিলন সত্ৰ কলা কৃষ্টি বিকাশ কেন্দ্ৰত শ্ৰীশ্ৰী কৃষ্ণৰ পূৰ্ণাংগ মুকলি ৰাসলীলাৰ প্ৰস্তুতি

**অসম বাৰ্তা, বান্দৰদেৱা, ১ নৱেম্বৰ ঃ** শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন, ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।। শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱলৈ মাজত মাথোঁ আৰু কেইটামান দিন বাকী। বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী হাৰমতী বাঁহবাৰী মিলন সত্ৰ কলা কৃষ্টি বিকাশ কেন্দ্ৰৰ সৌজন্যত ৪১ তম সাৰ্বজনীন শ্ৰীশ্ৰী কৃষ্ণৰ পূৰ্ণাংগ মুকলি ৰাসলীলা উৎসৱ ভাগী উদযাপনৰ বাবে ব্যাপক ভাৱে প্ৰস্তুতি চলাইছে। সেয়েহে অহা ৫, ৬ আৰু ৭ নৱেম্বৰত তিনিদিনীয়া কাৰ্যসূচীত এটা নিশা শিশু সকলে আৰু এটা নিশা সম্পূৰ্ণ মহিলা সকলৰ দ্বাৰা শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শন কৰিব। ৰাস উৎসৱটি উদ্‌যাপন বাবে এতিয়া অঞ্চলটোৰ বিভিন্ন জাতি জনগোষ্ঠী, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। উক্ত তিনিওটি নিশাৰ ৰাস উপভোগ কৰিবলৈ সকলোকে আমন্ত্ৰণ জনাইছে উদ্যোক্তা সকলে। উল্লেখ্য যে উদযাপন সমিতিয়ে এইবাৰ ৰাস মহোৎসৱটি যুগ নায়ক জুবিন গাৰ্গৰ নামত উছৰ্গা কৰিব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

# বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত কাছাৰীপেটীত আই নৈৰ তীব্ৰ গৰাখনীয়া

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২ নৱেম্বৰ ঃ** কাছাৰীপেটীত আই নৈৰ গৰাখনীয়াত বিধবস্ত গাঁওখনৰ কেইবাটাও পৰিয়াল। কাণসাৰ নাই স্থানীয় বিধায়ক আব্দুল বাতিন খন্দকাৰৰ। গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা ৰাইজৰ দলৰ প্ৰত্যাশী প্ৰাৰ্থী পাৰভেজ ৰহমান। হঠাৎ গৰাখহনীয়াৰ কৱলত কাছাৰীপেটী অঞ্চল। বিগত সময়চোৱাত গৰাখহনীয়াৰ কবলত পৰিছিল কাছাৰীপেটী গাঁওখন। ইতিমধ্যে বহু ঘৰ-দুৱাৰ, খেতি মাটি গৰাখহনীয়াত জাহ গৈছে। প্ৰতিবাৰৰ দৰে এইবাৰো হঠাৎ গৰাখহনীয়াৰ কবলত কাছাৰীপেটী অঞ্চল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পাৰভেজ ৰহমানে কাছাৰীপেটী অঞ্চলত গৈ গৰাখহনীয়াৰ পৰিস্থিতি বুজ লয় আৰু ৰাইজৰ সৈতে মত বিনিময় কৰে। পিছত গৰাখহনীয়া সমূহ পৰিদৰ্শন কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনায়। আৰু উক্ত স্থানৰ পৰা বিভাগীয় কৰ্তৃপক্ষক ফোন যোগে গৰাখহনীয়াৰ পৰিস্থিতি সম্পৰ্কে অৱগত কৰে।

### জনতাৰ শিল্পী জুবিন গাৰ্গৰ নামত উছৰ্গা কৰা হৈছে কাৰ্যসূচী
# কুজীডাঁহত শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলাৰ এশ বছৰীয়া জয়ন্তী

**অসম বাৰ্তা, বেবেজীয়া, ৩ নৱেম্বৰ ঃ** ১৯২৬ চনতে আৰম্ভ হোৱা নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত কুজীডাঁহ যুৱীয়া নামঘৰৰ ৰাসোৎসৱে এইবাৰ ১০০ বছৰ গৰকিছে। তদুপলক্ষে কুজীডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হব শ্ৰী শ্ৰীকৃষ্ণৰ ৰাসলীলা এশবছৰীয়া জয়ন্তী। অহা ৫ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈকে অনুষ্ঠিত হবলগীয়া ৰাসোৎসৱৰ সকলো কাৰ্যসূচী সদ্যপ্ৰয়াত জনতাৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই উছৰ্গা কৰা হৈছে। কাৰ্যসূচী অনুসৰি ৫ নৱেম্বৰৰ পুৱা প্ৰাতঃপ্ৰসংগ, পৰিবেশ নিকাকৰণ আদিৰ পিচত উদযাপন সমিতিৰ সভাপতি সুনীল কুমাৰ বৰাৰ নেতৃত্বত ধৰ্মধ্বজা উত্তোলন কৰা হব। ইয়াৰ পিচত কুজীডাঁহ যুৱীয়া নামঘৰৰ নৱনিৰ্মিত তোৰণ উন্মোচন হব। পুৱা ৯-৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে। বিয়লি এশগছি বন্তি প্ৰজ্বলন আৰু নিশা পুৰুষ সকলৰ দ্বাৰা 'কেলিগোপাল' নাট অভিনীত হ'ব। উদ্বোধন কৰিব অসম বৃক্ষৰোপণ আৰু শস্য নিগমৰ অধ্যক্ষ মনিমাধৱ মহন্তই। ৬ নৱেম্বৰৰ দিনা পুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। দিনৰ ১১ বজাত অনুষ্ঠিত হব জী-জোৱাই সন্মিলন। সভাপতিত্ব কৰিব কুজীডাঁহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° বিজয়লক্ষ্মী মহন্তই। উদ্বোধন কৰিব প্ৰাক্তন অধ্যক্ষ অশোক কুমাৰ বৰঠাকুৰে। অতিথি হিচাপে উপস্থিত থাকিব নগাঁও ছোৱালী মহাবিদ্যালয়ৰ উপাধ্যক্ষ মৰমী গায়ন, কুজীডাঁহ-জামুগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰী জুতিস্মা মেধি, সমাজসেৱীকা ভোগেশ্বৰী দাস আৰু ৰূপালী হাজৰিকাই। বিয়লি ৩ বজাত প্ৰয়াত নীলকান্ত বৰা আৰু সৰ্বেশ্বৰী বৰাৰ স্মৃতিত দিহানাম পৰিবেশন। উদ্বোধন কৰিব প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। নিশা ৮ বজাত সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠান। বিশেষ আকৰ্ষণ জামুগুৰিৰ ভুৱন চন্দ্ৰ নাথ পৰিচালিত 'কালীয় দমন'। উদ্বোধন কৰিব ৰূপৰেখা বৰাই। ৭ নৱেম্বৰৰ বিয়লি অনুষ্ঠিত হব ধৰ্মালোচনী সভা। উদ্বোধন কৰিব বাবুল মেধিয়ে। সভাপতিত্ব কৰিব হাতীচোং মহাবিদ্যালয়ৰ অধ্যক্ষ লুইত হাজৰিকাই। নিৰ্দিষ্ট বক্তা হিচাবে অংশগ্ৰহণ কৰিব জনপ্ৰিয় বক্তা এঞ্জেলা চাংমাই আৰু নিৰ্মালি নয়নতৰাই। নিশা ৮ বজাত অনুষ্ঠিত হ'ব অসমীয়া ভাওনা হৰিহৰ যুদ্ধ। উদ্বোধন কৰিব সমাজকৰ্মী সঞ্জীৱ হাজৰিকাই। ৮ নৱেম্বৰৰ নিশা মহিলা সকলৰ সৌজন্যত কেলিগোপাল অংকীয়া ভাওনা পৰিবেশন হব। অনুষ্ঠানত উপস্থিত থাকিব নগাঁও সংসদীয় সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ। ৯ নৱেম্বৰৰ দিনা মুকলি সভাত সভাপতিত্ব কৰিব উদ্‌যাপন সমিতিৰ সভাপতি সুনীল কুমাৰ বৰাই। সভাত উদ্বোধনী বৰগীত পৰিবেশন কৰিব শিল্পী কাকলি শইকীয়াই। সভাৰ উদ্বোধন কৰিব বিধায়ক শশীকান্ত দাসে। সভাত মুখ্য অতিথি হিচাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ কথা। তদুপৰি মন্ত্ৰীদ্বয় কেশৱ মহন্ত আৰু প্ৰশান্ত ফুকন, বিধায়ক ৰূপক শৰ্মাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। নিৰ্দিষ্ট বক্তা হিচাবে অংশগ্ৰহণ কৰিব মাজুলীৰ শ্ৰীশ্ৰী উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাই অংশগ্ৰহণ কৰিব। আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব নগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই। বিয়লি প্ৰয়াত নন্দেশ্বৰ বৰা আৰু লখিমী বৰাৰ স্মৃতিত উছৰ্গিত তথা সাংবাদিক পলাশপ্ৰতীম হাজৰিকা আৰু চন্দনজ্যোতি বৰাই সম্পাদনা কৰা স্মৃতিগ্ৰন্থ 'ভকতি অমিয়া' উন্মোচন কৰিব নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই। নিশা লক্ষ্মীমপুৰৰ শিমলুগুৰিৰ মণিকাঞ্চন সাংস্কৃতিক গোষ্ঠীয়ে পৰিবেশন কৰিব অসমীয়া ভাওনা ভক্তি প্ৰহ্লাদ। উদ্বোধন কৰিব নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° শৰৎ বৰকটকীয়ে।

### দীপক শৰ্মাই জীৱিত কালত নিজ গাঁৱত বিচাৰিছিল এখন সংগীত বিদ্যালয়
# আন্তঃৰাষ্ট্ৰীয় বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ আকস্মিক বিয়োগত মৰ্মাহত সমগ্ৰ অঞ্চলবাসী

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৩ নৱেম্বৰ ঃ** নলবাৰীৰ জিলাৰ পানীগাঁও গৰেমাৰা গাঁওবাসীয়ে বিচাৰিছে প্ৰয়াত দীপক শৰ্মাৰ নামত এখন সংগীত বিদ্যালয়। দীপক শৰ্মাৰ আকস্মিক বিয়োগত মৰ্মাহত হৈ পৰিছে সমগ্ৰ অঞ্চলবাসী। এতিয়া যেন নিষ্প্ৰভ হৈ পৰিছে তেওঁ নিজ হাতেৰে সজোৱা ঘৰখন। নলবাৰী জিলাৰ পানীগাঁৱৰ গাৰেমাৰাস্থিত ঘৰত দীপক শৰ্মাই নিজ হাতেৰে ৰোপণ কৰিছিল বিভিন্ন প্ৰজাতিৰ গছপুলি। সন্ধিয়া হ'লেই কদম গছৰ তলত বহি বাঁহী বজাই শ্ৰীকৃষ্ণৰ দৰে গাঁওবাসীক বাঁহীৰ সুৰেৰে মুগ্ধ কৰিছিল। অঞ্চলটোৰ সকলোৰে আহি সংগ দিছিল দীপক শৰ্মাক। কৰ'ণা মহামাৰীৰ সময়ত পুখুৰী খান্দি মাছ পুহিছিল জনদৰদী শিল্পীগৰাকীয়ে। গাঁওখনৰ ৰাইজৰ লগত মিলি বহুতো সমূহীয়া কামো সহজসাধ্য কৰি তুলিছিল তেওঁ। গাঁওখনৰ তিলিমা দেৱী নামৰ এগৰাকী আইতাই নিজ হাতে ডাঙৰ কৰা নাতি তথা বিশিষ্ট বাঁহীবাদক দীপক শৰ্মাৰ বিয়োগত ম্ৰিয়মাণ হৈ ৰচনা কৰিলে গীত। আনহে নালাগে দীপক শৰ্মাক সোঁৱৰণ কৰি গীত গাই-গাই চকুলোঁ টুকি স্মৰণ কৰিছে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিশিষ্ট বাঁহীবাদক শিল্পীগৰাকীক। মুঠতে, শিল্পীগৰাকীৰ অকাল বিয়োগত অঞ্চলটোত এক শোকাকুল পৰিৱেশ বিৰাজ কৰিছে। উল্লেখ্য যে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক, নলবাৰীৰ গৌৰৱ দীপক শৰ্মাৰ বিয়োগ সমগ্ৰ নলবাৰীৰ লগতে জাতিটোৰ বাবেই অপূৰণীয় ক্ষতি। হঠাৎ হেৰাই যোৱা অসমৰ আন এগৰাকী প্ৰতিভাসম্পন্ন আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক, নলবাৰীৰ গৌৰৱ দীপক শৰ্মা যকৃতৰ জটিল ৰোগত আক্ৰান্ত হৈ চেন্নাইত চিকিৎসাধীন অৱস্থাত আজি ৰাতিপুৱা ৬.১৫ বজাত শেষ নিশ্বাস ত্যাগ কৰে। দীৰ্ঘদিন ধৰি শাৰীৰিক অসুস্থতাৰে যুঁজ দি অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে 'বাঁহী সম্ৰাটৰূপে' পৰিচিত দিপক শৰ্মাই। নলবাৰীৰ পানীগাঁৱত জন্ম গ্ৰহণ কৰা প্ৰয়াত শৰ্মাই পৰৱৰ্তী পৰ্যায়ত গুৱাহাটী মহানগৰীত বাস কৰি পৰ্যায়ক্ৰমে অসম ভাৰত তথা আন্তঃৰাষ্ট্ৰীয় মঞ্চত বাঁহী বাদনেৰে লক্ষ- লক্ষ জনতাক আহ্লাদিত কৰি তুলিছিল। ১৯৬৮ চনৰ ৩০ আগষ্টত নলবাৰী জিলাৰ পানীগাওঁ গৰেমাৰাত দীপক শৰ্মাৰ জন্ম হয়। পিতৃ প্ৰয়াত প্ৰমোদ শৰ্মা চাকৰি সূত্ৰে গুৱাহাটী মহানগৰীত স্থায়ীভাৱে বাস কৰাত দীপক শৰ্মাই গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ৰ পৰা তেখেতে বাণিজ্য বিভাগত ১৯৮৯ চনত তেওঁ সন্মান সহকাৰে বি.কম ডিগ্ৰী লাভ কৰে। বাঁহী বজোৱাৰ প্ৰতি থকা অকৃত্ৰিম অনুৰাগ আৰু আৱেগৰ বাবে দীপক শৰ্মাই কলকাতাৰ ৰবীন্দ্ৰ ভাৰতীত শিক্ষাগ্ৰহণ কৰে। ৰবীন্দ্ৰ ভাৰতীৰ পৰা ৩ বছৰৰ অন্তত আন্ত: ৰাষ্ট্ৰীয় সংগীতৰ স্নাতকোত্তৰ সন্মান লাভ কৰে। ইয়াৰ মাজতে ১৯৯৪ চনত তেওঁ প্ৰথম অসমীয়া হিচাপে ধ্ৰুপদী সংগীতত অনাতাঁৰ কেন্দ্ৰৰ পৰা 'বি-হাই সন্মান লাভ কৰে। তাৰ পাছতে দীপক শৰ্মাই মুম্বাইলৈ সংগীত শিক্ষাৰ কাৰণে যাত্ৰা কৰে আৰু তাতে আন্তৰাষ্ট্ৰীয় বাঁহীবাদক হৰিপ্ৰসাদ চৌৰাচিয়াৰ তত্বাৱধানত বাঁহী শিকে। মুম্বাইত ৭ বছৰ থাকি তাৰ পিছতে তেওঁ স্বাধীনতাৰ স্বৰ্ণ জয়ন্তী উপলক্ষে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰে। ২০০০ চনত দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰি প্ৰথম বিদেশ ভ্ৰমণ তথা আন্ত: ৰাষ্ট্ৰীয়ভাৱে বাঁহীবাদন পৰিৱেশন কৰিবলৈ সুযোগ লাভ কৰে। বৰ্তমানলৈকে ৪২ খনতকৈও অধিক দেশত নিজৰ বাঁহীবাদন পৰিৱেশন কৰি সু-খ্যাতি লাভ কৰা দীপক শৰ্মাক আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটন বিশ্ববিদ্যালয়ে ২০০৪ চনত সন্মানীয় ডক্টৰেট সন্মান প্ৰদান কৰিছিল। শোকত ম্ৰিয়মাণ সমূহ গাঁওবাসীয়ে বিচাৰিছে দীপক শৰ্মাৰ মৃতদেহ গাঁওখনলৈ আনক, দীপক শৰ্মাৰ নামত এখন সংগীত বিদ্যালয়ো স্থাপন কৰক।

# ৫ নবেম্বৰ কামৰূপ জিলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সন্দৰ্ভত জিলা আয়ুক্তৰ সংবাদমেল




**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যজুৰি অনুষ্ঠিত হ'বলগীয়া ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উদ্‌যাপনৰ সৈতে সংগতি ৰাখি কামৰূপ জিলাতো উক্ত দিনা জিলা প্ৰশাসনৰ উদ্যোগত তেখেতৰ সাংস্কৃতিক অৱদানক ৰোমন্থন কৰাৰ উদ্দেশ্যৰে সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আজি কামৰূপ জিলাৰ আমিনগাঁৱস্থিত সংহত জিলা কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি এইদৰে কয় কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই। সংবাদমেলত সদৰী কৰা অনুসৰি ৫ নৱেম্বৰৰ দিনা পুৱা ৬ বজাৰ পৰা জনসংযোগ বিভাগৰ স্থায়ী অনুভাষণ যন্ত্ৰৰ দ্বাৰা ভূপেন্দ্ৰ সংগীত পৰিৱেশন, দিনৰ ১১ বজাত আমিনগাঁওস্থিত সংহত জিলা আয়ুক্ত কাৰ্যালয়, কামৰূপ জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সন্মুখত থকা ড° ভূপেন হাজৰিকাৰ আৱক্ষ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনৰ ৩ বজাত চাংসাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত জিলা পৰ্যায়ত মূল কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। উক্ত অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব। অসমৰ কেইবাপ্ৰজন্মৰ শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি ৰখা শিল্পীগৰাকীলৈ স্মৃতি তৰ্পণ অনুষ্ঠানৰ লগতে ১৭ ছেপ্টেম্বত গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত হৈ যোৱা ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা কামৰূপ জিলাৰ শিল্পীৰ দ্বাৰা ১৭ মিনিটৰ সমৱেত সংগীত পৰিবেশন কৰা হ'ব। প্ৰায় পাঁচহাজাৰৰো অধিক লোকৰ অংশগ্ৰহণেৰে এক মানৱ-শৃংখল সৃষ্টি কৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী "মানুহে মানুহৰ বাবে" গীতটি সমৱেতভাৱে পৰিৱেশন কৰা হয়। কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে তেখেতৰ সাংস্কৃতিক অৱদানক ৰোমন্থন কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিতব্য সকলো কাৰ্যসূচীত জিলা প্ৰশাসনৰ তৰফৰ পৰা সমূহ জিলাবাসী ৰাইজৰ অংশগ্ৰহণ কামনা কৰিছে। উল্লেখ্য যে জিলাভিত্তিক এই কাৰ্যসূচীৰ সমান্তৰালকৈ ৰঙিয়া আৰু পলাশবাৰী সমজিলাতো সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলিও আয়ুক্ত গৰাকীয়ে সংবাদ মেলত সদৰি কৰে। আয়ুক্ত গৰাকীয়ে লগতে কয় যে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে স্থানীয় বিধায়ক সকল উপস্থিত থাকিব। ৰঙিয়া সম-জিলাৰ উদ্যোগত সংগম সংঘ, ৰঙিয়াত আবেলি ৩ বজাত আৰু পলাশবাৰী সম-জিলাৰ উদ্যোগত শ্বহীদ ভৱন, মিৰ্জাত আবেলি ৪ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি আয়ুক্ত গৰাকীয়ে সংবাদমেলত সদৰি কৰে। অহা ১৫ নৱেম্বৰ ২০২৫ তাৰিখে জনজাতীয় গৌৰৱ দিৱস কামৰূপ জিলাৰ বকোত উদযাপন কৰা হ'ব। জনজাতীয় গৌৰৱ দিৱসৰ লগত সংগতি ৰাখি অহা ১১ নৱেম্বৰ তাৰিখে দিনৰ ২ বজাত অসমৰ মুখ্যমন্ত্ৰীৰ দ্বাৰা কামৰূপ জিলাৰ পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ ৫টা ৰেঞ্জ আৰু পূৱ কামৰূপ বন সংমণ্ডলৰ অধীনস্থ ১টা ৰেঞ্জ ক্ৰমে লোহাৰঘাট ৰেঞ্জৰ অধীনত ৬০০ গৰাকী, বামুণীগাঁও ৰেঞ্জৰ অধীনত ১২৪৩ গৰাকী, বোন্দাপাৰ ৰেঞ্জৰ অধীনত ৫১৩ গৰাকী, শিংৰা ৰেঞ্জৰ অধীনত ১৯৬ গৰাকী, কুলশী ৰেঞ্জৰ অধীনত ১৯৯১ গৰাকী আৰু লখৰা ৰেঞ্জৰ অধীনত ১৫২ গৰাকীক সামৰি মুঠ ৪৬৯৫ গৰাকী জনজাতীয় লোকক বন অধিকাৰ আইন ২০০৬ৰ অধীনত ছয়গাঁও পাণ্টান উচ্চমাধ্যমিক বিদ্যালয় খেল পথাৰত ভূমিৰ পট্টা প্ৰদান কৰা হ'ব। ভূমি পট্টা প্ৰদান অনুষ্ঠানত অসমৰ মুখ্য মন্ত্ৰীৰ লগতে জনজাতীয় কল্যাণ আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। ইয়াৰ উপৰিও সমগ্ৰ দেশৰ লগতে কামৰূপ জিলাতো 'বন্দে মাতৰম' সংগীতৰ ভাৰত বৰ্ষৰ স্বাধীনতা সংগ্ৰামত ইয়াৰ ঐতিহাসিক ভূমিকা আৰু ১৫০ বছৰ উদযাপনৰ বাবে পদক্ষেপ লোৱা হৈছে। এই পদক্ষেপৰ জৰিয়তে গীতটোৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ বিশেষকৈ যুৱক-যুৱতী আৰু শিক্ষাৰ্থীসকলক লক্ষ্য কৰি এই উদযাপনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়, বিদ্যালয় সমূহত কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব বুলি আয়ুক্ত গৰাকীয়ে সংবাদ মেলত সদৰি কৰে। সংবাদ মেলত কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত উপস্থিত থাকে।

### সমিতিৰ সাধাৰণ সভাত প্ৰথমবাৰৰ বাবে বেলট পেপাৰৰ দ্বাৰা ভোটদান পদ্ধতিৰে সাধাৰণ সম্পাদক নিৰ্বাচন
# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ সভা সম্পন্ন

**অসম বাৰ্তা, নগাঁও, ৩ নৱেম্বৰ ঃ** বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ সভাখন আজি বটদ্ৰৱা আকাশীগংগা পাৰৰ মুকলি মঞ্চত বিশিষ্ট সাংবাদিক তথা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড সমুদ্ৰ গুপ্ত কাশ্যপৰ সভাপতিত্বত জিলা আয়ুক্ত, দেৱাশিস শৰ্মা, লগতে নগাঁও জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা, নিৰ্বাচনী বিষয়া শেখৰন ফুকন, সহকাৰী আয়ুক্ত, অৰুণাভ চৌধুৰী, ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, সৌৰভ কুমাৰ দাসকে প্ৰমুখ্য কৰি জিলা প্ৰশাসনৰ বিষয়াসকলৰ লগতে বটদ্ৰৱাৰ শলগুৰি আৰু নৰোৱা সত্ৰৰ ভকত বৈষ্ণৱসকল, সমগ্ৰ নগাঁও জিলাখনৰ বিভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱ, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ আজীৱন সদস্য আৰু সত্ৰীয়া সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত হয়। এই সভাখনতেই প্ৰথমবাৰৰ বাবে সাধাৰণ সম্পাদক পদৰ বাবে বেলট পেপাৰৰ জৰিয়তে নিৰ্বাচন অনুষ্ঠিত হয়। বেলট বাকচ ভোটৰ জৰিয়তে অনুষ্ঠিত নিৰ্বাচনত আগন্তুক তিনিবছৰীয়া কাৰ্যকালৰ বাবে সাধাৰণ সম্পাদক হিচাপে বিশিষ্ট মানৱ অধিকাৰ কৰ্মী লাচিত বৰদলৈ নিৰ্বাচিত হয়। সমগ্ৰ ৰাজ্যত চৰ্চিত হোৱা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ বিগত ৪ বছৰত হোৱা দুৰ্নীতি, অনিয়মৰ তদন্তৰ বাবে এই সভাতে ৬ জনীয়া বিশেষ তদন্ত সমিতিও গঠন কৰা হয়। এই সমিতিখনে আগন্তুক ৬ মাহৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিব। উল্লেখ্য যে, গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা বটদ্ৰৱা থানৰ পৰিচালনা সমিতি সম্বন্ধীয় বিতৰ্কই বিগত বছৰ ধৰি সংবাদ মাধ্যমৰ শিৰোনামা দখল কৰি আহিছিল। সমান্তৰালকৈ পৰিচালনা সমিতিৰ বিতৰ্কই মহামান্য উচ্চতম ন্যায়ালয় পৰ্যায় লৈ গতি কৰিছিল। ২০২৪ বৰ্ষৰ ৯ জুনত অনুষ্ঠিত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাত পূৰ্বৰ সমিতিখনৰ দিনত সংঘটিত দুৰ্নীতি- অনিয়ম, বিত্তীয় খেলিমেলি আৰু বিভিন্ন অভিযোগত উক্ত সমিতিখনৰ ওপৰত অনাস্থা প্ৰস্তাৱ সৰ্বসম্মতি ক্ৰমে গৃহীত কৰি সমিতিখন ভংগ কৰা হৈছিল। স্থানীয় ৰাইজ, ভকত বৈষ্ণৱ, আজীৱন সদস্য আৰু সত্ৰীয়া সদস্যৰ উপস্থিতিত অনুষ্ঠিত উক্ত সাধাৰণ সভাতে এখন তদৰ্থ (অস্থায়ী) থান পৰিচালনা সমিতি গঠন কৰি থানৰ নিত্য নৈমত্তিক কাম কাজ লগতে প্ৰশাসনিককে ধৰি সকলো কাম কাজ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। তদৰ্থ সমিতি খনে থানৰ নিয়মাৱলী, পৰম্পৰা অক্ষুণ্ন ৰাখি যোৱা বৰ্ষৰ ১২ জুনত শপত বাক্য পাঠ কৰি দায়িত্বভাৰ গ্ৰহণ কৰিছিল। পাছত নতুন সমিতিয়ে পূৰ্বৰ সমিতিখনলৈ সকলো নথি পত্ৰ আৰু চাবিকাঠি বিচাৰি পত্ৰ প্ৰেৰণ কৰে। কিন্তু বিতৰ্কিত পুৰণি সমিতিয়ে সামগ্ৰী সমূহ নিয়মমতে চমজি নিদি নগাঁও আদালতৰ পৰা একপক্ষীয় নিষেধাজ্ঞা জাৰি কৰাৰ পাছত বিষয়টো উচ্চ ন্যায়ালয়, উচ্চতম ন্যায়ালয়লৈকে লৈ গৈছিল। অৱশেষত আদালতৰ নিৰ্দেশনা অনুযায়ী নগাঁও জিলাৰ নৱনিযুক্ত আয়ুক্ত দেৱাশিস শৰ্মাৰ তৎপৰতাত এই বিতৰ্কিত বিষয়টোৰ অৱসান ঘটে। কালি নিশাৰ এই সভাতেই আগন্তুক তিনিবছৰৰ বাবে বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতি দেৱ গোস্বামীক সভাপতি শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তক উপ-সভাপতি, সম্পাদক, বিশিষ্ট মানৱ অধিকাৰ কৰ্মী লাচিত বৰদলৈ, ৰাইদঙীয়াৰ সমাজকৰ্মী গোবিন দাসক কাৰ্য্যকৰী সভাপতি আৰু বদন কলিতাক কোষাধ্যক্ষ হিচাপে লৈ পৰিচালনা সমিতি গঠন হয়। সভাৰ আৰম্ভণিতে বিগত সমিতিৰ দিনত হোৱা দুৰ্নীতি, অনিয়মৰ বাবে সভাত উপস্থিত ৰাইজে নিৰপেক্ষ তদন্ত বিচাৰি বক্তব্য দাঙি ধৰে আৰু লিখিত আবেদন দাখিল কৰে। সভাই আগন্তুক ৬ মাহৰ ভিতৰত পুনৰ সাধাৰণ সভা অনুষ্ঠিত কৰি সমস্ত দুৰ্নীতিৰ তথ্য ৰাজহুৱা কৰি দোষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখ্য যে বটদ্ৰৱা থানৰ ইতিহাসত প্ৰথম বাৰৰ বাবে জিলা প্ৰশাসনৰ হস্তক্ষেপত কটকটীয়া নিৰাপত্তা বেষ্টনীৰে অনুষ্ঠিত হয় সাধাৰণ সভা। গুৰুজনাৰ অমৰ সৃষ্টি এটি বৰগীতেৰে আৰম্ভণি কৰা সভাখনৰ শেষত হৰিধ্বনিৰে সামৰণি পৰে।

# নাজিৰাত জনজাতিকৰণৰ দাবীত টাইপাৰ বিশাল জোঁৰ সমদল

**অসম বাৰ্তা, গেলেকী, ৩ নৱেম্বৰ ঃ** টাই আহোমকে ধৰি ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে দীৰ্ঘদিন ধৰি বিভিন্ন ধৰণে গণ আন্দোলনৰ কাৰ্যসূচী অব্যাহত ৰাখিছে জনগোষ্ঠীয় সংগঠনসমূহে। দেওবাৰে সন্ধিয়া সদৌ টাই আহোম যুৱ পৰিষদ চমুকৈ টাইপা, অসমৰ নাজিৰা মহকুমা সমিতিৰ উদ্যোগত এক বিশাল জোঁৰ সমদল বাহিৰ কৰা হয়। টাইপাৰ নাজিৰা মহকুমা সমিতিৰ অন্তৰ্গত নাজিৰা, গেলেকী, শিমলুগুৰি, নামতি, জোকতলি আঞ্চলিক সমিতিৰ সহস্ৰাধিক কৰ্মীৰ লগতে টাই আহোম মহিলা পৰিষদৰ ভালেসংখ্যক বিষয়ববীয়াই অংশগ্ৰহণ কৰে এই প্ৰতিবাদত। প্ৰতিবাদকাৰী সকলে "জনজাতিকৰণ আমাৰ ন্যায্য প্ৰাপ্তিৰ অধিকাৰ, জনজাতি আমাক লাগিবয়েই, অসম চৰকাৰ হায় হায়, মিছলীয়া প্ৰধানমন্ত্ৰী মুৰ্দাবাদ" আদি শ্ল'গান - ধৰ্ণাৰে উত্তাল কৰি তোলে নাজিৰাৰ পৰিৱেশ। কাৰ্যসূচীত অংশগ্ৰহণ কৰি টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামোলীয়ে সংবাদ মাধ্যমৰ আগত বিগত কংগ্ৰেছ নেতৃত্বাধীন চৰকাৰৰ লগতে বৰ্তমানৰ কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনক মিছলীয়া আখ্যাৰে টাই আহোমকে ধৰি ছয় জনগোষ্ঠীক চৰম প্ৰতাৰণা কৰা কাৰ্যক তীব্ৰ সমালোচনা কৰে। টাইপাৰ কেন্দ্ৰীয় সভাপতি গৰাকীয়ে টাই আহোমকে ধৰি ছয় জনগোষ্ঠীক জনজাতিৰ নকৰিলে বিকল্প ৰাজনৈতিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি হুংকাৰ প্ৰদান কৰে।

### লখিমী মহন্তৰ কাব্যগাথা গ্ৰন্থ উন্মোচন
# নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য বৈঠক

**অসম বাৰ্তা, বৰমপুৰ, ৩ নৱেম্বৰ ঃ** নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য বৈঠক আজি নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী টোডী ভৱনত অনুষ্ঠিত হয়। নগাঁও জিলা সাহিত্য সভাৰ মাহেকীয়া সাহিত্য সভাৰ মাহেকীয়া বৈঠক উপসমিতিৰ সভাপতি কমল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত লিখিকা লখিমী মহন্তৰ নৱতম কাব্যগ্ৰন্থ "কাব্যগাথা' উন্মোচন কৰে বিশিষ্ট সাংবাদিক গুৰমাইল সিঙে। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত গুৰমাইল সিঙে কয় যে গ্ৰন্থই মানুহৰ মনত অনাবিল আনন্দ দিব পাৰে। বৰ্তমান সময়ত আধুনিক প্ৰযুক্তি বিদ্যাই উচ্চ শিখৰত আহৰণ কৰিছে যদিও গ্ৰন্থৰ চাহিদা কমা নাই। গ্ৰন্থ উন্মোচন অনুষ্ঠানত অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, নগাঁও জিলা সাহিত্য সভাৰ উপসভাপতি নবীন বৰঠাকুৰ, সাধাৰণ সম্পাদক ৰাজীৱ হাজৰিকা, সহকাৰী সম্পাদক প্ৰিয়ংকু শৰ্মাৰ লগতে শ্যামন্ত দাস, দিপ্তী দেৱী শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। বিশিষ্ট সাহিত্যিক চন্দ্ৰ শইকীয়াৰ সঞ্চালনাত মাহেকীয়া সাহিত্য বৈঠক অনুষ্ঠিত হয়। বৈঠকত দুকুৰিৰো অধিক কবিয়ে কবিতা আদি পাঠ কৰে। অনুষ্ঠানৰ আতধৰে সাহিত্য বৈঠকৰ আহ্বায়ক জিতেন শৰ্মাই।


**NAME CORRECTION**

Swarn before Notary Public at Nagaon, that in my SBI Bank Passbook of Dhing Branch vide A/C no.- 38424970363 my name has been recorded as Ikramul instead of Ikramul Hoque. Ikramul and Ikramul Hoque is the same and one person i.e. myself. Applying for correction at the appropriate authority.

AB-150/2025

**NAME CORRECTION**

পুব শিয়ালমাৰী মৌজাৰ বেচিমাৰী গাঁৱৰ ৪৭ আৰু ৩১ নং ম্যাদী পট্টাৰ ৫৬০, ৫৬২, ৪১৯ নং দাগত মোৰ নামটো ভুলৱশত শ্ৰীমতী আনোৱাৰা বেগম আৰু মনোৱাৰা খাতুন হৈআছে। লগতে পিতাৰ নাম ওমেদ হৈ আছে। গাঁও প্ৰধানৰ প্ৰমাণপত্ৰ, শপতনামা, পান কাৰ্ড, ভোটাৰ তালিকাৰ তথ্য মতে মোৰ শুদ্ধ নামটো হৈছে ওমৰজান নেছা আৰু পিতাৰ শুদ্ধ নামটো হৈছে উমেদ আলী।

AB-151/2025

### অসমৰ মানুহক এতিয়া আঁচনি নালাগে, জুবিনৰ মৃত্যুৰ ন্যায় লাগে ঃ সত্যব্ৰত কলিতা

# বৰক্ষেত্ৰীৰ কাপলাবড়িত কংগ্ৰেছৰ কৰ্মীসভা

## গৌৰৱ গগৈৰ নামটোৰে খেদি ফুৰিছে মুখ্যমন্ত্ৰীক ঃ ৰেকিবুদ্দিন আহমেদ

**অসম বাৰ্তা, দৌলাশাল, ২ নৱেম্বৰ ঃ** বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ উদ্যোগত মুকালমুৱাৰ কাপলাবড়িত আজি কংগ্ৰেছৰ এখন কৰ্মীসভা অনুষ্ঠিত হয়। ব্লক কংগ্ৰেছৰ অন্তৰ্ভুক্ত পোন্ধৰখন মণ্ডল কমিটিৰ সহযোগত মুকালমুৱাৰ কাপলাবড়িস্থিত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনৰ বাসগৃহত অনুষ্ঠিত হয় কৰ্মীসভা। কৰ্মীসভাৰ পূৰ্বেই অসমীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে কংগ্ৰেছৰ নেতা-কৰ্মী সকলে। সমান্তৰালকৈ চৰ্দাৰ বল্লৱভাই পেটেল, ইন্দিৰা গান্ধী আৰু ডাঃ ভূমিধৰ বৰ্মনলৈও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কংগ্ৰেছৰ নেতা-কৰ্মীসকলে। বৰক্ষেত্ৰীৰ বিধায়ক দিগন্ত বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ নৱনিৰ্বাচিত সভাপতি পৰীক্ষিত দাসে। কৰ্মীসভাখনত বটদ্ৰৱা সমষ্টিৰ বিধায়ক শিৱামণি বৰা উপস্থিত থাকি সাংগঠিক দিশৰ ওপৰত ভাষণ প্ৰদান কৰে। বটদ্ৰৱাৰ বিধায়িকাগৰাকীয়ে কয় যে সাম্প্ৰদায়িকভাৱে সমষ্টি পুনঃনিৰ্ধাৰণ কৰাত কংগ্ৰেছ দল কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে যদিও গৌৰৱ গগৈয়ে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে কংগ্ৰেছত ভয়ানক বতাহ বলিছে, এই বতাহত বিজেপি উফৰি যাব বুলি কয়। গৌৰৱ গগৈ মুখ্যমন্ত্ৰী হোৱাটো নিশ্চিত। অত্যাচাৰী বিজেপিয়ে অসমত সাম্প্ৰদায়িক বীজ ছটিওৱাৰ অপচেষ্টা কৰি থাকে। আমাৰ সমস্যাবোৰ সমাধান কৰাৰ পৰিবৰ্তে বিজেপিয়ে মিছা কথাৰে অসমৰ জনতাক প্ৰতাৰিত কৰি আহিছে বুলিও কয় শিৱামণি বৰাই। বিধায়িকাগৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি কয় যে মুখ্যমন্ত্ৰীয়ে শেহতীয়াকৈ দিশহাৰা হৈছে, সেয়ে আবোল তাবোল কথা কয়। কংগ্ৰেছ নেতা নিৰুপম হালৈয়ে আঁত ধৰা কৰ্মীসভাত কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা প্ৰাক্তন অগত নেতা সত্যব্ৰত কলিতা উপস্থিত থাকি ভাষণ প্ৰদান কৰে। প্ৰাক্তন আঞ্চলিকতাবাদী নেতাগৰাকীয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সমালোচনা কৰি মুখ্যমন্ত্ৰীৰ চৰীখনৰ মৰ্যাদা ৰাখিব লাগে বুলি কয়। বিজেপিৰ শেহতীয়া ৰাজনীতি সন্দৰ্ভত কয় যে অসমৰ মানুহ আজি একত্ৰিত, অসমৰ মানুহক এতিয়া আঁচনি নালাগে, জুবিনৰ মৃত্যুৰ ন্যায় লাগে বুলি মন্তব্য কৰে। সত্যব্ৰত কলিতাই এইবুলিও কয় যে অসমৰ মানুহে বিজেপিৰ পৰিবৰ্তনৰ বিপৰীতে এতিয়া বিজেপিৰ পৰা পৰিত্ৰাণ বিচাৰিছে। মুখ্যমন্ত্ৰীয়ে হিন্দু-মুছলমানৰ মাজত সংঘাত লগাব বিচাৰি আছে, যদিহে আমি সংঘাতৰ পৰা আঁতৰি থাকি জুবিনৰ আদৰ্শৰে আগুৱাই যাও তেন্তে বিজেপিৰ পৰাজয় নিশ্চিত বুলিও কয় কলিতাই। গৰুচোৰৰ প্ৰসংগ উল্লেখ কৰি নকংগ্ৰেছী সত্যব্ৰত কলিতাই কয় যে গো মাতাৰ ৰক্ষকে যেতিয়া গৰুখুঁটিৰ পৰা গীৰ গাই চুৰি কৰিলে তেতিয়া গৰুচোৰক বিজেপিয়ে সুৰক্ষা দিবলৈ আৰম্ভ কৰিলে, সেই সময়ত অগপ ত্যাগ কৰাৰ কথা উল্লেখ কৰে সত্যব্ৰত কলিতাই। কৰ্মীসভাত নলবাৰী জিলা কংগ্ৰেছৰ সভাপতি ৰাতুল কলিতা উপস্থিত থাকি ভাষণ প্ৰসংগত অসমৰ কোনো আঁচনিয়ে এইবাৰ বিজেপিক জিকাব নোৱাৰে বুলি কয়। দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত কাপলাবড়িত অনুষ্ঠিত কৰ্মীসভাত ছয়গাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে উপস্থিত থাকি কৰ্মীসকল দলৰ মূল শক্তি, কৰ্মীৰ ত্যাগ আৰু কষ্ট নেতৃত্বই বুজিব লাগে বুলি কয়। বিধায়ক ৰেকিবুদ্দিন ভাষণ প্ৰসংগত অসমৰ জনসাধাৰণ জাগ্ৰত হৈছে, ২০২৬ চনত গৌৰৱ গগৈৰ নেতৃত্বত ভাৰতীয় জাতীয় কংগ্ৰেছৰ এখন শক্তিশালী চৰকাৰ গঠন হ'ব বুলিও কয়। অসমৰ মুখ্যমন্ত্ৰীক কিছুদিনৰ পৰা গৌৰৱ গগৈৰ নামটোৱে খেদি ফুৰিছে বুলিও মন্তব্য কৰে বিধায়ক ৰেকিবুদ্দিন আহমেদে। কৰ্মীসভাত নলবাৰী সমষ্টিৰ প্ৰাক্তন বিজেপি বিধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক অশোক শৰ্মাই ভয়-ভীতিগ্ৰস্ত আৰু প্ৰলোভনৰ পৰা মুক্ত নহ'লে আমি সুৰক্ষিত হৈ নাথাকোঁ বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। কৰ্মীসভাত বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ অন্তৰ্গত পোন্ধৰখন মণ্ডলৰ সহস্ৰাধিক নেতা-কৰ্মীৰ লগতে সেৱা দল, যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছৰ নেতৃত্বসকল উপস্থিত থাকে।

### অসমৰ মাটিত উৎপাদিত চাহহে 'অসম চাহ'; তিনিচুকীয়া জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা

# বটলিফ টী ফেক্টৰীৰ টী বৰ্ডৰ নিৰ্দেশক অঙ্গুষ্ঠ প্ৰদৰ্শন; মুখ্যমন্ত্ৰীক স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ২ নৱেম্বৰ ঃ** যোৱা ৩১ অক্টোবৰ তাৰিখে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলা সমিতিয়ে ডুমডুমাৰ ৰূপাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ক্ষুদ্ৰ চাহ খেতিয়কলৈ নামি অহা সংকট সন্দৰ্ভত এক স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰৰ আৰম্ভণিতে কোৱা হৈছে যে অসমৰ জাতীয় সম্পদ 'অসম চাহ' জীয়াই ৰখা তিনিচুকীয়া জিলাৰ ৫৬ হেজাৰ খেতিয়কৰ দ্বাৰা জীৱন জী থকা প্ৰায় ৮ লাখ লোকৰ সম্পৰ্কে তেওঁ জ্ঞাত। তেওঁৰ সপোনৰ অসমখনত, সদায় দিনলৈ যাতে 'অসম চাহ' জীয়াই থাকে তাৰ বাবে স্মাৰক পত্ৰত উল্লিখিত সমস্যা কেইটা সমাধান কৰিবলৈ যাতে তেওঁ দৃঢ় আৰু বলিষ্ঠ পদক্ষেপ তৎকালে গ্ৰহণ কৰে। দাবীসমূহৰ ভিতৰত টী মাৰ্কেটিং কণ্ট্ৰ'ল অৰ্ডাৰ (টি এম চি অ') নীতি অনুসৰি, ভাৰতীয় চাহ বৰ্ডৰ এন ই জেড অ'ৰ দ্বাৰা ২১ অক্টোবৰ তাৰিখে জাৰী কৰা চাৰ্কোলাৰ অনুসৰি তিনিচুকীয়া জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰাপ্য ন্যূনতম আধাৰ মূল্য (এম বি পি) পোৱাত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ, তিনিচুকীয়া জিলাত এন অ' চি প্ৰক্ৰিয়া পুনৰ প্ৰৱৰ্তন কৰি 'অসম চাহ'ৰ মান জীয়াই ৰখাত দৃঢ় পদক্ষেপ গ্ৰহণ কৰা আদিয়েই অন্যতম। অসমৰ যাউতিযুগীয়া বহু সমস্যা সমাধান কৰাৰ দৰে তিনিচুকীয়া জিলাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ একমাত্ৰ জীৱন-জীৱিকাৰ পথ হেৰুৱাই যাতে নিঠৰুৱা নহয় তাৰ বাবে মুখ্যমন্ত্ৰীগৰাকীক জৰুৰী কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিবলৈ কাতৰ আহ্বান জনায়। উল্লেখ্য যে, ভাৰতীয় চাহ বৰ্ডৰ ২১ অক্টোবৰ তাৰিখে প্ৰকাশ কৰা নিৰ্দেশনা মতে অসমৰ বটলিফ ফেক্টৰীসমূহে যোৱা আগষ্ট আৰু চেপ্টেম্বৰ মাহৰ ন্যূনতম আধাৰ মূল্য (এম বি পি) কৃষকক মোকলাই দিবলৈ আদেশ দিছিল। কিন্তু টী বৰ্ডৰ নিৰ্দেশনা কাৰ্যকৰী কৰাৰ পৰিবৰ্তে যোৱা ২৭ অক্টোবৰ পৰা ১ নৱেম্বৰ লৈকে বটলিফ ফেক্টৰীয়ে কৃষকৰ পাত লোৱাৰ পৰা বিৰত থাকি ফেক্টৰী বন্ধ ৰাখে। এই সন্দৰ্ভত কালি ডুমডুমাত তিনিচুকীয়া জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (চাহ কোষ)ৰ অধ্যক্ষতাত এখনি সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে ডুমডুমা ৰাজহ চক্ৰ বিষয়া, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ চাহ বৰ্ডৰ বিষয়া, উদ্যোগ আৰু বাণিজ্যিক বিভাগৰ তিনিচুকীয়াৰ সঞ্চালক, বটলিফ টী ফে'ৰী এছ'চিয়েচনৰ বিষয়ববীয়া আৰু সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তিনিচুকীয়া জিলাৰ বিষয়ববীয়াসকল। আলোচনাৰ শেষত বটলিফ এছ'চিয়েচনে জনায় যে এই চাৰ্কোলাৰখন পুনৰীক্ষণৰ বাবে তেওঁলোকে চাহ বৰ্ডলৈ পত্ৰ প্ৰেৰণ কৰিছে। চাহ বৰ্ডে প্ৰত্যুত্তৰ দিলেই তেওঁলোকে খেতিয়কক ন্যূনতম আধাৰ মূল্য (এম বি পি) প্ৰদান কৰাৰ ব্যৱস্থা কৰিব। লগতে বটলিফ এছ'চিয়েচনে জনায় যে গতানুগতিকভাৱে চলিত বৰ্ষত যিদৰে পাত লৈছিল তেনেদৰেই ক্ৰয় কৰি থাকিব বুলি আশ্বাস দিয়ে। অসম বটলিফ টী মেনুফেকচাৰিং এছ'চিয়েচনৰ সভাপতি চান্দ কুমাৰ গোহাঁই, উপ-সভাপতি চন্দ্ৰজিৎ বৰুৱা আৰু সচিব গৌতম বেৰিয়া স্বাক্ষৰিত উক্ত সভাৰ এক কাৰ্যবিৱৰণীও প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। ইফালে ভাৰতীয় টী বৰ্ডে এক নিৰ্দেশনা যোগে কৈছে যে 'নেজো'ৰ এক্টিয়াৰৰ ভিতৰত চলি থকা কেতবোৰ কলঘৰে ২০২৫ চনৰ আগষ্ট আৰু ছেপ্টেম্বৰ মাহত জিলাসমূহৰ বাবে নিৰ্ধাৰিত কেঁচা পাতৰ গড় মূল্য (এ জি এল পি) মানি চলাত ব্যৰ্থ হৈছে, যাৰ ফলত ক্ষুদ্ৰ চাহ খেতিয়কসকলক বাধ্যতামূলক স্তৰৰ তলত কেঁচাপাতৰ মূল্য পৰিশোধ কৰা হৈছে। বৰ্ডে উক্ত নিৰ্দেশনা যোগে সোঁৱৰাই দিছে যে ওপৰত উল্লিখিত বিধিগত নিয়মসমূহ পঞ্জীয়নভুক্ত প্ৰতিটো চাহ প্ৰস্তুতকাৰী কলঘৰৰ বাবে বাধ্যতামূলক। এই নিৰ্দেশনাসমূহৰ প্ৰতি আনুগত্য প্ৰদৰ্শন নকৰিলে অথবা চাহ বিপণন নিয়ন্ত্ৰণ আদেশ (টি এম চি অ'), ২০০৩ৰ আইন উলংঘা কৰিলে পঞ্জীয়ন কৰ্তৃপক্ষৰ দ্বাৰা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। ২০২৫ চনৰ আগষ্ট আৰু ছেপ্টেম্বৰ মাহৰ বাবে সংশ্লিষ্ট জিলাৰ এ জি এল পিৰ সতে সংগতি ৰাখি পাৰ্থক্য মূল্য সংশ্লিষ্ট কেঁচপাতৰ যোগানকাৰী কিম্বা ক্ষুদ্ৰ চাহ খেতিয়কসকলক (যিটো প্ৰযোজ্য হয়) তৎক্ষণাত প্ৰদান কৰিব লাগিব। অন্যথা টী বৰ্ডে টি এম চি অ', ২০০৩ৰ বিধান অনুসৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব।

# তিনিচুকীয়াত পত্নী হত্যাকাৰীক যাবজ্জীৱন কাৰাদণ্ডৰ শাস্তি বিহিলে আদালতে

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলা আৰু সত্ৰ ন্যায়াধীশ ৰশ্মিতা দাসৰ আদালতে যোৱা ৩১ অক্টোবৰত তিনিচুকীয়া জিলাৰ লংচোৱালৰ বাসিন্দা সঞ্জয় গুপ্তাক পত্নী মীৰা মণ্ডলক হত্যা কৰি প্ৰমাণ লুকুৱাই ৰখাৰ অভিযোগত দোষী সাব্যস্ত কৰি ৰায়দান কৰে। হত্যাৰ অপৰাধত ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ ধাৰাত যাৱজ্জীৱন কাৰাদণ্ড আৰু প্ৰমাণ ধ্বংস কৰাৰ অপৰাধত ২০১ ধাৰাত পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। লগতে ধাৰা ৩০২ৰ অধীনত ২০ হাজাৰ টকাৰ জৰিমনাও বিহা হৈছে। জৰিমনা অবিহনে অতিৰিক্ত এবছৰৰ কাৰাদণ্ডৰ নিৰ্দেশো দিয়ে ন্যায়ালয়ে। চৰকাৰী অধিবক্তা বি. বি. যাদৱৰ মতে, অভিযুক্ত সঞ্জয় গুপ্তাৰ মাতৃ বিদ্যা দেৱীয়ে ২০১৯ চনৰ ১৪ অক্টোবৰত ডুমডুমা থানাত এখন এজাহাৰ দাখিল কৰি অভিযোগ কৰে যে তেওঁৰ বোৱাৰী মীৰা মণ্ডল ২০১৯ চনৰ ৯ অ''াবৰ পৰা নিৰুদ্দেশ হৈ আছে। উক্ত দিনাই ৰাজু সিং নামৰ এজন লোকে লংচোৱালৰ চঠ পূজা কৰা পুখুৰীত পলিথিনেৰে মেৰিয়াই থোৱা এটা টোপোলা দেখা পায়। স্থানীয় ৰাইজে আৰক্ষীক অৱগত কৰে আৰু আৰক্ষীয়ে টোপোলাটোৰ ভিতৰত মীৰা মণ্ডলৰ মৃতদেহ উদ্ধাৰ কৰে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে এটা গোচৰ (নং- ২৫/১৯ ) পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰে। এই গোচৰৰ তদন্তৰ দায়িত্ব উপপৰিদৰ্শক ফিৰোজ ইকবালৰ ওপৰত ন্যস্ত কৰা হৈছিল। তদন্তত মীৰা মণ্ডলৰ স্বামী সঞ্জয় গুপ্তাই হত্যাকাণ্ড সংঘটিত কৰা বুলি প্ৰমাণিত হয়। হত্যাৰ পিছত মৃতদেহটো পলিথিনেৰে মেৰিয়াই হৰিশ ছেত্ৰী নামৰ এজন শ্ৰমিকক ঘৰৰ জাবৰ বুলি পুখুৰীটোত পেলাই দিবলৈ দিছিল। আৰক্ষীয়ে অভিযোগনামা দাখিল কৰাৰ পাছত ২০২২ চনত আদালতত গোচৰ পঞ্জীয়ন হৈ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হয়। বিচাৰ প্ৰক্ৰিয়াত দাখিল কৰা উপযুক্ত প্ৰমাণ আৰু ১০জন সাক্ষীৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি আদালতে সঞ্জয় গুপ্তাক দোষী সাব্যস্ত কৰি যাবজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে।

### খহনীয়া প্ৰতিৰোধৰ দাবীত ৰাইজৰ তীব্ৰ প্ৰতিবাদ

# বেঁকী নদীৰ গৰাখহনীয়াৰ কৱলত জনীয়াৰ ডাউকমাৰী

**অসম বাৰ্তা, জনীয়া, ২ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া সমষ্টিৰ বাঘবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ডাউকমাৰীত গৰাখহনীয়াই কালৰূপ ধাৰণ কৰিছে। খহনীয়াৰ ফলত ডাউকমাৰী কাছুকাটি, বাংলীৰাৰা, বানিয়াৰাপাৰা সীমামূৰীয়া গাঁৱলৈ কঢ়িয়াই আনিছে ভাবুকি। চপৰা চপৰে খহাই নিছে বিঘাই বিঘাই কৃষকৰ খেতি মাটিৰ লগতে বহু বাসগৃহলৈ কঢ়িয়াই আনিছে ভাবুকি। উপায়ন্তৰ হৈ স্থানীয় ৰাইজে কেইবাটাও দাবীৰে ১ নৱেম্বৰ মোমবাৰে নৈৰ পাৰত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। কৃষিভূমি ৰক্ষা কৰক, খহনীয়া প্ৰতিৰোধ কৰক, বাসস্থানত ৰক্ষা কৰক, আমাক জীয়াই থাকিবলৈ দিয়ক আদি ধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে। উল্লেখযোগ্য যে কাছুকাটি, ডাউকমাৰী আৰু বাংলীপাৰা, বানিয়াৰাপাৰা সীমামূৰীয়া গাঁৱত বিগত কিছু বছৰ ধৰি গৰাখহনীয়া আব্যাহত আছে। ২০২৪ বৰ্ষত বৰপেটা সমষ্টিৰ বিধায়ক আব্দুৰ ৰহিম আহম্মেদ আৰু ধুবুৰী সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনৰ তৎপৰতাত প্ৰায় পাঁচ লাখ টকা ব্যায় সাপেক্ষে কাছুকাটিত পাৰ্কুপাইনেৰে গৰাখহনীয়া ৰোধিবলৈ চেষ্টা কৰে। যাৰ ফলত কাছুকাটিত খহনীয়া ৰোধিবলৈ কিছু পৰিমাণে সক্ষম হৈছিল যদিও পুনৰ কেইমিটাৰমান দক্ষিণফালে ডাউকমাৰীত গৰাহনীয়াই নিদ্ৰাহৰণ কৰি ৰাইজৰ। ৰাতিৰ ভিতৰত বিঘাই বিঘাই খেতি মাটি বিলীন হৈছে বেঁকী নৈৰ বুকুত। ভোটৰ সময়ত ভোট বিচাৰি ৰাইজৰ খবৰ লবলৈ অহা জনপ্ৰতিনিধি স্থানীয় সাংসদ ৰকিবুল হুছেইন আৰু বিধায়ক ড''ৰ হাফিজ ৰফিকুল ইছলামক অকৰ্মণ্য আখ্যা দি চৰকাৰ আৰু জিলা প্ৰশাসনক অচিৰেই গৰাখহনীয়া ৰোধিবলৈ দাবী জনাইছে ৰাইজে।

# ৰূপহীহাটৰ ৪নং ভুৰবন্ধাত গা ধুবলৈ গৈ ব্ৰহ্মপুত্ৰ নিখোঁজ শিশু

**অসম বাৰ্তা, ৰূপহীহাট, ২ নৱেম্বৰ ঃ** ৰূপহীহাটৰ ৪নং ভুৰবন্ধাত সংঘটিত এক কৰুণ ঘটনাই সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে উক্ত গাঁৱৰে এটি সাত বছৰীয়া শিশু দুপৰীয়া গা ধুবলৈ গৈ ব্ৰহ্মপুত্ৰত নিখোজ হৈ পৰে। আন দুই সমনিয়াৰ সৈতে গা ধুবলৈ গৈ ব্ৰহ্মপুত্ৰত নিখোজ হৈ পৰা শিশুটিৰ নাম আশ্বিক আহমেদ বুলি জানিব পৰা গৈছে। বহু সময়লৈকে শিশুটিৰ খোজ-খবৰ নাপায়ই প্ৰশাসনক অৱগত কৰাত আৰক্ষী আৰু SDRF বাহিনীয়ে অভিযান চলায়। প্ৰায় চাৰি ঘণ্টা সময় ধৰি অভিযান তলে যদিও বাতৰি লিখাৰ পৰলৈকে শিশুটিৰ কোনো সন্ধান উলিয়াব পৰা নাই। ইয়াকে কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলত শোকে বিৰাজ কৰিছে।

# বগুৰিগুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণী সভা

**অসম বাৰ্তা, সোণতলী, ২ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ ছমৰীয়া শিক্ষা খণ্ডৰ অধীনস্থ বগুৰিগুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে নৱাগত আদৰণী সভাৰ সামৰণি পৰে। এই উপলক্ষে বিদ্যালয়খনৰ অধ্যক্ষ আইনুল হকৰ পৌৰহিত্বত অনুষ্ঠিত কৰে এখন মুলি সভা। সভাত প্ৰাৰম্ভতে প্ৰয়াত কণ্ঠশিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে "মায়াবিনী" গীতেৰে এই সভা শুভাৰম্ভ কৰে। সভাত ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰবক্তা লোহিত ৰাভাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যী আগবঢ়ায় মূল্যবান বক্তব্য। লগতে, বিদ্যালয় পৰিচালনা উন্নয়ন সমিতিৰ সভাপতি হবিবুৰ ৰহমান, বিদ্যালয়খনৰ অৱসৰী অধ্যক্ষদ্বয়- এম, ইব্ৰাহিম আলী আৰু লিয়াকৎ আলীয়ে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰী-শিক্ষকৰ লগতে সাংস্কৃতিক সন্ধিয়া মঞ্চত বিপুল বাঢ়েৰ গীতৰ শৰাই আগবঢ়ায়।

### আমি প্ৰতিটো দিনে ভাল চিন্তা কৰিব লাগে, জগন্নাথ ৰাজবংশী

# শংকৰদেৱ বিদ্যা নিকেতন, বাহাৰঘাটৰ বাৰ্ষিক উৎসৱৰ সামৰণি

**অসম বাৰ্তা, বাহাৰঘাট, ২ নৱেম্বৰ ঃ** নলবাৰী জিলাৰ অন্তৰ্গত লৰমাত অৱস্থিত শংকৰদেৱ বিদ্যা নিকেতন, বাহাৰঘাটৰ বাৰ্ষিক উৎসৱ আৰু মাতৃ সন্মিলনৰ মুকলি ও বঁটা বিতৰণী সভাখন আজি আবেলি অনুষ্ঠিত হৈ যায়। নিকেতন পৰিচালনা সমিতিৰ সভাপতি মহেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নিৰ্দিষ্ট বক্তা হিচাবে উপস্থিত থাকি অসম শিশু শিক্ষা সমিতিৰ সম্পাদক জগন্নাথ ৰাজবংশীয়ে কয় যে শিশু শিক্ষা সমিতিয়ে ছাত্ৰ-ছাত্ৰীক সুশিক্ষাৰে শিক্ষিত কৰি ৰাষ্ট্ৰ নিৰ্মাণত উছৰ্গা কৰিব পৰাকৈ সুনাগৰিক হিচাবে গঢ়ি তোলাৰ লক্ষ্য ৰাখি শিক্ষা দান কৰা হয়। আমি এশাৰ ভাল কথা শিকা বা এটা ভালকাম প্ৰতিদিনে কৰিব নোৱাৰো সেই জীৱন সুন্দৰ নহয়। আমি ছাত্ৰ-ছাত্ৰীক তেওঁৰ নিজৰ কাম নিজক কৰিব দিব লাগে। অতিপাত মৰমৰে তেওঁলোকৰ কামকাজ পিতৃ-মাতৃয়ে কৰিব নালাগে। তেওঁ পুনৰাই কয় যে কিতাপ পঢ়াৰ আনন্দই বেলেগ। কিতাপে দিয়ে জ্ঞান। বৰ্তমান মোবাইলে মনমগজুক কি দিছে সেইটো হিচাব হব লাগে। ৰাতিপুৱাৰে পৰা ভাল চিন্তা কৰিলে সকলো দিনবোৰ ভালে যায়। সাম্প্ৰতিক সময়ত মোবাইলে সকলো বিশ্বকে কানে "কৰিছে কিন্তু ৰিয়ে" কৰা নাই। সভাত শিশু শিক্ষা সমিতি, নলবাৰী বিভাগৰ আশুতোষ বৰ্মন, অসম শিশু শিক্ষা সমিতিৰ সচিব পৰমেশ্বৰ বৰপূজাৰী, কাৰ্য্যকৰ্তা মাধৱ কলিতা, নিকেতন পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি দীনেশ চন্দ্ৰ শৰ্মা, ৰজত চন্দ্ৰ শৰ্মা প্ৰমুখ্যে কেইবাজনো হিতাকাংক্ষী ব্যক্তিয়ে মঞ্চ শুৱনি কৰে। উক্ত সভাতে নিকেতনৰ এগৰাকী ছাত্ৰী ভূমিকা শৰ্মাই আকৰ্ষণীয় যোগ প্ৰদৰ্শনৰে উপস্থিত সকলোকে মুগ্ধ কৰে। সভাৰ আৰম্ভণিতে বাগদেৱী, ভাৰতমাতা আৰু প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে নিকেতন পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সম্পাদক দীননাথ কলিতাই। নিকেতনৰ প্ৰধানাচাৰ্য্য তিলক চন্দ্ৰ তালুকদাৰে বাৰ্ষিক প্ৰতিবেদন পাঠকৰা সভাখনৰ আতধৰে আচাৰ্য দিপক চন্দ্ৰ শৰ্মাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে আচাৰ্য দেৱকান্ত ভট্টাচাৰ্যই। সভাত নিকেতনৰ কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীয়ে হিন্দী, ইংৰাজী, সংস্কৃত আৰু অসমীয়াত ভাষণ দিয়াৰ উপৰিও কেইবাটাও গীতমাতৰে পৰিবেশ জিপাল কৰে। ইয়াৰোপৰি যোৱা ২৮ অক্টোবৰত নিকেতন প্ৰাংগনত এখন আকৰ্ষণীয় মাতৃ সন্মিলন অনুষ্ঠিত কৰে। যোৱা ২৬ অক্টোবৰৰ পৰা আজি দুই নৱেম্বৰলৈকে অনুষ্ঠিত হোৱা বাৰ্ষিক উৎসৱ, মাতৃ সন্মিলনৰ কাৰ্য্যসূচীৰ পহিলাদিনা সমাজকৰ্মী কনক চন্দ্ৰ ডেকাই বন্তি প্ৰজ্বলন আৰু নিকেতন পৰিচালনা সমিতিৰ সভাপতি মহেশ্বৰ কলিতাই পতাকা উত্তোলনৰে আৰম্ভ কৰা বাৰ্ষিক উৎসৱত প্ৰতিটো দিনে বিভিন্ন খেলধেমালিৰ লগতে সু-কুমাৰ কলা প্ৰতিযোগিতা অনুষ্ঠিত কৰে। আজি উক্ত মুকলি আৰু বঁটা বিতৰণী সভাত উক্ত খেলাধূলা আৰু সু-কুমাৰ কলা প্ৰতিযোগিতাত বিজয়ী ছাত্ৰ-ছাত্ৰী সকলক বঁটা প্ৰদান কৰে। আনহাতে উক্ত সভাতে অঞ্চলটো কৃতিত্বৰে অৱসৰ লোৱা জ্যেষ্ঠ শিক্ষক ক্ৰমে নাৰায়ণ তালুকদাৰ(বৰগাছা)অকণ প্ৰভা কলিতা( পালেপাৰা)ৰ লগতে হিতাকাংক্ষী ধৰণীধৰ তালুকদাৰক বিশেষ ভাবে সম্বৰ্ধনা জনায়।

# ৩৪ সংখ্যক শিশু সমাৰোহৰ প্ৰস্তুতি পূৱ যোৰহাট মাইনা পাৰিজাতৰ

**অসম বাৰ্তা, নকছাৰি, ২ নৱেম্বৰ ঃ** কণকণ শিশু সকল আমাৰ দেশৰ ভবিষ্যত নাগৰিক এই শিশু সকলৰ সৰ্বাংগীণ উন্নতিৰ উমৈহতীয়া অনুষ্ঠান হৈছে মইনা পাৰিজাত। গীত-মাত, নৃত্য, খেলা-ধুলা, শিক্ষা, সংস্কৃতি, বক্তৃতা দিয়া আদি সকলো দিশতে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে মইনা পাৰিজাতে। "আমি পোহৰ বিচাৰি যাওঁ" এই বাণীৰে সৰোগত কৰি শিশু সকল আগবাঢ়ি যায় পোহৰৰ দিশে। সদৌ অসম মাইনা পাৰিজাতৰ অন্তৰ্গত প্ৰতিষ্ঠাৰ গৌৰৱোজ্বল সোণালী জয়ন্তীবৰ্ষ অতিক্ৰম কৰা পূৱ যোৰহাট আঞ্চলিক মইনা পাৰিজাতৰ ৩৪ সংখ্যক শিশু সমাৰোহখনি এইবাৰ লাহদৈগড় মৰাণ গাঁৱৰ জোনালী, ৰজাবাৰীৰ কুঁহি আৰু উজনি ৰজাবাৰী পুঠিনদী গোহাঁই গাঁৱৰ অংকুৰজ্যোতি মইনা পাৰিজাত তথা স্থানীয় ৰাইজৰ আদৰ-অভ্যৰ্থনাত লাহদৈগড় মৰাণ গাঁৱৰ "বুৰঞ্জীবিদ, সমাজহিতৈষী প্ৰয়াত সোণাধৰ গগৈ সোঁৱৰণী সমন্বয় ক্ষেত্ৰ''ত অহা ইংৰাজী ২০২৬বৰ্ষৰ ২৩, ২৪, ২৫ জানুৱাৰীত অনুষ্ঠিত হ'ব। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানৰ বাবে ইতিমধ্য চিদানন্দ গগৈক সভাপতি, প্ৰদীপ গগৈক কাৰ্যকৰী সভাপতি, নৱদীপ গগৈক সম্পাদক আৰু নৃপেন গগৈদেৱক সহযোগী সম্পাদক হিচাপে লৈ এখনি শক্তিশালী আদৰণী সমিতি গঠন কৰি প্ৰাৰম্ভিক কাম-কাজসমূহ আগবঢ়াই আছে। অহা ২৩, ২৪ আৰু ২৫ জানুৱাৰী, ২৬ ত অনুষ্ঠিত হ'বলগীয়া উক্ত অনুষ্ঠানৰ প্ৰতিটো কাৰ্যসূচীতে সমূহ শিশুপ্ৰেমী সুধীজনৰ আন্তৰিক সহযোগিতা আৰু উপস্থিতি আয়োজক সমিতিৰ তৰফৰ পৰা কামনা কৰা হৈছে। শিশু সমাৰোহখনিৰ সৈতে সংগতি ৰাখি "প্ৰজ্ঞা-পুষ্কৰিণী" শীৰ্ষক এখনি স্মৃতিগ্ৰন্থখনিও প্ৰকাশ হ'ব বুলি স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি কন্দৰ্প গগৈ আৰু সম্পাদিকা ড° শেৱালি গগৈয়ে আমাক জানিবলৈ দিছে।

# চৌতাকী গাঁৱত এখন বাঁহৰ দলঙেই যাতায়াতৰ ভৰসা

**অসম বাৰ্তা, সৃজনগ্ৰাম, ২ নৱেম্বৰ ঃ** বঙাইগাঁও জিলাৰ চৌতাকীত বাঁহৰ দলঙেই যাতায়াতৰ একমাত্ৰ ভৰসা এখন গাঁৱৰ। চৌতাকীক দেওহাটী গাঁৱৰ সৈতে সংলগ্ন কৰা পথছোৱাৰ হকাখোৱাৰ দ খাবৈৰ ওপৰত থকা বাঁহৰ দলংখন আজিলৈকে পকী দলং সম্পূৰ্ণ নহ'ল। এই পথটোৰে যাতায়াত কৰিলে চৌতাকী গাঁও আৰু অভয়াপুৰী চহৰৰ দূৰত্ব মাত্ৰ ৫ কিল'মিটাৰ। ইয়াৰ পাছতো এই পথছোৱাত জনপ্ৰতিনিধি তথা স্থানীয় বিধায়ক, বৰপেটা লোক সভা সমষ্টিৰ সাংসদৰ আজিলৈকে চকুত পৰা নাই। কিন্তু বৰষুণৰ সময়ত দ-খাৱৈত পানী ওফন্দি উঠাৰ ফলত বাঁহেৰে নিৰ্মিত দলংখন উটুৱাই লৈ যায়। ফলস্বৰূপে চৌতাকীবাসী ৰাইজে ১৭ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে ৩০ কিল'মিটাৰ পথ অতিক্ৰম কৰি অভয়াপুৰী চহৰলৈ যাব লগা হয়। চিকিৎসালয়লৈ ৰোগীক লৈ যোৱা, ছাত্ৰ-ছাত্ৰী আৰু চৰকাৰী-বেচৰকাৰী কামত কৰ্মৰত সকলোৱে সমস্যাৰ সন্মুখীন হয়। প্ৰত্যেক বছৰে গাঁওবাসীয়ে নিজৰ গাঁঠিৰ ধনেৰে দলংখন সাময়িকভাৱে নিৰ্মাণ কৰে যদিও বাৰিষা অহাৰ লগে লগে পানীৰ ধলে বাঁহৰ দলংখন উটুৱাই লৈ যায়। চৌতাকীবাসীয়ে চৰকাৰৰ ওচৰত এখন পকী দলং নিৰ্মাণৰ বাবে জনাইছে, যাতে তেওঁলোকে বছৰ বছৰ ধৰি ভুগি অহা এই সমস্যাৰ পৰা মুক্তি পায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সু-দৃষ্টি কামনা কৰিছে গাঁওবাসীয়ে।

# চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫ সংখ্যক জয়ন্তী উপলক্ষে নাগৰিক কমিটিৰ উদ্যোগত একতা দিৱস পালন

**অসম বাৰ্তা, লেংটিছিঙা, ১ নৱেম্বৰ ঃ** একতা দিৱস উপলক্ষে দৌৰ প্ৰতিযোগিতা, ব্যায়ামত অংশগ্ৰহণ কৰে আৰক্ষীৰ লগতে স্থানীয় লোকে। দুপুৰীয়া ৰঙাপানী পৰমেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত ২৭নং বিকল্প ৰাজ্যিক ঘাই পথত বাটৰ নাট। (বাইক-চাইকেলৰ মুখামুখি সংঘৰ্ষ)অনুষ্ঠিত হয়। তাৰ পিছতে ৰঙাপানী পৰমেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাল্যবিবাহ, শিক্ষা, স্বাস্থ্য আৰু নিছাজাতীয় সামগ্ৰীৰ ওপৰত সজাগতা সভা অনুষ্ঠিত হয়। সভাত অভয়াপুৰী সমজিলাৰ আৰক্ষী অধীক্ষক ডাঃ অনুপ জ্যোতি বৰা, মেৰেৰচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনিময় তামূলীয়ে, ৰঙাপানী পৰমেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল মান্নান, নাগৰিক সমাজৰ সভাপতি অৰূপ অধিকাৰী, আমিনুল ইছলাম সহ বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকি ভাষণ দিয়ে।

### সূৰুয কুমাৰ পাতিৰি 'কৃষ্টি ৰত্ন' আৰু পোনাৰাম মিলি 'সমাজ ৰত্ন' সন্মানিত

# ৪১ সংখ্যক মিচিং ভাষা দিৱস উলহ-মালহেৰে উদ্‌যাপন

**অসম বাৰ্তা, দিচাংমুখ, ২ নৱেম্বৰ ঃ** মিচিং আগম কৌবাঙৰ শিৱসাগৰ জিলা সমিতিৰ অন্তৰ্গত শিৱসাগৰ, দিচাংমুখ, আৰু চৰাইদেউ বাংকে আগম কৌবাঙৰ উদ্যোগত আৰু সমূহ শিৱসাগৰবাসী ৰাইজৰ সহযোগত কালি শিৱসাগৰৰ চেঃদৃ-মেঃল এণ্টাৰপ্ৰাইজৰ জনজাতি জিৰণি চ'ৰাত ৪১ সংখ্যক মিচিং ভাষা দিৱস দিনজোৰা কাৰ্যসূচীৰে উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা চাফাই অভিযানৰ পিছতে শিৱসাগৰ জিলাৰ বাংকে আগম কৌবাংসমূহৰ সভাপতি মণ্ডলী ক্ৰমে- লবিধৰ মৰাং, নবীন পাতিৰি আৰু তিলেশ্বৰ য়েইনে পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে সম্পাদক মণ্ডলী ক্ৰমে- দেৱকুমাৰ মিলি, বিজয় পাংগিং আৰু কমল পাংগিঙে স্মৃতি তৰ্পণ কৰে। পুৱা ৯-০০ বজাত কবিতা আবৃত্তি, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আদি উদ্বোধন কৰে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক শিৱ প্ৰসাদ মিলিয়ে। দিনৰ ১-০০ বজাত বাংকে আগম কৌবাঙৰ সভাপতি মণ্ডলীয়ে সভাপতিত্ব কৰা মুকলি সভাত আদৰণি ভাষণ পাঠ কৰে শিৱসাগৰ মিচিং বাংকে আগম কৌবাঙৰ সম্পাদক দেৱ কুমাৰ মিলিয়ে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অসম সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক ড° পবিত্ৰ কুমাৰ পেগু, পৰ্যৱেক্ষক ড° ঘনকান্ত দলে, নিত্যানন্দ পাংগিং, আৰু ডেম্বিৰাম পাংগিংকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি মিচিং ভাষা জীয়াই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিয়লি ২-০০ বজাত অৱসৰপ্ৰাপ্ত আই পি এছ নোমল চন্দ্ৰ পাংগিঙৰ পৰিয়ালবৰ্গই উছৰ্গা কৰা আৰু কবি দুৰ্গীৰাম মিলিয়ে সম্পাদনা কৰা স্মৃতিগ্ৰন্থ "Gompun" উন্মোচন কৰে মিচিং আগম কৌবাঙৰ প্ৰাক্তন উপ-সভাপতি ৰবীন পাতিৰিয়ে। শিৱসাগৰ বাংকে আগম কৌবাঙৰ উপ-সভাপতি ৰাজেন মিলিয়ে আঁত ধৰা এই সভাতে বিশিষ্ট সংগীত সাধক আৰু সংগীতজ্ঞ সূৰুয কুমাৰ পাতিৰিক "কৃষ্টি ৰত্ন" আৰু বিশিষ্ট সমাজসেৱক পোনাৰাম মিলিক "সমাজ ৰত্ন" উপাধি প্ৰদান কৰা হয়। দুয়োগৰাকী সন্মানিত ব্যক্তিয়ে নিজৰ মনৰ অনুভৱ ব্যক্ত কৰি আয়োজকসকলক ধন্যবাদ জনায়। পুৰস্কাৰ বিতৰণৰ পিছতে চৰাইদেউ বাংকে আগম কৌবাঙৰ সম্পাদক কমল পাংগিঙে শলাগৰ শৰাই আগবঢ়ায়।

### বিধায়ক দিগন্ত বৰ্মন, চিকিৎসক হিতেশ বৰুৱা, কণ্ঠশিল্পী দীক্ষু শৰ্মালৈ বঁটা

# বিহগী মিডিয়া অসমৰ ঊনবিংশতিতম বৰ্ষপূতি অনুষ্ঠানৰ বৰ্ণাঢ্য আয়োজন

**অসম বাৰ্তা, মুকালমুৱা, ২ নৱেম্বৰ ঃ** সামাজিক, সাংস্কৃতিক আৰু সাংবাদিক সংস্থা বিহগী মিডিয়া গ্ৰুপ অসমৰ ঊনবিংশতিতম বৰ্ষপূতি আৰু ৰামধেনু বঁটা প্ৰদান অনুষ্ঠানৰ বৰ্ণাঢ্য আয়োজন চলিছে। এই কথা আজি সংবাদমেলযোগে সদৰী কৰে বিহগী মিডিয়া গ্ৰুপ অসমৰ সঞ্চালক কনক কলিতাই। অনুষ্ঠানটোৰ সঞ্চালক কলিতাই সংস্থাটোৰ মুখ্য কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি বৰ্ষপূতি আৰু ৰামধেনু বঁটা প্ৰদান অনুষ্ঠানৰ সময় আৰু বঁটা প্ৰাপকৰ নাম ঘোষণা কৰে। যোগ্য ব্যক্তিলৈ যোগ্য সন্মান প্ৰদান উদ্দেশ্যৰে এইবেলি ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনলৈ 'কৰ্মোদ্যোগী বিধায়ক', চিকিৎসক হিতেশ বৰুৱালৈ 'চিকিৎসা ৰত্ন' বঁটা, সংগীতশিল্পী দীক্ষু শৰ্মালৈ 'কণ্ঠৰত্ন' বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। অনুষ্ঠানটোৰ সম্পাদক দিলীপ বৰ্মনৰ সহযোগত অনুষ্ঠিত কৰা সংবাদমেলত আন কেইবাগৰাকীও ব্যক্তিলৈ বিভিন্ন শিতানৰ বঁটা প্ৰদান কৰাৰ কথা ঘোষণা কৰে। এই সকলৰ ভিতৰত চৈয়দ ৰেকিব আলীক 'গ্ৰাম্য সাংবাদিকতা' বঁটা, গীতিকাৰ-সুৰকাৰ মিঠিচাৰ বড়োক 'সুমধুৰ কণ্ঠশিল্পী' বঁটা, ৰমেশ ৰামচিঞ্চিয়াৰী আৰু ৰবীন্দ্ৰ ডেকাক 'শিল্পীপ্ৰাণ' বঁটাকে ধৰি ঊনৈশ গৰাকী যোগ্য ব্যক্তিক ৰামধেনু বঁটা প্ৰদানৰ কথা ঘোষণা কৰে। আনহাতে মহেন্দ্ৰ কলিতা, মোহনচন্দ্ৰ কলিতা, ৰচিদ আহমেদ, নাৰায়ন চন্দ্ৰ বড়োকে ধৰি ঊনৈশগৰাকী শিক্ষকক কৃতি শিক্ষকৰ বঁটা আৰু দুৰ্গেশ্বৰী কলিতা, ৰীণা বেগমকে ধৰি ঊনৈশ গৰাকী পিতৃ-মাতৃক আদৰ্শ পিতৃ-মাতৃৰ ৰামধেনু বঁটা প্ৰদানৰ কথা উল্লেখ কৰে। অহা ৩০ নৱেম্বৰত বিহগী মিডিয়া গ্ৰুপ অসমৰ নলবাৰীৰ মুকালমুৱাৰ দৰংগিপাৰাস্থিত মুখ্য কাৰ্যালয়ত বৰ্ষপূতি আৰু ৰামধেনু বঁটা প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে সঞ্চালক কনক কলিতাই। এই অনুষ্ঠানটোৱেই সংস্থাটোৰ বাৰ্ষিক মুখপত্ৰ 'ৰামধেনু' উন্মোচন কৰাৰ কথাও উল্লেখ কৰে। অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংস্কৃতিক মহাসভাৰ সভাপতি পবিত্ৰ কুমাৰ ডেকা, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ন ডেকা উপস্থিত থাকিব বুলিও সংবাদমেল কয় কনক কলিতাই। বৰ্ষপূৰ্তি অনুষ্ঠানৰ নিশা লোকশিল্পী ভাৰত দাসৰ সংগীতানুষ্ঠান আৰু নাট্যকাৰ ৰমা বৰ্মনৰ 'মাতাল মানুহ' নাট মঞ্চস্থ কৰিব বুলিও কয় বিহগী মিডিয়া গ্ৰুপ অসমৰ সঞ্চালক কনক কলিতাই।

# বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত কাছাৰীপেটীত আই নৈৰ তীব্ৰ গৰাখনীয়া

**অসম বাৰ্তা, লেংটিছিঙা, ১ নৱেম্বৰ ঃ** কাছাৰীপেটীত আই নৈৰ গৰাখনীয়াত বিধ্বস্ত গাঁওখনৰ কেইবাটাও পৰিয়াল। কানহাৰ নাই স্থানীয় বিধায়ক আব্দুল বাতিন খন্দকাৰৰ। গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা তথা ৰাইজৰ দলৰ প্ৰত্যাশী প্ৰাৰ্থী পাৰভেজ ৰহমান। হঠাত গৰাখহনীয়াৰ কবলত কাছাৰীপেটী অঞ্চল। বিগত সমডচোৱাত গৰাখহনীয়াৰ কবলত পৰিছিল কাছাৰীপেটী গাঁওখন। ইতিমধ্যে বহু ঘৰ- দুৱাৰ, খেতি মাটি গৰাখহনীয়াৰ জাহ গৈছে। প্ৰতিবাৰৰ দৰে এইবাৰো হঠাত খৰালি কালত গৰাখহনীয়াৰ কবলত কাছাৰীপেটী অঞ্চল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা পাৰভেজ ৰহমানে কাছাৰীপেটী অঞ্চলত গৈ গৰাখহনীয়াৰ পৰিস্থিতি বুজ লয় আৰু ৰাইজৰ সৈতে মত বিনিময় কৰে। পিছত গৰাখহনীয়া সমূহ পৰিদৰ্শন কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ অসম চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনায়। আৰু উক্ত স্থানৰ পৰা বিভাগীয় কৰ্তৃপক্ষক ফোন যোগে গৰাখহনীয়াৰ পৰিস্থিতি সম্পৰ্কে অৱগত কৰে।

# শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস মহোৎসৱ আৰু অসমীয়া সমাজ সংস্কৃতি

**খগেশ্বৰ দাস**

অসমীয়া সমাজ জীৱনৰ এক অন্যতম ধৰ্মীয় উৎসৱ শ্ৰীশ্ৰী কৃষ্ণ ৰাসোৎসৱ। জগত ইশ্বৰ ভগৱান শ্ৰীকৃষ্ণৰ জীৱনলীলাক কেন্দ্ৰ কৰি উপভোগ্য প্ৰদৰ্শনৰ অনন্য নিদৰ্শন ৰাস মোহোৎসৱ। বিশেষকৈ অসমৰ বিভিন্ন প্ৰান্তত উখল্-মাখল্ পৰিৱেশৰ মাজেৰে উদ্‌যাপিত ধৰ্মীয় উৎসৱ ৰাস। মাজুলী দক্ষিণপাট সত্ৰত পোন প্ৰথমে এই উৎসৱৰ আৰম্ভণি হয় যদিও ক্ৰমান্বয়ে ৰাস মোহোৎসৱৰ প্ৰসাৰ গড়মূৰ, আউনীআটী সত্ৰ, বেঙেনাআটী সত্ৰ, কমলাবাৰী সত্ৰ, আৰু ভোগপুৰ সত্ৰ আদিত জাকত জিলিকাৰে পালন কৰা হয়।

শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজিত শ্ৰীশ্ৰী কৃষ্ণ ৰাসলীলা মাজুলীবাসীৰ লগতে সমগ্ৰ অসমৰ ভিন্ন জিলাৰ মুখ্য উৎসৱ ৰাস। ভগবান শ্ৰীকৃষ্ণৰ আধ্যাত্মিক তত্ত্বসমৃদ্ধ ৰাস-গোপীলীলা অসমৰ বিভিন্ন প্ৰান্তত হয় যদিও বিশেষকৈ মাজুলীৰ ৰাসত কিছু আড়ম্বৰপূৰ্ণ কাৰ্যক্ৰমে সুকীয়া বৈশিষ্ট্য বহন কৰা পৰিলক্ষিত দেখা যায়। ভক্তিৰসৰ বিলীন হৈ মধু ৰসৰ সমন্বয়েই হৈছে শ্ৰী কৃষ্ণৰ ৰাসলীলা।



শৰতকালৰ জ্যোৎস্না প্লাৱিত ৰাত্ৰি, গোপী সংগে প্ৰেমৰসত আপ্লুত কৰি ভগৱন্ত শ্ৰীকৃষ্ণই প্ৰেম লীলাৰে বৃন্দাবন উৎফুল্ল কৰি তুলিছিল বাবেই ৰাস মহোৎসৱৰ প্ৰতিপাদ্য এটা গুৰুত্বপূৰ্ণ বিষয়। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপে নদীদ্বীপ মাজুলী ৰাসলীলা প্ৰদৰ্শনৰ স্বৰ্ণক্ষেত্ৰ বুলি বিদ্যমান সকলোতে। বৰ্ষাকালৰ বানৰ কবলত পৰি জুৰুলা হোৱা মাজুলীবাসীয়ে বৰ্ষান্তত নৱ উদ্যম ও অতি আনন্দৰে ৰাস মহোৎসৱৰ বাবে প্ৰস্তুত হৈ পৰে প্ৰতি বছৰে। পবিত্ৰ লক্ষ্মী পূৰ্ণিমাৰ দিনটোৰ পৰাই নৃত্য নাটিকাৰ আখৰা অনুশীলন কৰি প্ৰায় এমহীয়া পৰিক্ৰমাৰ অন্তত তিনিদিনীয়াকৈ ৰাস পালন কৰে প্ৰতিবছৰে। ঐতিহ্যমণ্ডিত দক্ষিণপাট সত্ৰত ৰাসলীলাৰ নাট্য-কাহিনীৰ লগত সমান্তৰালভাৱে বৃন্দাবনে চন্দ্ৰ মহাপ্ৰভুৰ পূজা অনুষ্ঠানে সত্ৰৰ পৰিৱেশ আধ্যাত্মিক ৰসসিক্ত কৰি তোলে। চামগুৰি সত্ৰত আকৌ মাংগলিক পৰিৱেশত বৃন্দাবন চন্দ্ৰ মহাপ্ৰভুৰ পূজা ও ৰাসলীলা অভিনয়ৰে উদযাপন কৰা হয় যদিও মুখা শিল্প ব্যৱহাৰৰ চমৎকাৰী কৌশলেৰে ৰাসলীলাৰ অন্যতম বৈশিষ্ট্য বিদ্যমান। শ্ৰীশ্ৰী বেঙেনাআটী সত্ৰত আকৌ পৰম্পৰাগতভাৱে গোবিন্দ মূৰ্তিৰ পূজাৰে উযাপিত হয় ৰাসলীলা। তেনেদৰে গড়মূৰ সত্ৰতো আধুনিক মঞ্চৰ উপযোগীকৈ ৰাসলীলা প্ৰদৰ্শিত হয়। তেনেকৈ উত্তৰ ও নতুন কমলাবাৰী সত্ৰ প্ৰমুখ্যে মাজুলীৰ ভিন্ন স্থানত প্ৰদৰ্শিত প্ৰায় পঞ্চাশটি মঞ্চতকৈ অধিক স্থানত উলহ-মালহে আকৰ্ষণীয়ভাৱে দৰ্শকক বিস্ময় মুগ্ধ কৰি তোলে সেই ৰাসৰ সময়ত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ভাগৱত পুৰাণৰ অনুকৰণত নিজৰ ৰচনাৰ পৰা ৰাধাক বৰ্জন কৰা কথা বিদ্যমান।

প্ৰভু কৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক ৰাসোৎসৱৰ জৰিয়তে প্ৰতিফলিত কৰা হয় জনমানসত। সম্পূৰ্ণ ৰসপূৰ্ণ অথবা তাত্বিক গাম্ভীৰ্য ৰসেৰে সমৃদ্ধ কৰা ৰাসলীলাত আত্মাৰ পৰা পৰমাত্মালৈ, দৈনিক অথবা দৈনন্দিন জীৱন ধাৰা সহানুভূতিক আধ্যাত্মিক কাম প্ৰবৃত্তি, কলাত্মক ৰূপ প্ৰদানেৰে ৰাসলীলাত অংকুৰিত হৈ ভগবান শ্ৰীকৃষ্ণৰ সুমধুৰ বংশীধ্বনিত মুগ্ধ হৈ পৰে বৃন্দাবনৰ গোপীসকলে।

ভগৱান ইশ্বৰ ভক্তৰ অধীন। শ্ৰীকৃষ্ণই গোপীসকলৰ দৃঢ়ভক্তি মনোকামনা পূৰণৰ হেতুকে ৰাসলীলা আৰম্ভ কৰে। কিন্তু শ্ৰীকৃষ্ণই যেতিয়াই ভক্তৰ অধীন বুলি ভাবি গোপীৰ মন গৰ্ব-অহংকাৰত ভৰি পৰিল, তেনে স্থলত শ্ৰীকৃষ্ণই গোপীসকলৰ মাজৰ পৰা অন্তৰ্ধান হৈ পৰে। কিন্তুত শ্ৰীকৃষ্ণ যেতিয়া ৰাধাক লৈ নোহোৱা হয়, আৰু গোপীসকলে নিজৰ ভুল বুজিবলৈ চেষ্টা কৰে।

ভগৱানে একমাত্ৰ বুলি ভাবি অহংকাৰৰ ফলত শ্ৰীকৃষ্ণক হেৰুৱাব লগীয়া হয় গোপী সকলে। ত্ৰিজগতৰ পতিহৰি মায়া-বান্ধোনত বান্ধ খাই থাকিব নোৱাৰে। গোপীসংগে একচিত্তে কৃষ্ণক স্তুতি আৰম্ভ কৰি ভক্তৰ ভক্তিত সন্তুষ্টৰে ভগৱানে গোপীসকলক মানৱ জীৱনৰ পৰমাৰ্থ বুজাই দি অন্তৰ পৰিশুদ্ধি লাভ প্ৰাপ্ত হয়। গোপীৰ ইচ্ছাক সন্মান জনাই 'য'ত গোপী, ত'ত কৃষ্ণ, ত'ত হৰি, গোপীৰ মনৰ অভিলাষ পূৰ্ণ কৰে। আৰু এয়াই হ'ল ৰাসোৎসৱৰ মূল অৰ্থ। পবিত্ৰৰাস মোহোৎসৱৰ সময়ছোৱাত অসম ৰাজ্যত ঐতিহ্যৰে পৰা পালিত ৰাস পূৰ্ণিমাত। লোক বিশ্বাস অনুসৰি শ্ৰীশ্ৰী কৃষ্ণ ৰাস মোহোৎসৱ মাজুলীৰ দক্ষিণপাট সত্ৰত ১৭৬২ শকৰ পৰা প্ৰথমে আৰম্ভ হৈছিল বুলি গ'ম পোৱা যায়। শ্ৰীশ্ৰী কৃষ্ণ ৰাস মোহোৎসৱৰ সময়ছোৱাত সত্ৰ বা নামঘৰ সমূহত দিহানাম, গায়ন-বায়ন, নটুৱা চালি, ওজাপালি আদি অনুষ্ঠান অনুষ্ঠিত হয়। ৰাসৰ প্ৰথমদিনাই অধিবাস, দ্বিতীয়দিনা ৰাস আৰু তৃতীয়দিনা ইন্দ্ৰাভিষেক, ৰাস পূৰ্ণিমাৰ দিনা পুৱাৰ পৰা ৰাস পূজা আৰম্ভিত সম্পূৰ্ণ দিনজোৱা নাম-প্ৰসংগৰ উপৰিও গায়ন-বায়ন, নাম-কীৰ্তন, নটুৱা নাচ আদি নানা নৃত্য নাটিকা চলি থাকে। নিশাত ৰাসলীলা প্ৰদৰ্শিত হয় আৰু ভাওৰীয়া সকলে নাট সমূহত ভাও প্ৰদৰ্শন কৰে।

নামঘৰ সমূহত দৰাচলতে শ্ৰীশ্ৰী কৃষ্ণ ৰাসলীলা প্ৰদৰ্শন হয় যদিও সাম্প্ৰতিক কালৰ আধুনিক গতিধাৰাত দৰ্শকৰ মন আকৰ্ষিত কৰাৰ নিমিত্তে ভিন্ন কলা-কৌশল ব্যৱস্থাৰে মঞ্চত ৰাস অভিনয় কৰা পৰিলক্ষিত দেখা যায়।

ৰাসৰ জৰিয়তে মঞ্চত নিৰ্দিষ্ট পৰিৱেশ সৃষ্টি কৰি মঞ্চত মুখা সঞ্চালন কৰিবলৈ সহজ হৈ পৰে। জানিব পৰামতে আধুনিক কলা-কৌশলৰ ওপৰত গুৰুত্ব দি ৰাসলীলাক মঞ্চ ৰাস সমূহত প্ৰাচীন পৰম্পৰা ৰক্ষা কৰি পূৰ্বৰ ৰাস প্ৰদৰ্শনৰ মূলস্থল হিচাপে নামঘৰতেই প্ৰদৰ্শন কৰা দেখা যায়। সাম্প্ৰতিক সময়ত উজনি আৰু নামনি অসমৰ ৰাস মহোৎসৱত প্ৰাধান্য বিদ্যমান। উদাহৰণস্বৰূপে নলবাৰী, শুৱালকুছি, ৰামদিয়া, হাউলী, টিহু, পলাশবাৰী আদি অন্যান্য জিলাৰ অঞ্চল সমূহত ৰাস মহোৎসৱ পালিত হয়। দৰাচলতে, উজনি ও নামনিৰ ৰাসৰ মাজত বহু কিছু পাৰ্থক্য দেখিবলৈ পোৱা যায়। যেনে উজনিৰ ৰাস অভিনয়কেন্দ্ৰিক ও নামনিৰ ৰাস মূৰ্তিকেন্দ্ৰিক। শ্ৰীকৃষ্ণৰ বিভিন্ন কৰ্মৰাজিক মৃণ্ময় মূৰ্তিসমূহৰ মাধ্যমেৰে সজাই পৰাই তুলি প্ৰদৰ্শিত কৰা হয় একো একোখন ৰাস মঞ্চত। কালীয় দমন, পুতুনা বধ, দধিমথন, কংসবধ, বৃন্দাবনৰ অসলীলা আদি মৃণ্ময় মূৰ্তিসমূহৰ জৰিয়তে উপস্থাপন কৰি দৰ্শকক প্ৰদৰ্শিত কৰা দেখা যায়। কিন্তুত ঠাইভেদে বা অঞ্চল ভেদে ৰাস মহোৎসৱৰ লগত সংগতি ৰাখি ঢুলীয়া, ওজাপালি খোলা গান অপেছাদাৰী নাট, নাম-প্ৰসংগ আদি পালিত হয়। অসমৰ পলাশবাৰীৰ ৰাসত আকৌ জীৱন্ত মূৰ্তিও প্ৰদৰ্শিত হয় বুলি জানিব পাৰি। আৰু নামনি অসমৰ ৰাস সমূহত বংগমূলীয়া প্ৰভাৱ বিস্তাৰ দেখিবলৈ পোৱা যায় ইত্যাদি।

শ্ৰীশ্ৰী কৃষ্ণ ৰাস মহোৎসৱ অসমীয়া সমাজ জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা। য'ত, ভগবান শ্ৰীকৃষ্ণৰ জীৱন-কাহিনী, গোপীৰ আনন্দৰ প্ৰেমলীলাৰ আধাৰত উদযাপিত আনুষ্ঠানিক উৎসৱ। ৰাসৰ এই পবিত্ৰ উৎসৱত ভাওনা, সত্ৰীয়া সংস্কৃতিৰ নৃত্য-নাটিকা, ধৰ্মীয় সাংস্কৃতিক অনুষ্ঠানৰ এক বিশাল প্ৰদৰ্শনেৰে নৱাগত সংস্কৃতিৰ এক নতুন পৰম্পৰা গঢ়ি উঠে ৰাসৰ সময়ত। যেনে সামাজিক, আধ্যাত্মিক, সাংস্কৃতিক একতা শক্তিশালী কৰাৰ লগতে স্থানীয় অৰ্থনৈতিক ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ বৰঙনি আগবঢ়ায়। ইয়াৰ সমান্তৰালকৈ অসমীয়া সমাজ ও সংস্কৃতিৰ ওপৰত ৰাস মহোৎসৱৰ প্ৰভাৱ শ্ৰীকৃষ্ণৰ জীৱনৰ ধৰ্মীয় কাহিনীৰ ওপৰত আধাৰিত, ভক্তসকলৰ মাজত আধ্যাত্মিক পৰম্পৰা গঢ়ি তোলে। সাধাৰণতে পবিত্ৰ ৰাস মহোৎসৱে অসমীয়া সংস্কৃতিৰ এক উল্লেখযোগ্য অংশ, য'ত ভাওনা, লোকগীত, নৃত্য-নাট সুন্দৰ প্ৰদৰ্শন দেখিবলৈ পোৱা যায়। এই উৎসৱৰ সময়ছোৱাত ভিন্ন সামাজিক, ধৰ্মীয়, সাংস্কৃতিক একতাৰ এক বিশেষ পৰম্পৰা গঢ়ি উঠে, যদিও অসমীয়া সমাজত এক সম্প্ৰীতিৰ পৰিৱেশ সৃষ্টি কৰে। এতেকে, শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ গুৰুজনাৰ ধৰ্মীয়, সাংস্কৃতিক, ঐতিহ্যৰ এক বিশেষ প্ৰদৰ্শনৰ অপূৰ্ব্ব সৃষ্টি সমূহ আগন্তুক দিনত অসমীয়া সমাজ জীৱনৰ লগত জড়িত প্ৰতিজন অসমীয়াই কেনেদৰে আকোৱালি লৈ আগোৱাই যাব পাৰে এই হ'ব লক্ষণীয়।



## কংসৰ অভিনয়ৰে আকৰ্ষণ গঢ়ি হ'ল জীৱন্ত কিংবদন্তি

# ৰূপালী জয়ন্তীত ৰাজীৱ কমল শইকীয়া

**সঞ্জয় ৰবিদাস**

গ্ৰামাঞ্চলত নাট্যচৰ্চাৰ আন্দোলনটোৰ লগত জড়িত বহু ব্যক্তি বহল সমাজখনৰ পৰিচিত নহয়। কিন্তু তেওঁলোক নাট্যচৰ্চা আৰু নাট্যাভিনয়, পৰিচালনা,অংগসজ্জা ইত্যাদি নাট মঞ্চায়নৰ লগত জড়িতপ্ৰায় সকলো দিশতে পাকৈত আৰু সুদক্ষ। নিজৰ প্ৰতিভাৰ জোৰত এওঁলোকে মঞ্চত উজলি উঠে ঠিকেই, কিন্তু প্ৰচাৰৰ অভাৱত এখন বহল মঞ্চ লাভ কৰাৰ পৰা বঞ্চিত হয়। চলচ্চিত্ৰ জগতৰ নামী-দামী তাৰকা শিল্পীৰ ভিৰৰ মাজত অখ্যাত হৈ ৰোৱা মাজুলীৰ ৰাজীৱ কমল শইকীয়া তেনে এজন অভিনয় শিল্পী। ৰাসৰ মঞ্চত ৰাজীৱ কমলে কংসৰ চৰিত্ৰত এতিয়ালৈকে চৌব্বিশবাৰ পৰ্যন্ত কংসৰ দুৰ্দান্ত অভিনয়েৰে অসমীয়া দৰ্শক ৰাইজৰ লগতে মাজুলীলৈ ৰাস চাবলৈ অহা বহু দেশী-বিদেশী পৰ্যটক দৰ্শকৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। ঐতিহ্য আৰু পৰম্পৰাৰ বাহক মাজুলী মিলন সংঘৰ এই বাৰৰ ৬৮ তম্ শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলাৰ মঞ্চাভিনয়ত তেওঁ জীৱনৰ পঁচিশ সংখ্যক কংসৰ ভাৱেৰে অভিনয় সেৱা আগবঢ়াব। ছাত্ৰাৱস্থাত লাজকুৰীয়া স্বভাৱৰ ৰাজীৱ কমলে কমলাবাৰীৰ কমলপুৰ নামঘৰত ভাওনাত দূতৰ ভাৱেৰে নাট্যাভিনয়ৰ প্ৰথমে পাতনি মেলিছিল। যিসময়ত লগৰ সমনীয়াই ভাওনাত ৰাজকুমাৰৰ ভাও গাইছিল সেই সময়ত ৰাজীৱ লাজতে আঁতৰি ফুৰিছিল। মাক পূণ্য বৰাই পৰামৰ্শ দিছিল লাজ ভাঙিবলৈ ভাও কৰিব লাগিব বুলি ৰাজীৱেও মাতৃৰ আজ্ঞা শিৰোগত কৰি উদ্যোক্তা সকলৰ ওচৰলৈ গৈ খুজি লৈছিল দূতৰ ভাও। অন্তৰমুখী ৰাজীৱে মনপ্ৰাণ ঢালি পৰিবেশন কৰা দূতৰ হাস্যৰসিক অভিনয়ে দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হ'ল! সকলো দৰ্শকক মনোৰঞ্জনৰ খোৰাক দিয়াৰেপৰা ৰাজীৱ কমলে আৰু পিছলৈ ঘূৰি চাবলগীয়া হোৱা নাই। কৈশোৰ অৱস্থাতে ভাওনাত দক্ষতাৰে ৰজাৰ অভিনয় কৰা ৰাজীৱ কমলে পিছলৈ মাজুলীৰ ঐতিহাসিক সাংস্কৃতিক অনুষ্ঠান তথা ৰংগমঞ্চ মাজুলী মিলন সংঘত ৰাসোৎসৱত দুবছৰমানৰ বাবে কংস সেনাপতি আৰু পাছলৈ এই শতিকাৰ আৰম্ভণিৰ সময়ত কিশোৰকালতেই ঐতিহাসিক শ্ৰীশ্ৰীমাজুলী কমলাবাৰী (নতুন) সত্ৰৰ প্ৰেক্ষাগৃহত কংসৰ চৰিত্ৰত প্ৰয়াত শিল্পী পূৰ্ণানন্দ কলিতা আৰু তেতিয়াৰ যুৱ বৈষ্ণৱ তথা বৰ্তমানৰ মাজুলী জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক বাবুল শইকীয়াৰ আমন্ত্ৰণত অভিনয় কৰিবলৈ সুযোগ লাভ কৰে। তেতিয়াৰেপৰা এতিয়ালৈকে মাজুলী মিলন সংঘৰ লগতে বিভিন্ন ঠাইৰ ৰাস অনুষ্ঠানত চৌব্বিশবাৰ কংসৰ অভিনয়েৰে মোহি আহিছে দৰ্শক-শ্ৰোতাক। দীৰ্ঘকায় সুঠাম দেহ, আকৰ্ষণীয় সাজ-সজ্জা আৰু সংলাপ প্ৰক্ষেপন ,আকাৰ-ইংগিত,অঙ্গ সঞ্চালন আদিৰ নিপুণতাই ৰাজীৱ কমলৰ অভিনয় চাবলৈ দৰ্শকক আগ্ৰহী কৰি তোলে। মাজুলীৰ সত্ৰভূমিৰ নামঘৰৰ লগতে

অসম আৰু ভাৰতৰ বিভিন্ন ঠাইত বহু সামাজিক নাটকত জীৱন্ত অভিনয় কৰি দৰ্শকৰ মন জয় কৰি অহা ৰাজীৱ কমল পেছাত এজন শিক্ষক, অসমৰ



এজন উল্লেখযোগ্য কবি, শক্তিশালী যুৱ লেখক আৰু সাহিত্য সংগঠক। মাজুলীৰ ৰামধনু শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক আৰু যোৰহাট জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক হিচাপে অতি নিয়াৰিকৈ নিজৰ দায়িত্ব সম্পাদন কৰা ৰাজীৱ কমল শইকীয়াই ২০১৪ বৰ্ষত যোৰহাট জিলা সাহিত্য সভাৰ অন্তৰ্গত শাখা সাহিত্য সভা সমূহৰ ভিতৰত শ্ৰেষ্ঠ পত্ৰিকা সম্পাদকৰ বঁটা লাভ কৰাৰ উপৰিও তেওঁ সম্পাদনা কৰা ৰামধনু শাখা সাহিত্য সভাৰ পত্ৰিকাখনেও শ্ৰেষ্ঠ পত্ৰিকাৰ সন্মান পাইছিল। বিভিন্ন সময়ত সাহিত্য বা অন্যান্য অনুষ্ঠান সমূহ যেনে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ(মহাৰজত জয়ন্তী উপলক্ষে প্ৰকাশিত স্মাৰক গ্ৰন্থৰ সহযোগী সম্পাদক) সদৌ অসম মইনা পাৰিজাত (সাংস্কৃতিক সমাৰোহ উপলক্ষে প্ৰকাশিত স্মাৰক গ্ৰন্থৰ সম্পাদক) (মাজুলী জিলা মইনা পাৰিজাতৰ স্মাৰক গ্ৰন্থ সম্পাদনা), অনেক কেইখন ঐতিহাসিক সত্ৰানুষ্ঠানে আয়োজন কৰা সভা-সমিতি তথা অভিৱৰ্তন, অধিৱেশন সমূহৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা প্ৰায় পোন্ধৰখনৰো বেছি স্মাৰক গ্ৰন্থ অনবদ্যৰূপে সম্পাদনা কৰিছে 'অনুৰাধাৰ কবি' আৰু "শব্দৰ যাদুকৰ" খ্যাত ৰাজীৱ কমল শইকীয়াই। ২০০৭ চনত চাহাৰা ওৱান টিভিয়ে আয়োজন কৰা ৰিয়েলিটি শ্ব' 'বলিউড কা বছ'ত ৰাজীৱ কমলে অংশগ্ৰহণৰ সুযোগ লাভ কৰিছিল। ২০১৪ চনত প্ৰসিদ্ধ অসমীয়া শিল্পী ,অভিনেতা ,পৰিচালক লক্ষী বৰঠাকুৰৰ পৰিচালনাত মেক্সিম গৰ্কীৰ ডেৰশ বছৰীয়া জন্ম জয়ন্তীত কলিকতাৰ গৰ্কী সদনত ৰাছিয়ান এম্বেছিয়ে আয়োজন কৰা নাট সমাৰোহত এনজেবি সাংস্কৃতিক গোষ্ঠীৰ 'বেদব্যাস' নাটকত বেদব্যাসৰ পিতৃ পৰাশৰৰ চৰিত্ৰত ৰাজীৱ কমলৰ অতি জীপাল অভিনয় দেখি উপস্থিত দৰ্শকে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি দিছিল।

ইয়াৰ বাদেও ৰাজীৱৰ সহঃ পৰিচালনা, আৰু পৰিচালনাত কেইবাখনো নাটক ইতিমধ্যে সফলভাৱে মঞ্চস্থ হৈছে। সৰুৰে পৰা ঘৰত সাংস্কৃতিক পৰিৱেশৰ মাজত ডাঙৰ-দীঘল হোৱা ৰাজীৱ কমলে ভাওনাত দেউতাক চন্দ্ৰ কমল শইকীয়াৰ সুদক্ষ অভিনয় দেখি অভিনয়ৰ প্ৰতি আকৰ্ষিত হৈছিল। বৰ্তমান মাজুলীৰ বহুতো সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত ৰাজীৱ কমলে কমলাবাৰীস্থিত মাজুলীৰ অন্যতম প্ৰাচীন সাংস্কৃতিক অনুষ্ঠান মাজুলী মিলন সংঘৰ বিগত কেইবাটাও কাৰ্যকালত সহকাৰী সম্পাদকৰ দায়িত্ব পালন কৰাৰ উপৰিও ২০১৯-২০২১ বৰ্ষৰ সম্পাদকৰ দায়িত্ব অদ্বিতীয় তথা অনবদ্য ৰূপে পালন কৰা আমি মাজুলীত কৰ্মনিৰ্বাহ কৰি থকা কালত প্ৰত্যক্ষ কৰিছিলোঁ। দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পৰা এগৰাকী নিপুন এংকৰো তেওঁ।

শ্ৰীকৃষ্ণৰ সেৱাত সম্পূৰ্ণ সমৰ্পণেৰে উপবিষ্ট হোৱাৰ সৌভাগ্য ধন্য হৈ ঈশ্বৰৰ লীলাত কংসৰ অভিনয় নৈবেদ্যে প্ৰদানেৰে কিংবদন্তি যেন হোৱা ৰাজীৱ কমল শইকীয়াৰ ভৱিষ্যৎ অভিনয় যাত্ৰা তথা সংস্কৃতিৰ উপাসনা, সেৱা অক্ষুন্ন থাকক সেয়াই কামনা।

# ঐতিহাসিক জৰাবাৰী সত্ৰৰ ৰাস

**পাৰ্থ প্ৰতীম হাজৰিকা**

"শৰৎ কালৰ ৰাত্ৰি অতি বিতোপন।
ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈলা মন।।"

শৰৎ মানেই শ্ৰীকৃষ্ণৰ ৰাসলীলা, ৰাসলীলা মানেই অসমীয়াৰ বাবে হেঁপাহৰ উৎসৱ, আনন্দৰ ক্ষণ। ৰাসৰ সময় মানেই অসমৰ গাঁৱে-ভূঞে,সত্ৰই-নামঘৰে, মঞ্চই, মঞ্চই ৰাসৰ আয়োজন, এমাহ আগৰ পৰা প্ৰস্তুতি। ৰাস বুলি ক'লে সংস্কৃতি প্ৰিয় অসমীয়াৰ মন-প্ৰাণ সীমাহীন আনন্দৰে ভৰি পৰে। অসমীয়া ডেকা সমাজে ৰাসৰ সেই নিৰ্দিষ্ট দিনটোলৈ অধীৰ অপেক্ষাৰে বাট চাই ৰৈ থাকে।

এতিয়া সময় সমাগত শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলা মহোৎসৱৰ। সত্ৰ আৰু সংস্কৃতিৰ নগৰী মাজুলীৰ সমান্তৰালভাৱে উজনিৰ পৰা নামনিলৈ এতিয়া ৰাজ্যৰ প্ৰান্তে প্ৰান্তে চলিছে ৰাস উৎসৱৰ পূৰ্ণ প্ৰস্তুতি। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে উজনি অসমৰ শিৱসাগৰ জিলাৰ আমগুৰিৰ জৰাবাৰী গাঁৱত অৱস্থিত সত্ৰীয়া সংস্কৃতিৰ অন্যতম প্ৰাণকেন্দ্ৰ বড়াৰ-পো মাধৱদেৱ গুৰুজনাৰ পদৰঞ্জিত ঐতিহাসিক শ্ৰীশ্ৰী জৰাবাৰী সত্ৰটো প্ৰতিবছৰৰ দৰে এইবাৰো ৪৮ সংখ্যক শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসোৎসৱ আয়োজনৰ প্ৰস্তুতি সম্প্ৰতি তুংগত উঠিছে। কাতি মাহৰ ১৮ তাৰিখ ইংৰাজী ৫ নবেম্বৰ ২০২৫ ত ৰাস পূৰ্ণিমাৰ লগত সংগতি ৰাখি এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাস উৎসৱ উদযাপনৰ বাবে এতিয়া ৰাস উদ্‌যাপন সমিতিৰ লগতে জৰাবাৰী সত্ৰৰ স্থানীয় ৰাইজ আৰু যুৱ সমাজৰ মাজত ব্যাপক ব্যস্ততা দেখা গৈছে। মহাপুৰুষীয়া ধৰ্ম-সংস্কৃতিৰ অন্যতম বৰঘৰ জৰাবাৰী সত্ৰৰ স্থানীয় অঞ্চলসমূহত এমাহ মান আগৰ পৰাই ৰাসময় এক পৰিৱেশে বিৰাজ কৰে। আবেলি ৩-৪ বজাৰ পৰা গোপবালক সকলৰ আখৰা আৰম্ভ হয়। নিশা অন্যান্য সকলে আখৰাত অংশগ্ৰহণ কৰে । দূৰলৈকে ভাঁহি অহা ৰাসৰ সুমধুৰ গীত, ভাৱৰীয়াৰ সংলাপ প্ৰক্ষেপৰ শব্দ আদিয়ে সমগ্ৰ অঞ্চলজুৰি ভাললগা এটি পৰিৱেশৰ সৃষ্টি কৰে।

জৰাবাৰী সত্ৰ মূলতঃ উদাসীন সত্ৰ। সত্ৰাধিকাৰকে প্ৰমুখ্য কৰি বুঢ়া ভকত আৰু সত্ৰৰ অন্যান্য ভকতসকলে উদাসীন প্ৰথাৰে জৰাবাৰী সত্ৰ পৰিচালনা কৰে। সেয়ে সত্ৰৰ পৰম্পৰা ৰক্ষা কৰি জৰাবাৰীৰ ৰাসত কেৱল পুৰুষেহে অভিনয় কৰে। দৈৱকী, যশোদা, ৰাধা, গোপী, পুতনা, মোহিনী আদি ৰাসলীলাৰ নাটত সন্নিবিষ্ট প্ৰতিটো নাৰী চৰিত্ৰত স্থানীয় যুৱক সকলে অভিনয় কৰে। নাৰীৰ চৰিত্ৰ সমূহত যুৱক সকলে কৰা নিখুঁত আৰু সাৱলীল অভিনয় চাবলগীয়া হয়। ল'ৰাৰ ৰাস হোৱা বাবে স্থানীয় অঞ্চলসমূহত জৰাবাৰীৰ ৰাসে পূৰ্বৰে পৰাই এক সুকীয়া স্থান দখল কৰি আহিছে। দুটা বৰ্ষৰ পাছতেই সোণালী জয়ন্তী বৰ্ষত ভৰি দিব লগা জৰাবাৰীৰ ৰাসত ৰাসৰ নিৰ্দিষ্ট দিনটোত অজস্ৰ ৰাস প্ৰেমী ৰাইজৰ উপস্থিতি দেখিবলৈ পোৱা যায়। প্ৰতিবছৰেই জৰাবাৰী সত্ৰৰ ৰাসত অনন্ত শয্যা, বসুদেৱ-দৈৱকীৰ বিবাহৰ পৰা আৰম্ভ কৰি মহাৰাস, কংস বধলৈ ৰাসলীলাৰ নাট মঞ্চস্থ হয়।

# শৰৎকালৰ বিতোপন ৰাসক্ৰীড়া

**নিবেদিতা হাজৰিকা**

শৰৎকালক উৎসৱৰ ঋতু বুলি কোৱা হয়। শৰৎকালৰ আগমনৰ লগে-লগে এই ধৰণী অনন্য হৈ পৰে। যিয়ে সকলোৰে মন উৎফুল্ল কৰি ৰাখে। শৰৎকালত সমগ্ৰ ভাৰতবৰ্ষতে শাৰদীয় দুৰ্গোৎসৱ আৰু ৰাসলীলা অতি আড়ম্বৰ পূৰ্ণ ভাৱে উদ্‌যাপন কৰা হয়। কবিয়ে সেই বাবেই হয়তো কৈছে- 'শৰৎ সম নোহে ইটো সুখ কাল'। সাধাৰণ মনুষ্যৰ কথা বাদেই ভগৱান শ্ৰীকৃষ্ণকো শৰৎকালৰ বিতোপন চন্দ্ৰাৱলী ৰাতিয়ে মোহিত কৰিছিল।

জগতৰ অধিকাৰী, জগতৰ ঈশ্বৰ শ্ৰীকৃষ্ণৰ মোহন বাঁহীৰ সুৰত উতলা হৈ ব্ৰজধামৰ গোপী সকলে নিজৰ সকলো কাম-ধাম, নিজ পতি - পুত্ৰ-কন্যা ঘৰতে এৰি থৈ ভগৱান শ্ৰীকৃষ্ণৰ সান্নিধ্য লাভৰ বাবে উধাতু খাই দৌৰি আহিছিল।



শৰৎ কালৰ পূৰ্ণিমাৰ দিনা যি ৰাসক্ৰীয়া পালন কৰা হয় এই ক্ৰীড়া প্ৰকৃততে ভক্ত আৰু ভগৱানৰ মাজৰ মধুৰ মিলনহে। ইয়াত কাম ভাৱ বা বৃত্তিক কলাৰ শাৰীলৈ উন্নীত কৰা হৈছে। ৰাসক্ৰীয়াত যি নৃত্যৰ বা ক্ৰীড়াৰ পৰিস্ফুৰণ ঘটে বা দৃষ্টিগোচৰ হয় সেই ক্ৰীড়া কাম ভাৱৰ পৰা সম্পূৰ্ণ বাহিৰত বা দূৰত। ই ভগৱানৰ লীলা হে মাত্ৰ। যি লীলাৰ সংযোগত ভক্তৰ মনত সাংসাৰিক কামনা-বাসনা, মায়া আদি একো নাথাকে।থাকে মাথো একান্ত ভক্তি। যি ভক্তিৰ বলত জীৱই ব্ৰহ্মৰ লগত একীভূত হ'বলৈ প্ৰয়াস কৰে।

শ্ৰীকৃষ্ণৰ এই ৰাসলীলা জীৱ আৰু ব্ৰহ্মৰ আলিঙ্গনৰ এক অভিনয় মাথোন।ৰাসক্ৰীড়া হৈছে মূল তত্ত্ব হৈছে মানৱ ধৰ্ম। গোপী সকলৰ লৌকিক প্ৰেমক ভগৱৎ পৰায়ণ কৰি চৰম আধ্যাত্মিক উৎকৰ্ষ লাভৰ উদাহৰণ স্বৰূপেহে মাত্ৰ দেখুওৱা হৈছে।

ৰাসক্ৰীয়াৰ কৃষ্ণ আৰু গোপী সকল জীৱাত্মাবোধ পৰমাত্মাৰে এক অংশ স্বৰূপ। পৰমাত্মা হ'ল অমৰণ,অভগন। ৰাসলীলাত বৰ্ণিত মাণ্ডলিক নৃত্যত শ্ৰীকৃষ্ণক মূল অগ্নিপিণ্ড আৰু গোপী সকলক অগ্নিস্ফুলিঙ্গৰ লগত তুলনা কৰা হয়।

ৰাসলীলাৰ আধ্যাত্মিক ব্যাখ্যাইহে ৰাসলীলাৰ অন্তৰ্নিহিত কথা স্পষ্ট কৰি তোলে। 'আনন্দং ব্ৰহ্মনো ৰূপং' অৰ্থাৎ আনন্দই ব্ৰহ্মাৰ স্বৰূপ। আনন্দই ব্ৰহ্মৰ ৰূপ, ব্ৰহ্মই আনন্দৰ ৰূপ। সদিচ্ছানন্দ পৰমব্ৰহ্ম শ্ৰীকৃষ্ণই হ'ল আনন্দ আৰু সেই আনন্দময় ভগৱানৰ লীলাৰ নাম হ'ল ৰাসলীলা। ৰাসলীলাত গোপী সকলক জীৱাত্মা আৰু ভগৱান শ্ৰীকৃষ্ণক পৰমাত্মা হিচাপে দেখা পোৱা যায়। শ্ৰীকৃষ্ণৰ আকস্মিক অন্তৰ্ধানত গোপী সকল চিন্তিত, আতুৰ, নিস্তেজ, বিতত হৈ পৰিছিল। কৃষ্ণ প্ৰাপ্তি অভিলাষ কৰি তেওঁলোকে প্ৰথমে বৃন্দাবনৰ বৃক্ষ সমূহক, দ্বিতীয়তে কৃষ্ণ ভাৱনা আৰু একেবাৰে শেষান্তৰত তন্ময় ভাৱ প্ৰকাশ কৰিছিল। ৰসেই হৈছে ৰাসৰ প্ৰাণ। ৰাসক্ৰীড়া চলি থকাৰ বাবেহে জীৱই চলাচল কৰিব পাৰে। অন্যথা জীৱন অস্তিত্বহীন। মানুহৰ হৃদয়খন ৰসমণ্ডল, এই হৃদয়খনত পৰমাত্মাৰ অংশ জীৱাত্মা কৃষ্ণই সদায়ে বিৰাজ কৰি ৰাসলীলা কৰা বাবেই মানুহে জীৱন্ত হৈ কৰ্মত লিপ্ত হয়। ভগৱান শ্ৰীকৃষ্ণৰ সৈতে নৃত্য কৰা গোপী সকলৰ নৃত্যই প্ৰকৃত ৰাস। ৰাসলীলাত শ্ৰীকৃষ্ণৰ ভক্ত-বাৎসল্য, প্ৰেমাৰশ্যতা মাধুৰ্য যিদৰে প্ৰভাসিত হৈছে তেনেদৰে আৰু ক'তো দীপ্তমান হৈ উঠা নাই। সেই বাবেই ৰাসলীলা অতুলনীয়,অনন্য। এই ৰাস উৎসৱে জনসাধাৰণৰ মাজত আজিও আনন্দৰ বন্যা প্ৰৱাহিত কৰি আহিছে।

# অতীতৰ পৰম্পৰাগত ৰাস মহোৎসৱ আৰু বৰ্তমানৰ ৰাসোৎসৱ

**নিৰ্বাণজ্যোতি নাথ**

> বৰ্তমান সময়ত অতি মাত্ৰা ৰহণ সানিবলৈ গৈ ৰাস মহোৎসৱৰ প্ৰকৃত মাহাত্ম্য ক'ৰবাত নাইকিয়া হোৱা পৰিলক্ষিত হৈছে।

ৰাস বুলি ক'লৈই আমাৰ মনলৈ ভাঁহি আহে ভগৱান শ্ৰী কৃষ্ণ আৰু ৰাধাৰ সত্য, সুন্দৰ আৰু ঐতিহাসিক প্ৰেম কাহিনীৰ কথা। ৰাস বুলি ক'লৈই মনলৈ আহে নিষ্ঠুৰ কংসৰ গৰ্জন আৰু পুত্ৰ স্নেহত পৰি দুৰ্ভগীয়া দৈৱকীৰ হিয়া ভগা কান্দোন। ৰাস মানেই হ'ল শিশু কৃষ্ণৰ ৰুণু -জুনু নূপুৰৰ শব্দ আৰু ৰাধা সহিতে গোপীসকলক বলীয়া কৰা কলীয়া কানাইৰ বংশীধ্বনি।

আমাৰ অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ দিনৰ পৰাই এই ৰাসোৎসৱ উদ্‌যাপিত হৈ আহিছে। অতীজৰ পৰা বিভিন্ন পৰম্পৰাৰ মাজেৰে আহি আহি বৰ্তমান সময়ত ৰাসে এক নতুন ৰূপ অতিক্ৰম কৰা দেখা গৈছে। কিন্তু বৰ্তমান সময়ত আধুনিকতাৰ ধাম খুমীয়াত পৰি কৰবাত যেন ৰাসোৎসৱ সংকতাপন্ন হৈ পৰিছে। অতীততে আমি ৰাস বুলি ক'লে প্ৰকৃতাৰ্থত ভগৱান শ্ৰী কৃষ্ণৰ লীলা বিষয়ক গীত-মাত, পদ, নৃত্য-নাটিকা ইত্যাদিবোৰ দেখিবলৈ পাইছিলোঁ, কিন্তু বৰ্তমান সময়ত অতি মাত্ৰা ৰহণ সানিবলৈ গৈ ৰাসমহোৎসৱৰ প্ৰকৃত মাহাত্ম্য কৰবাত নাইকিয়া হোৱা পৰিলক্ষিত হৈছে যেন মোৰ অনুভৱ হয়।

অতীততে আমি যিখন ৰাস দেখিবলৈ পাইছিলোঁ সেই ৰাসৰ তুলনাত বৰ্তমান সময়ত অতিমাত্ৰা হাস্যৰস বা মনোৰঞ্জন দিবলৈ গৈ ৰাসৰ বহুকেইটা মুখ্য চৰিত্ৰক বাদ দি ৰাসোৎসৱৰ মাজতে নানা প্ৰকাৰৰ কৌতূহলপূৰ্ণ ঘটনা বা হাস্য-ব্যংগাত্মক মনে সজা চৰিত্ৰক সুমুৱাই দি ৰাসক বিভ্ৰান্ত কৰিবলৈ এচাম ৰাস উদযাপন কমিটীয়ে চেষ্টা কৰা দেখিবলৈ পোৱা গৈছে। ই প্ৰকৃতাৰ্থত ৰাসৰ যি ঐতিহ্য, ৰাসৰ যি মাহাত্ম্য তাক উপলব্ধি কৰাত হেঙাৰস্বৰূপে থিয় দিছে।

ককা, আজো ককাৰ দিনৰে পৰা গাঁৱৰ সকলো ৰাইজৰ সমন্বয়ত গাঁৱৰ ডেকা, বুঢ়া সকলোৱে মিলি আয়োজন কৰা ৰাসখনত বতমান সময়ত কোনোবা নামী-দামী তাৰকাই আহি ৰাস উদ্বোধন কৰিবলৈ ল'লে; ইয়াতেই আধুনিকতাৰ এখন ছবি চিত্ৰিত হৈছে যদিনো যি গৰাকী ব্যক্তিয়ে ৰাসৰ উদ্বোধন কৰিবলৈ আহে তেওঁ ৰাসৰ মূল তাত্বিক কথাবোৰেই নাজানে।

শ্ৰী কৃষ্ণৰ জীৱন লীলাক নাটকীয় ৰূপ দি শৰৎৰ হিমসনা ৰাতি যিখন ৰাসৰ আয়োজন কৰা



হয় সেই ৰাসত পূৰ্বতে অঞ্চলৰ বিভিন্ন ধৰণৰ প্ৰতিভাশালী যুৱক যুৱতীক অভিনয় কৰিবলৈ দিয়া দেখা গৈছিল। কিন্তু বৰ্তমান সময়ত দেখা গৈছে যে অতি কম সময় অভিনয় কৰিবৰ বাবে বিভিন্ন ধৰণৰ নামী-দামী অভিনেতা-অভিনেত্ৰীক নিমন্ত্ৰণ জনায়; লাখ লাখ টকাৰ বিনিময়ত। যাৰ ফলত ঐতিহ্যপূৰ্ণ ৰাসোৎসৱে কোনোবাখিনিত এক ব্যৱসায়লৈ গতি কৰিছে।

অতীততে ৰাসোৎসৱৰ দৰ্শন কৰাৰ সময়চোৱাত হৃদয় জুৰ পেলোৱা বাঁহীৰ সুৰ, খোল, তাল ইত্যাদিৰ শব্দত ৰাস দৰ্শন কৰি থকাৰ সময়ত এনে অনুভৱ হয় যেন সঁচাকৈয়ে ভগৱান শ্ৰী কৃষ্ণই বংশী বজাই আছে, কিন্তু বৰ্তমান সময়ত অতিমাত্ৰা বৈদ্যুতিক বাদ্যযন্ত্ৰৰ প্ৰয়োগে কোনোবাখিনিত সেই অতীতৰ ৰাসলৈ মনত পেলাইছে।

আচলতে পৰিবৰ্তনৰ যুগ যদিও কিছুমান পৰিবৰ্তনে ৰাসোৎসৱক কোনোবাখিনিত বিকৃতহে কৰি পেলাইছে। কংসৰ আদেশমৰ্মে শিশু কৃষ্ণক বধ কৰিবৰ বাবে যোৱা ৰাক্ষসী পুতনাৰ প্ৰৱেশৰ সময়ত কিছু কিছু ৰাস মঞ্চত যি ধৰণৰ বাজনাৰ প্ৰয়োগ কৰা দেখা যায়, সেই ধৰণৰ গীত মাতে প্ৰকৃততে ৰাসৰ মাহাত্ম্য কোনোবাখিনিত বিকৃত কৰি পেলাইছে।

এনেধৰণৰ আধুনিকতাৰ প্ৰভাৱতেই পূৰ্বতে মানুহে ৰাসক যিদৰে আঁকোৱালি লৈছিল, আজিৰ যুগত ৰাসক তেনেদৰে আঁকোৱালি লোৱা দেখিবলৈ পোৱা নাযায়। আমি এটা উদাহৰণলৈ লক্ষ্য কৰিলে ইয়াৰ সত্যা-সত্য ভালদৰে উপলব্ধি কৰিব পাৰিম; যে পূৰ্বতে দিন ৰাতি একাকাৰ কৰি উৰেটো নিশা ৰাসলীলা উপভোগ কৰিছিল। কিন্তু বৰ্তমান সময়ত দেখা যায় যে সমাজৰ নিয়মে বেলেগ কৰিও বেলেগ কৰিব নোৱাৰা মিলনৰ উৎসৱ মহাৰাস উপভোগ কৰিবলৈকো দৰ্শকৰ অভাৱ দেখা পোৱা যায়।

বাৰু যিয়েই নহওক, ৰাস বুলি কলেই সাধাৰণতে আমাৰ মনলৈ ভাঁহি অহা এখন ঠাই হৈছে সত্ৰনগৰী মাজুলী। মাজুলীৰ সত্ৰসমূহত মুখাশিল্পৰ জৰিয়তে ৰাসক এক বিপুল জনসমাদৰ দিবলৈ সক্ষম হৈছে। জানিবলৈ পোৱা মতে প্ৰথমে মাজুলীৰ দক্ষিণপাট সত্ৰত পোন প্ৰথমবাৰৰ বাবে ৰাস আয়োজন কৰা হৈছিল। ইয়াৰ পাছত লাহে লাহে মাজুলীৰ আন সকলো সত্ৰলৈ ৰাসোৎসৱৰ প্ৰসাৰ ঘটে লগতে অসমৰ আন জিলাতো ৰাস উদযাপন কৰিবলৈ লোৱা বৰ্তমান দেখা গৈছে। বৰ্তমান মাজুলীৰ প্ৰায় ২৫খন সত্ৰ আৰু বিভিন্ন অঞ্চলৰ ৰঙ্গমঞ্চসমূহত ৰাস উৎসৱ উদযাপন কৰি অহা হৈছে। ৰাসোৎসৱৰ সময়চোৱাত মাজুলীখন পৰিণত হয় দ্বিতীয় বৃন্দাবনপুৰীলৈ। মাজুলীৰ ৰাস বিভিন্ন দেশী বিদেশী পৰ্যটকৰ বাবে এতিয়া আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। শৰৎৰ সন্ধিয়াত শেৱালি ফুলৰ সুবাস বুটলি ৰাধা কৃষ্ণৰ চিৰযুগমীয়া প্ৰেমৰ উমান লবলৈ মাজুলীত বিভিন্ন ধৰণৰ দেশী-বিদেশী পৰ্যটক বা প্ৰব্ৰজনকাৰীয়ে প্ৰত্যেক বছৰে ভিৰ কৰা দেখিবলৈ পোৱা যায়; ইয়ে মাজুলীৰ ঐতিহ্যক জনমানসত এক বিপুল স্বীকৃতি দিবলৈ সক্ষম হৈছে, লগতে মাজুলীৰ ৰাসক বিশ্বৰ বুকুলৈ লৈ যাবলৈ সক্ষম হৈছে।



# সংগীত সূৰ্যৰ কালজয়ী গীতত সমাজ সচেতনতাৰ মূৰ্ত প্ৰকাশ

**বসন্ত বৰুৱা**

আমাৰ সমাজত এনে বহু ব্যক্তি আছে যি নিশা টোপনি নাহিলে কিতাপ এখন হাতত তুলি লৈ কিতাপ পঢ়িবলৈ আৰম্ভ কৰে। কেইটামান পৃষ্ঠা পঢ়াৰ পিছতে তেওঁ টোপনিৰ কোলাত সোমাই পৰে। অৰ্থাৎ তেওঁ টোপনি যাবলৈকে কিতাপ পঢ়ে। বহুজনৰ আকৌ টোপনি নাহিলে গান শুনাৰ অভ্যাস। গানৰ বোকোচাত উঠি টোপনিৰ বাগিছাত বিচৰণ কৰে। টোপনিৰ মহৌষধ হিচাপেহে বহুজনে কিতাপ পঢ়া, গান শুনা আদি কামবোৰ কৰে। পিছে কিছুমান গান শুনি টোপনি যাব নোৱাৰি। বৰং টোপনি যোৱা জনকো এনে গানে জগাই তোলে। ভূপেন হাজৰিকাদেৱৰ গান শুনিও টোপনি যাব নোৱাৰি। এনেবোৰ গানে চিন্তাশীলজনৰ চেতনাৰ সুঁতিত নতুনৰ তৰংগ আনে।

বিশ্বশিল্পী, জনতাৰ শিল্পী ভূপেন হাজৰিকাৰ গীতত আছিল প্ৰখৰ সমাজ চেতনাৰ মূৰ্ত অভিব্যক্তি। স্বদেশ প্ৰীতিৰ লগতে বিশ্ব ভাতৃত্ববোধ, উচ্চ-নীচৰ প্ৰাচীৰ ভঙাৰ প্ৰয়াস, খাটি খোৱা মেহনতী জনতাৰ প্ৰতি সীমাহীন দৰদ, জাতি-ধৰ্মৰ দম্ভ অহংকাৰ মষিমূৰ কৰি শোষণ মুক্ত সমাজ গঢ়াৰ পণ তেখেতৰ গীতত ভাস্বৰ হৈ জিলিকি উঠিছিল। বিভিন্ন জাতি-জনগোষ্ঠীক একতাৰ ডোলেৰে আটি আটি বন্ধাৰো তেখেতৰ গীতৰ পণ আছিল। সামাজিক চেতনাৰ তীব্ৰতা তেখেতৰ শিল্পী জীৱনৰ আৰম্ভণিতে লিখা গীত-

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্বহাৰৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন ভাৰত গঢ়িম।"

অগ্নিযুগৰ ফিৰিঙতি হৈ নতুন অসম গঢ়াৰ পণ লোৱা শিল্পীজনাই সৰ্বহাৰাৰ প্ৰতিও দৰদী মন লৈ সৰ্বস্ব ওভতাই দি নতুন ভাৰত গঢ়াৰ অভিস্পা গীতৰ মাজেৰেই ব্যক্ত কৰি থৈ গৈছে। শ্ৰোতাৰ হৃদয়তন্ত্ৰীত ঝংকাৰ তোলা বিশ্বশিল্পী জনাৰ "মনিৰাম দেৱান" কথা ছবিত ব্যৱহৃত

"বুকু হম হম কৰে
মোৰ আই
কোনে নিদ্ৰা হৰে মোৰ আই
পুত্ৰ হৈ মই কিমতে তৰোঁ?
আই, তোৰে হৈ মৰোঁ।"

গীতটোত স্বদেশ প্ৰেমৰ গভীৰ স্বাক্ষৰ দেখিবলৈ পোৱা যায়। এই গীতটোত থকা আইগৰাকী যে দেশ মাতৃ গৰাকীয়েই সেয়া বুজি পোৱাত শ্ৰোতাৰ অকনো অসুবিধা নহয়।

আই অসমীৰ ৰূপ সুধাৰ মূৰ্ত প্ৰকাশ ঘটিছে শিল্পী গৰাকীৰ

"অসম আমাৰ ৰূপহী
গুণৰো নাই শেষ
ভাৰতৰে পূৰ্ব দিশত সূৰ্য্য উঠা দেশ।"

এই দেশৰ ৰসাল মাটিয়ে শিল্পীক নতুন নতুন সৃষ্টিৰ প্ৰেৰণা দিছে। সাৰুৱা উৰ্বৰা এই দেশৰ মাটিত গুটি পৰিলেই শইচ গজি যিদৰে লহ-পহাই বাঢ়ে সেইদৰে শিল্পীজনাই কলমৰ সাঁফৰ খুলিলেই নতুন নতুন সৃষ্টিৰ অন্বেষণ ঘটে। গীতেৰেই সমাজ বিৰ্বতন কৰিব খোজা শিল্পী জনাই সেয়ে আক্ষেপ কৰি বুঢ়া লুইতক প্ৰশ্ন কৰিছিল-

"ব্যক্তি যদি ব্যক্তিকেন্দ্ৰিক
সমষ্টি যদি ব্যক্তিত্বৰহিত
তেনে শিথিল সমাজক নাভাঙা কিয়?"

সোণতকৈ মানুহৰ দাম থকা সমাজ গঢ়াৰ তেখেতৰ পণ আছিল। সেয়ে সুধাকণ্ঠই মুক্তকণ্ঠে গাইছিল-

"জীয়াই থাকি এখন সমাজ গঢ়াৰ মন আছে
য'ত সোণতকৈ মানুহৰ দাম আছে
অলপ হ'লেও বেছি দাম আছে।"

ঘৰৰ লুইতখনিৰ মৰম বুজি পোৱা শিল্পী জনাই লুইতক লৈ যিমান গীত ৰচনা কৰিছিল আন আন অসমীয়া গীতিকাৰে লুইত তথা ব্ৰহ্মপুত্ৰক লৈ সিমানখিনি গীত ৰচনা কৰা দেখিবলৈ পোৱা নাযায়। বহু কেইটা গীতত তেখেতে লুইত তথা ব্ৰহ্মপুত্ৰক প্ৰতিকী ৰূপতো উপস্থাপন কৰিছিল। ঈৰ্যনীয় প্ৰতিভাৰ গৰাকী ড° ভূপেন হাজৰিকাৰ সমন্বয় প্ৰয়াসী মনে সম্প্ৰীতিৰ নিদৰ্শনো প্ৰত্যক্ষ কৰিছিল মহাবাহু ব্ৰহ্মপুত্ৰৰ বৈ যোৱা উচ্ছল জলতৰংগত। তেখেতৰ ভাষাৰে-

"মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
ক'ত যুগ ধৰি আহিছে প্ৰকাশি সমন্বয়ৰ অৰ্থ।"

মানুহ আৰু মানৱতা আছিল শিল্পীজনৰ প্ৰিয় বিষয়। নিপীড়িত জনতাৰ কথা, মানুহৰ মুকুতিৰ কথা তেওঁৰ গীতত বাৰে বাৰে উচ্চাৰিত হৈছিল। সেয়ে আফ্ৰিকা ভ্ৰমণৰ সময়ত কাইৰোৰ নীল নদীৰ পাৰত তেওঁ লিখি উলিয়াইছিল ঘৰৰ লুইতখনিক লৈ মানুহৰ মুকুতিৰ কথা কৈ-

"লুইতৰে পাৰৰে গাঁৱৰে মৰিশালিত
ৰংমনে নিতৌ চিঞৰে কৈ বোঁৱতী মনৰে কথা
পাহৰি পেলালোঁ বুৰঞ্জীয়ে গোৱা
সামন্ত যুগৰে কথা
সময়ৰ সাহেৰে
লিখি যাম আজি মই
মানুহৰ মুকুতিৰ কথা।"

ড° হাজৰিকাদেৱৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মানৱতাবাদী গীতটো হ'ল-

"মানুহে মানুহৰ বাবে
যদিহে অকনো নাভাবে
অকনি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা সমনীয়া?"

এই গীতটোত গভীৰ মানৱ প্ৰেম গীতিকাৰে যি ভাবে প্ৰতিফলিত কৰিছে সেয়াই এই গীতটোক এক অনন্য মাত্ৰা প্ৰদান কৰাৰ লগতে সময়ৰ সোঁতে মচি দিব নোৱাৰা এটি কালজয়ী গীতলৈ উত্তৰণ ঘটাইছে।

ভূপেন দাই নিজেই কৈ থৈ গৈছে-"একোটাহঁত গীতে একো একোটা জাতিক ভবাই তুলিব পাৰে, জগাই তুলিব পাৰে, বহ্নিমান কৰিব পাৰে।'' ১৯৭৩ চনৰ বাৰ্লিনৰ আন্তজাৰ্তিক ছেমিনাৰত তেওঁ কৈছিল- ''গান সামাজিক পৰিৱৰ্তনৰ সুনিশ্চিত আহিলা।" গান লিখিবলৈ বা গাবলৈ সমাজ সচেতনতাৰ খুব প্ৰয়োজন। মই কিন্তু সমাজ সচেতনতা লৈয়েই জন্ম গ্ৰহণ কৰিছোঁ। সেই সমাজ সচেতনতা লৈ সৃষ্টি কৰি আছোঁ, সৃষ্টি কৰি যাম আৰু চকুও মুদিম সমাজ সচেতনতা লৈয়েই। মোৰ দৃঢ় বিশ্বাস সমাজ সচেতনতা হ'ল ইন্ধন, সামাজিক জাগৰণ হ'ল অগ্নি। এই অগ্নিয়ে দুষ্কৃতিক পুৰি ছাই কৰি মাটিৰ সংস্কৃতিক ন গজালি মেলাত সহায় কৰে। (মই এটি যাযাবৰ খুব ইচ্ছা আছিল সাহিত্যিক হোৱাৰ)

এই সমাজ সচেতনতা লৈয়েই তেওঁ ১৯৬৮ চনত লিখি উলিয়াইছিল এটি কালজয়ী গীত-

"আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।"

১৯৬৮ চনতে লিখা এই গীতটো আজিও কিমান প্ৰাসঙ্গিক ভাবিলে আচৰিত লাগে। তেখেতৰ সামাজিক অন্তদৃষ্টি কিমান দূৰদৰ্শী আছিল তাৰেই প্ৰমাণ এই গীতটো।

যুগ যুগ ধৰি বৰ বৰ মানুহে সৰু সৰু মানুহক নিজৰ স্বাৰ্থৰ অনুকূলে ব্যৱহাৰ কৰি আহিছে। সৰু সৰু মানুহেই বোজা কঢ়িয়াই দেহৰ ঘাম সৰাব লাগে। শাসকেও শাসনৰ চলেৰে শোষণৰ টোপোলা মেলে। তাৰ বাবে তেওঁ নিৰ্ভীক প্ৰতিবাদ গীতেৰেই কৰিছিল

"যুগ যুগ ধৰি এচাম লোকে
শোষণ কিমাননো কৰিব?
নতুন সূৰ্য্যক ক'লা ডাৱৰে
আৰুনো কিমান ঢাকিব?"

একেই উপলব্ধিৰে লিখা অন্য এটি গীত-

"দোলা হে দোলা দোলা
.... বৰ বৰ মানুহৰ দোলা।"

সংগীত সাম্ৰাজ্যৰ মুকুট বিহীন সম্ৰাটজনে মানুহেই দেৱ, মানুহেই সেৱ- এই কথা অন্তঃকৰণৰে বিশ্বাস কৰিছিল বাবেই মানুহৰ মাজত অন্তৰায় হ'ব পৰা খ্যাতিকো জলাঞ্জলি দিয়াৰ পোষকতা কৰিছিল। সেয়ে সুধাকণ্ঠই গাইছিল-

"জীৱন জোৱা খ্যাতিয়ে যদি জীৱনটোকে খায়
বহু ধনৰ লোভে যদি মানুহ পাহৰায়
মানুহ যদি মানুহৰে হয় অন্তৰায়
(তেনে) দূৰতে থাওক খ্যাতি আৰু মিছা
ব্যৱসায়।"

আজীৱন ধৰাৰ দিহিঙে দিপাঙে লৰৰি ফুৰা যাযাবৰ শিল্পী জনাৰ গীতৰ মাজত প্ৰতিফলিত হৈছে সৰ্বসাধাৰণ মানুহৰ হা হুমুনিয়াহ, নোপোৱাৰ বেদনা, যাতনা পিস্ত জীৱনৰ দুখ-দুৰ্দশাৰ জীৱন্ত ছবি। কোমল শব্দ চয়ন, যথাৰ্থ-শব্দোচ্চাৰণ, অনুভূতিৰ তীব্ৰতম প্ৰকাশ আৰু ওপজা মাটিৰ মৌ-মিঠা গোন্ধ তেওঁৰ গীতৰ অন্যতম বৈশিষ্ট্য। সেয়ে তেওঁৰ প্ৰতিটো গীতেই চিৰসেউজ, কালোত্তীৰ্ণ, যুগোত্তীৰ্ণ গীত। তেওঁৰ গীত শুনিলে শ্ৰোতাৰ মন দাপোনত ছবি এখন ভাহি উঠে। -

"শীতৰে সেমেকা ৰাতি
বস্ত্ৰ বিহীন কোনো খেতিয়কৰ
ভাগি পৰা পজাঁটিৰ
তুঁহ জুই একুৰাৰ উমি উমি জ্বলি থকা
ৰক্তিম যেন এটি উত্তাপ হওঁ"-

ইয়াত শীতত ঠেৰেঙা লগা জাৰত উমাল কাপোৰ অবিহনে কঁপি থকা খেতিয়কজনৰ ছবি স্বতস্ফুট ভাবে ভাঁহি উঠাই নহয়, সেই নিঃস্ব, কাঙাল খেতিয়ক জনৰ প্ৰতি অকৃত্ৰিম দৰদো ওপজে। গায়কৰ দৰেই শ্ৰোতাৰো খেতিয়ক জনৰ প্ৰতি কিবা এটা কৰাৰ, কিবা এটা দিয়াৰ হেঁপাহ জাগি উঠে।

জ্যাতিভিমান, মিছা-দম্ভ-অহংকাৰ, উচ্চ-নীচৰ ভেদা-ভেদে সমাজৰ কৌটিকলীয়া সম্প্ৰীতিৰ এনাজৰী ডাল বাৰে বাৰে চিঙিব খোজে। জাতি-ধৰ্মৰ ভেদা-ভেদে প্ৰগতিৰ অন্তৰায় হৈ থিয় দিয়ে। এচামে এইবোৰকে লৈ ধৰ্মৰ বেপাৰী হৈ বৰঘৰৰ বৰপেৰাত ধনৰ টোপোলা সাচে। সঁচা শিল্পী এইবোৰ দেখি প্ৰতিবাদী হৈ উঠে। ঐক্যৰ এনাজৰী কুটিব খোজা, সম্প্ৰীতিৰ এনাজৰী কুটিব খোজা সমাজৰ এই নিগনি সদৃশ ব্যক্তিবোৰক ৰঙা চকু দেখুৱাই প্ৰতিবাদ কৰে। সেই প্ৰতিবাদ কথাৰে, কামেৰে, গীতেৰে, কবিতাৰেও হ'ব পাৰে। আস্থাহীনতাৰ বিপৰীতে গভীৰ আস্থাৰ গীত গাই শ্ৰোতাৰ হৃদয় সিংহাসনত আৰোহণ কৰা ভূপেনদাই যুৱক প্ৰশান্ত দাস আৰু যুৱতী অনামিকা গোস্বামীক প্ৰতিকী অৰ্থত উপস্থাপন কৰি তেওঁলোকৰ প্ৰেমক স্বীকৃতি দি জাতি ভেদৰ প্ৰাচীৰ ভঙাৰ প্ৰয়াস কৰিছিল এনেদৰে

"একৈশ শতিকাৰ প্ৰথম পুৱাৰ জিলিকনি
চাবলৈ আছোঁ বাট চাই
উনবিংশ শতিকাৰ ধ্যান ধাৰণাই বিংশ শতিকাত
শোভা নাপায়।"

সংঘাতে অনা প্ৰগতিৰ নতুন দিগন্তৰ নতুন উত্তাপ লৈ অফুৰন্ত আশাৰে আৰু সাহস ভৰা কণ্ঠেৰে সুত খোৰ মহাজনৰ বিপৰীতে থিয় দি তেওঁ আৰ্ত, নিঃস্ব খেতিয়ক জনৰ পক্ষত থিয় দি গাইছে-

"ধান নিদিওঁ ঋনো নলওঁ
সুদ নিদিওঁ আৰু
মহাজনৰ নিঠুৰ বুধি
সহোঁ কেলেই বাৰু?
বহুতো যে ঘাম সৰালোঁ
তেজো বুকুৰ বহুত দিলোঁ
কাচিখনত শাল দিলোঁ
সাহস ভৰি পৰে।"

এই সাহসৰ বীজ মন্ত্ৰই বহু দিশহাৰা কৃষকক পথ দেখুৱাই। এই সাহসৰ বীজ মন্ত্ৰক গুপুতে আলিংগন কৰি জীয়াই থকাৰ সংগ্ৰামখনিত আগুৱান হ'বলৈ প্ৰেৰণা পায়।

ভূপেনদাৰ এনে অজস্ৰ সৃষ্টি আছে য'ত সহস্ৰ জীৱন দায়িনী শক্তি আছে। আত্মমনোবল হেৰুৱাই জীৱনটোৰ প্ৰতি মোহ ভঙ্গ হোৱা জনকো তেখেতৰ গীতে পুনৰায় প্ৰবল সংগ্ৰামী আৰু অগ্ৰগামী কৰি তুলিব পাৰে। তেওঁৰ লক্ষ্যই আছিল এখনি ধৰা যি মাথোঁ জ্যোতিষ্মান। আজীৱন উৰণীয়া মৌ হৈ ধৰাৰ দিহিঙে দিপাঙে লৰৰি ফুৰা যাযাবৰ শিল্পীজন যে লক্ষ্যবিহীন নাছিল মানৱ সাগৰত সাঁতুৰি নাদুৰি সঁচা মুকুতাহে বুটলি ফুৰিছিল সেয়া তেওঁ নম্ৰতাৰে অকপটে স্বীকাৰোক্তি দিছে এনেদৰে -"আন এবিধ যাত্ৰীয়ে আকৌ মানৱ সাগৰৰ পাৰে পাৰে চিকমিকাই থকা অৰ্থহীন শামুকৰ খোলা আৰু ভগা-ছিগা চিচাৰ টুকুৰাবোৰেৰে মোনাখনি নভৰাই সাগৰত নামি সাঁতুৰি-নাদুৰি সঁচা মুকুতা বিচৰাৰ নম্ৰ প্ৰয়াস কৰে- নম্ৰ প্ৰয়াস। তাকে হয়তো আজীৱন ময়ো কৰি যোৱাৰ চেষ্টাত আজিও ধাৱমান-মোৰ লক্ষ্যঃ এখনি ধৰা যি মাথোঁ জ্যোতিষ্মান।" (দিহিঙে দিপাঙে- সাগৰ সংগমত কতনা সাঁতুৰিলোঁ)

পৰিধি নমনা তেখেতৰ চিন্তাই অকল যে গৃহভূমিৰ নিপীড়িত, নিঃস্ব সকলৰ বাবেই হাহাকাৰ কৰি উঠিছিল তেনে নহয় বহু বিদেশৰ বনুৱা দেখি, ক্ৰীতদাস দেখি তেওঁ চিন্তিত হৈ পৰিছিল। গীতেৰেই তেওঁ কৈ গৈছে-

"বহু দেশে দেশে গৃহদাস দেখি চিন্তিত হওঁ বৰ
মনৰ মানুহ বহুতেই দেখোঁ ঘৰতে হৈছে পৰ।"

মুঠৰ ওপৰত তেওঁৰ গীতত মানুহৰ কল্যাণ সাধনৰ চেষ্টা সদায় অবিৰত। তেখেতৰ গনমুখী চিন্তা চেতনাৰ বাবেই জীৱন কালতেই কিংবদন্তী পুৰুষলৈ উত্তৰণ ঘটিছিল। আমাৰ এই চমু আলোচনাত হাজৰিকা দেৱৰ থাউকতে পোৱা মাত্ৰ কেইটিমান গীতহে তুলি ধৰা হৈছে। ইয়াৰ বাহিৰেও তেখেতৰ প্ৰতিটো গীতেই সমাজখনক একো একোটা বাৰ্তা দি যায়। সেয়ে লুইত থাকে মানে, অসমীয়া ভাষা থাকে মানে, অসমীয়া জাতি থাকে মানে ভূপেন হাজৰিকাও অসমীয়াৰ হিয়াৰ আমঠু হৈ জ্যোতিষ্মান হৈ থাকিব। তেখেতৰ সুৰৰ পানচৈত উঠিয়েই নতুন গীতিকাৰে ন-কৈএডৰা গানৰ বীজ গজাব। যি গানে অসমীয়া জাতিক জগাব। চেতনাৰ স্ৰোতত নতুনৰ লহৰ তুলিব।

# ভূপেন হাজৰিকা আৰু তেখেতৰ গীতত ব'হাগ

**অজিত বৰুৱা**

প্ৰকৃতি আৰু মানৱৰ মাজত থকা নিবিড়তাৰ ফলত সৃষ্ট সংস্কৃতিয়ে প্ৰতিটো সভ্যতাকে দিছে প্ৰাণ প্ৰাচুৰ্যতা। ভাৰতীয় সভ্যতাৰ বৰ্ণময় স্বৰূপ সংস্কৃতিৰ মাজেৰে মূৰ্ত হৈ উঠিছে। অসমীয়া সংস্কৃতিৰ মননশীল বিকাশত বিহুৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। জাতীয় জীৱনৰ উচ্ছাহ, আশা-আকাংক্ষা, ৰং-আনন্দ, আৱেগ অনুভূতিৰ লগত বিহু ওতপ্ৰোতভাৱে জাড়ত। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক-কৃষ্টিৰ মাজত বিহুৰ এক অনন্য বৈশিষ্ট্য আছে। সেই বাবেই আমাৰ লোকপৰম্পৰা, লোকবিশ্বাস আৰু সাংস্কৃতিক মনৰ সমুজ্জ্বল ৰূপ বিহুৰ মাজেৰে উজ্জীৱিত হৈ পৰিছে।

ব'হাগ বিহুৰ সংগীত, নৃত্য, আচাৰ অনুষ্ঠানে অসমীয়া মানুহৰ গতিশীল জীৱনশৈলী আৰু দৰ্শন স্বৰূপাৰ্থত বহন কৰিছে। সেইবাবে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই বিহুৰ মাজেৰে অকল যে আমাৰ সাংস্কৃতিক জীৱনবোধে নহয়, অসমীয়া মানুহক উদ্দীপ্তভাৱে আগুৱাই যাবলৈ প্ৰেৰণা যোগাই আহিছে, সেই কথা তেওঁ সংগীতৰ মাজেৰে প্ৰকাশ কৰিছে।

বিহু অসমীয়া জাতিৰ আত্মশক্তি, জাতিটোৰ সৃজনীমনৰ প্ৰকাশ, তেনে এক দৃষ্টিভংগীৰে সংগীত ৰচনা কৰি সকলোকে নৱ চিন্তাৰে আগুৱাই যোৱাৰ পথ দেখুৱাই গৈছে। ভূপেন হাজৰিকাৰ জীৱন তৃষ্ণা আছিল সৃষ্টিৰ। সেইবাবে বিহুৰ মাজেৰে নিগৰিত অগ্নিমন্ত্ৰক জনসমাজলৈ নিয়াৰ বাবে প্ৰয়াস কৰিছিল। বিহুক তেওঁ জীৱন দৃষ্টিৰে চাইছিল। জাতীয় জীৱনক অনুপ্ৰাণিত কৰিব পৰা বিহুৰ যি শক্তি সেয়া তেওঁ জনমানসলৈ নিব বিচাৰিছিল। ভূপেন হাজৰিকাই গাইছিল-

বিহুটি বছৰি আহিবা
অসমী আইক জগাবা।
বিপদৰ কালতো মাহ হালধিৰে
জাতিটোৰ দেহ-মন ধুৱাবা।

সংস্কৃতিৰ মাজত এটা জাতিক জাগৰিত কৰাৰ শক্তি যে নিহিত থাকে, সেই কথা হাজৰিকাদেৱে গভীৰভাৱে উপলব্ধি কৰিব পাৰিছিল। সংস্কৃতি এক বাহ্যিক আভৰণ নহয়, অন্তৰাত্মাৰ আহ্বান তেনে গভীৰ দৰ্শনমূলক দৃষ্টিভংগীৰে বিহুৰ তাৎপৰ্য জনসমাদৃত কৰিব বিচাৰিছিল। কৃষি ভিত্তিক উৎসৱ বিহুৰ মাজেৰে কৰ্ম সংস্কৃতিৰ নিদৰ্শন বিচাৰি পোৱা যায়। অসমীয়া কৃষিজীৱী লোকৰ মনৰ অনুৰণন প্ৰকাশ কৰিবলৈ সেইবাবে গাইছিল—

বিহুটি ঐ কাবৌ কৰিছো, হাতযোৰ কৰিছো
জাতিটোক শাক-ভাত খুৱাবা
অসমীয়া জাতিটোক শাক-ভাত খুৱাবা।

ভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক সমলৰ মাজেৰে বিহুৱে নিটোল ৰূপ ধাৰণ কৰিছে। ফলত বিহু জাতীয় ঐক্যৰ সেতুলৈ ৰূপান্তৰিত হৈছে। সংস্কৃতিয়ে সদায়ে সুন্দৰৰ সন্ধান কৰিবলৈ শিকায়। প্ৰকৃততে সংস্কৃতি হৈছে সুন্দৰৰ মন্ত্ৰ। মানুহৰ মনন জগতক কৰ্ষণ কৰি আলোকময় পথ প্ৰদৰ্শন কৰে। ভূপেন হাজৰিকাই অনুধাৱন কৰিছিল বিহুৰ মাজত প্ৰৱাহিত চেতনাই জাতিটোৰ মাজত ঐক্যৰ এনাজৰী অধিক নিকপকপীয়া কৰিব পাৰে। বিহুৰ মাজেৰে নিগৰিত সেই চেতনাক তেওঁ প্ৰকাশ কৰিছিল এনেদৰে —

মৰমৰ দীঘ দি হেঁপাহৰ আঁচুৰে
একতাৰ গামোচা বোৱাবা।

যুৱ প্ৰজন্মৰ প্ৰতি সুধাকণ্ঠৰ আছিল গভীৰ অনুৰাগ। উঠি অহা চামক মূল্যবোধৰ আধাৰত আগুৱাই নিয়া, গভীৰ আত্মপ্ৰত্যয় দিব পৰা ক্ষমতা বিহুৰ মাজত প্ৰতিফলিত হয় আত স্বাচ্ছন্দ্যৰে। হাজাৰ হাজাৰ বছৰ ধৰি সংমিশ্ৰণ আৰু ৰূপান্তৰৰ মাজেৰে বিহুৱে প্ৰতি বছৰে চিৰ তৰুণ ৰূপেৰে আত্মপ্ৰকাশ কৰে। সূৰুজৰ দৰে আলোকময় কৰি তোলে বিশ্ব মানৱক। সেইবাবে হাজৰিকাদেৱে কৈছিল—

এই ব'হাগ জ্বলন্ত অৰুণ
এই ব'হাগ দুৰন্ত তৰুণ

বসন্তৰ প্ৰতিশ্ৰুতি ভৰা সময়ৰ মাজেৰে ব'হাগ আহে। ন ৰূপৰে ধৰিত্ৰীয়ে মানুহক দিয়ে প্ৰত্যাশা। পুৰণি দিন ইতিহাসৰ অংগ হৈ পৰে। প্ৰতিটো ব'হাগে কিছু এৰি যায় প্ৰেৰণাৰ এক দলিল হিচাপে, দিয়ে সম্ভাৱনাৰ নতুন দুৱাৰ। আজিৰ ব'হাগে মানুহৰ হৃদয়বৃত্তক জোকাৰি যাব পৰা নাই নেকি, তেনে চিন্তাও হাজৰিকাদেৱৰ মনত আহিছিল। সেয়া যেন তেওঁৰ সংগীততে প্ৰকাশ—

পুৰণি ব'হাগ ক্লান্ত আছিল
পুৰণি চিন্তা অশান্ত নাছিল
আজিৰ ব'হাগ যেন বলিয়া বসন্ত
থিয় হৈছে হৈ এক তৰুণ দুৰন্ত।

ৰঙালী বিহুৰ সৈতে বৰদৈচিলাৰ সম্পৰ্ক অতি নিগূঢ়। হাজৰিকাদেৱে বৰদৈচিলাক দুৰন্ত শক্তি হিচাপে দেখুৱাইছে। মানুহক সংস্কাৰ কৰিব পৰা ক্ষমতা বৰদৈচিলাৰ আছে। প্ৰতীকি অৰ্থত হাজৰিকাদেৱে বৰদৈচিলাক ব্যৱহাৰ কৰিছে। অসমীয়া মানুহক আত্মবিশ্লেষণ কৰাৰ আহ্বান দেখা যায়। ব'হাগতে জাতিয়ে চিন্তা কৰিব লাগিব, কিদৰে শক্তিশালী হ'ব পৰা যায়। সেইবাবে তেওঁ গীতত এই আহ্বান জনাইছে—

বৰদৈচিলা নে সৰুদৈচিলা নে
অসমৰ আকাশত বৰ বৰ চিলা.....
সৌবোৰ ঠোঁট যেন তেজহে সনা
শেন যেন লাগিছে চকুৰে নমনা
অসমীয়াই এইবাৰ ভাবি চাৱৰ
ব'হাগেই বছৰ কিজানি

বিশিষ্ট সাহিত্যিক, সাংবাদিক কনকসেন ডেকাই সেইবাবেই কৈছে যে অকল সিয়েই নহয়, আগতে বৰদৈচিলাজনী আহিছিল আৰু অসমীয়া মানুহক সাহস যোগাইছিল। এতিয়া তাই বছৰেকৰ মূৰত আহে আৰু যায়, অসমীয়াৰ মনটোত থিতাপি নলয়। ব'হাগত নতুন সমাজ গঢ়াৰ বাবে আগতে যিদৰে অসমীয়াসকল প্ৰতিশ্ৰুতিবদ্ধ হৈছিল, সেই পৰম্পৰা যেন হেৰাই গৈছে।

হাজৰিকাদেৱে বিহুৰ মাজত প্ৰতিফলিত প্ৰেমৰ স্বৰূপ অনন্য ৰূপত প্ৰকাশ কৰিছে। তেওঁৰ সৃষ্টি আৰু চেতনাৰ মাজত বিহু এক আশা, ৰূপান্তৰমুখী শক্তি, জাতিটোক প্ৰাণ-প্ৰাচুৰ্যৰে পূৰ্ণ কৰিব পৰা চেতনাৰ স্ফুলিঙ্গ। অসমীয়া মানুহৰ জীৱনশৈলীক প্ৰভাৱিত কৰি অহা বিহু জাতিটোৰ প্ৰেৰণাৰ উৎস হৈ থকাটো বিচাৰিছিল হাজৰিকাদেৱে।

## সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ গীতত

# সৃষ্টিশীলতা আৰু সচেতনতা, দায়িত্ব, কৰ্তব্য তথা দায়বদ্ধতাৰ এক সামগ্ৰিক পৰ্যালোচনা

**নিবেদিতা হাজৰিকা**

ভাৰতৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ গীতত সৃষ্টিশীলতা আৰু সচেতনতা, দায়িত্ব, কৰ্তব্য তথা দায়বদ্ধতাৰ এক সামগ্ৰিক পৰ্যালোচনা

ড° ভূপেন হাজৰিকা দেৱ - যাৰ নামেই পৰিচয়। এইগৰাকী মহান শিল্পী, গায়ক, সুৰকাৰ, গীতিকাৰ তথা সাহিত্যিক সমগ্ৰ বিশ্বতে বন্দীত। কেৱল অসমতে নহয়, ভাৰতৰ অন্যতম শ্ৰেষ্ঠ শিল্পী, সাহিত্যিক আৰু সংগীতজ্ঞ হিচাপেও তেখেত আছিল সু-পৰিচিত। এইজনা বহুমুখী প্ৰতিভাৰ অধিকাৰী ড° ভূপেন হাজৰিকা দেৱৰ সৃষ্টিৰাজিয়ে অসমীয়া সংস্কৃতিত যি অবদান আগবঢ়াইছে সেই অবদানৰ কথা কৈ শেষ কৰিব নোৱাৰি। বিংশ শতিকাত অসমীয়া সংস্কৃতিৰ বিজয়ধ্বজা বিশ্বৰ আগত নিৰ্ভীক চিন্তাৰে আগুৱাই নিবলৈ প্ৰয়াস আৰু চিন্তা কৰা, দেশৰ সাংস্কৃতিক ইতিহাসৰ অত্যুঁজ্বল নক্ষত্ৰ স্বৰূপ আছিল ড° ভূপেন হাজৰিকাদেৱ। তেখতৰ অমৰ সৃষ্টিৰাজিয়ে অসমীয়াক সমৃদ্ধ কৰিছে। আমি সকলোৱে সেয়ে তেখেতৰ সেই অমূল্য সৃষ্টিৰাজিক উপযুক্ত সন্মান জনাবলৈ শিকা উচিত।

ড° ভূপেন হাজৰিকাদেৱ আছিল এজন প্ৰতিভাধৰ সৃষ্টিকাৰী। তেখেত আছিল এজন অত্যন্ত সৃষ্টিশীল গায়ক, গীতিকাৰ, সুৰকাৰ তথা সংগীত পৰিচালক। যাৰ সৃষ্টিশীলতাই তেখেতক 'সুধাকণ্ঠ' হিচাপে খ্যাত কৰি তুলিছিল। তেখেতৰ সৃষ্টিশীলতা সৰুতেই আৰম্ভ হৈছিল। ১০ বছৰ বয়সতে তেখেতে 'জয়মতী' ছবিখনৰ বাবে প্ৰথম গান লিখিছিল আৰু গাইছিল। তেখেতৰ সৃষ্টিশীলতাৰ ফলস্বৰূপেই তেখেতে ১৫০০ ৰো অধিক গান ৰচনা কৰি এক প্ৰকাৰ অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল, যি আছিল তেখেতৰ সংগীত জগতৰ এক বিশাল অৱদান। তেখেতৰ সুৰ আৰু গীতৰ কথা আছিল সম্পূৰ্ণ নিজা শৈলীৰ, যিয়ে তেখেতক এক বিশেষ স্থান প্ৰদান কৰিছিল। তেখেতৰ গীত সমূহে অসমৰ চাৰিসীমা অতিক্ৰমী ভাৰতৰ অন্যান্য অঞ্চলৰ মাজত এক সাংস্কৃতিক সেতুবন্ধনৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

অসম তথা ভাৰতীয় সংগীত জগতলৈ এক বিপুল আৰু অমূল্য অৱদান আগবঢ়াই যোৱা এই সুৰ সম্ৰাট জনে তেখেতৰ সৃষ্টিশীলতাৰ প্ৰমাণ যে কেৱল গীতৰ ক্ষেত্ৰত হে দেখুৱাবলৈ সক্ষম হৈছিল এনে নহয়। গীতৰ উপৰিও তেখেতে তেখেতৰ শিল্প নৈপুণ্যতা লিখনি আৰু অন্যান্য শিল্পৰ জৰিয়তেও প্ৰকাশি উঠিছিল, যি তেখেতৰ সৃষ্টিশীলতাৰ এক বিশেষ দিশ। বিষয় বৈচিত্ৰ্য, কাব্যিক সৌন্দৰ্য, সামাজিক অনুপ্ৰেৰণা, অসমীয়া সংস্কৃতিৰ প্ৰতিফলন, শক্তিশালী শব্দ চয়ন তথা মন চুই যোৱা সুৰৰ ব্যঞ্জনা - এই সমূহে শিল্পী গৰাকীৰ শৈল্পিক নৈপ্যুণ্যতাকে প্ৰমাণ কৰিছে, অনন্য কৰি তুলিছে তেখেতৰ সৃষ্টিশীলতাক। এই কথা অনস্বীকাৰ্য যে তেখেতৰ সৃষ্টিশীলতা সাংস্কৃতিক সেতুবন্ধনৰ এক শক্তিশালী মাধ্যম আছিল, যিয়ে বিভিন্ন সংস্কৃতিৰ মাজত সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছিল। এক অনন্য প্ৰতিভাৰ অধিকাৰী সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ গীত, সংগীত তথা মানৱতাবাদৰ বাৰ্তাত সৃষ্টিশীলতাৰ অপূৰ্ব প্ৰকাশ ঘটা দেখিবলৈ পোৱা গৈছিল। উল্লেখ্য যে অসমীয়া সংস্কৃতিত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হোৱা তেখেতৰ সৃষ্টিৰাজিৰ মাজেৰে তেখেতৰ দৰ্শন তথা বিশ্বাস সমূহ প্ৰকাশি উঠিছিল। লোক সংগীতৰ সুৰক আধুনিক গীতত প্ৰয়োগ কৰাৰ ক্ষেত্ৰত শিল্পী গৰাকী অতিশয় নিপুন আছিল। গীতৰ কথাৰ সৈতে স্বতঃস্ফূৰ্ত ভাৱে সুৰ খাপ খাই পৰেহি। খাটি খোৱা মানুহৰ প্ৰাণৰ সুৰবোৰকেই তেওঁ বুটলি লৈছিল আৰু সেই লোক -সুৰ আৰু লোক-কথাকে নিজৰ অপৰিসীম সৃষ্টিশীলতাৰে গণ -সংগীতলৈ ৰূপান্তৰ কৰিছিল। তেখেতৰ সৃষ্টিশীলতা অসমীয়া লোক সংস্কৃতিৰ এক উজ্জ্বল প্ৰতীক। তেখেতে সৃষ্টিশীলতাৰ মাধ্যমেৰে অসমৰ মানুহৰ আশা-আকাংক্ষা, দুখ- কষ্ট তথা সমাজৰ বিভিন্ন দিশ সমূহ উন্মোচিত কৰিবৰ প্ৰয়াস কৰিছিল। তেখেতৰ সৃষ্টিশীলতাই অসমীয়া সংগীত তথা সংস্কৃতিৰ এক নতুন দিগন্ত মুকলি কৰিছিল।

এই জীৱন্ত কিংবদন্তী পুৰুষ জনৰ সৃষ্টিৰাজিৰ প্ৰতি আজিৰ নৱপ্ৰজন্মৰ কিমান উৎসাহ বা আগ্ৰহ, সি এক ডাঙৰ প্ৰশ্ন। অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰা তেখতৰ সৃষ্টিৰাজিৰ প্ৰতি বা কাম-কাজৰ প্ৰতি নৱ প্ৰজন্ম উৎসাহী আৰু আগ্ৰহী হোৱাটো নিতান্তই প্ৰয়োজন। এই কথা অনস্বীকাৰ্য যে এই স্বনামধন্য শিল্পী গৰাকীৰ শিল্পী সত্ত্বাক, সৃষ্টিৰাজিক ৰাইজে অতি গভীৰ ভাৱে সন্মান তথা শ্ৰদ্ধা কৰে। তেখতৰ সৃষ্টিৰাজিয়েও জনসাধাৰণৰ হৃদয়ত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। শিল্পী গৰাকীয়ে অসমীয়া সাহিত্য-সংস্কৃতিলৈ যি অবদান আগবঢ়াই থৈ গৈছে সেই অবদানৰ কথা সকলোৱে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে আৰু সাধাৰণ জনতা তথা চৰকাৰেও তেখেতৰ সৃষ্টিৰাজি আৰু প্ৰসাৰিত কৰিবৰ বাবে বিভিন্ন সময়ত বিভিন্ন কাৰ্যসূচী হাতত লৈছে।

জনতাৰ শিল্পী গৰাকীৰ সৃষ্টিৰাজিৰ লগত চিনাকি কৰি দিবলৈও ভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। কিয়নো ভূপেন হাজৰিকাদেৱৰ দৰে এজন মহান শিল্পীৰ বিষয়ে জনাটো বা অসমীয়া জাতি, মাটি -ভেঁটিৰ লগত তেখেতৰ সম্পৰ্কৰ বিষয়ে জনাটো উঠি অহা প্ৰজন্মৰ বাবে খুবেই দৰকাৰী। আমি সকলোৱে এক সংকল্প লোৱা উচিত যি সংকল্পই আমাক সংগীত, শিল্প তথা সাংস্কৃতিক প্ৰসাৰৰ বাবে যুৱ প্ৰতিভাক উৎসাহিত কৰাৰ লগতে ভাৰতক সৃষ্টিশীলতা আৰু শিল্প কলাৰ উৎকৰ্ষৰ আখৰা থলী হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰিব। অৱশ্যে সময়ে -সময়ে একাংশ তৰুণ প্ৰজন্মৰ এই দিশ সমূহৰ প্ৰতি উদাসীনতা দেখা যায়। এনে উদাসীনতা কেৱল এক দুখৰ বিষয়েই নহয়, তেখেতৰ কাম -কাজৰ প্ৰতি উদাসীনতা অসমীয়া সংস্কৃতিৰ এক নিৰ্দিষ্ট অংশৰ প্ৰতি উপেক্ষা হিচাপে পৰিগণিত হ'ব। ভূপেন হাজৰিকা দেৱৰ সৃষ্টি আৰু দৰ্শনক নৱ-প্ৰজন্মৰ একাংশই উপেক্ষা কৰা বা উদাসীনতা প্ৰদৰ্শন কৰা বিষয়টোৱে এক হতাশজনক পৰিস্থিতিৰ সৃষ্টি কৰাৰ আশংকা নুই কৰিব নোৱাৰি। নৱ প্ৰজন্মৰ মাজত শিল্পী গৰাকীৰ কৰ্মৰাজিৰ বিষয়ে সঠিক শিক্ষা আৰু তথ্যৰ অভাৱে তেওঁৰ সৃষ্টিৰ গুৰুত্ব বুজাত বাধাৰ সৃষ্টি কৰিছিল। তেখেতৰ বহু যুগান্তকাৰী ৰচনা বা সৃষ্টিৰাজিৰ বিষয়ে নৱপ্ৰজন্মৰ বহুতেই পৰিচিত নাছিল বা পৰিচিত নহয়। যাৰ ফলত তেখেতৰ সংগীতৰ গভীৰতা তথা অসমীয়া সংস্কৃতিৰ গুৰুত্ব অনুধাৱন কৰিবলৈ একাংশ নৱপ্ৰজন্ম অক্ষম। বিভিন্ন দেশী- বিদেশী সংগীতৰ ধাৰা, বিশেষকৈ পশ্চিমীয়া আৰু দক্ষিণ ভাৰতীয় সংগীতৰ প্ৰভাৱে অসমীয়া সংগীতৰ ৰুচি সলাই পেলোৱাৰ ফলত অৰ্থাৎ এই সমূহৰ প্ৰতি অত্যধিক আগ্ৰহৰ ফলস্বৰূপে নৱপ্ৰজন্ম এনে এজন মহান শিল্পীৰ সৃষ্টিৰাজিৰ প্ৰতি আগ্ৰহী আৰু আকৰ্ষিত হোৱাত বাধাৰ সৃষ্টি নোহোৱা নহয়।

নৱ প্ৰজন্মৰ একাংশৰ বাবে এই বিষয়বোৰ অৰ্থহীন যেন অনুভৱ হ'লেও আন একাংশই আকৌ এই সমূহৰ চৰ্চা অব্যাহত ৰাখিছে। শিল্পী গৰাকীৰ গীত, সাহিত্য তথা দৰ্শনে নৱ প্ৰজন্মৰ বাবে এক নতুন চিন্তাৰ পথ দেখুৱাইছে, যাৰ ফলত তেখেতৰ কৰ্মৰাজিৰ এক নতুন দিগন্ত উন্মোচিত হোৱা পৰিলক্ষিত হৈছে।

নৱপ্ৰজন্মই তেখেতৰ গীত সমূহৰ মাধ্যমেৰে অসমীয়া সংস্কৃতিৰ সৈতে সংযোগ স্থাপন কৰি তেখেতৰ জীৱনৰ আদৰ্শ, সামাজিক ন্যায়ৰ প্ৰতি থকা দায়বদ্ধতা আৰু একতা ভাৱক প্ৰচাৰ কৰাৰ বাবে তেখতক শ্ৰদ্ধা কৰে। নৱ প্ৰজন্মৰ মাজত এই গীত সমূহে সামাজিক ন্যায়, মানৱীয়তা তথা একতাৰ ভাৱ প্ৰচাৰ কৰে বাবে তেওঁলোক এই সমূহৰ প্ৰতি আগ্ৰহী আৰু সমাজত এনে ধৰণৰ বাৰ্তা সমূহ বিলাই দিয়াৰ ক্ষেত্ৰত তৎপৰ আৰু সচেতন।

স্বনামধন্য শিল্পী গৰাকীৰ কৰ্মৰাজি নৱ প্ৰজন্মৰ বাবে এক শক্তিশালী প্ৰেৰণাৰ উৎস হৈ আছে বা শক্তিশালী উৎস হৈ পৰিছে। শিল্পী গৰাকীৰ গীত সমূহ অসমীয়া সংস্কৃতি তথা সমাজৰো অবিচ্ছেদ্য অংগ স্বৰূপ। নৱ প্ৰজন্মই এই ঐতিহ্যক নিজৰ কৰ্মৰাজিৰ মাধ্যমেৰে আগুৱাই লৈ যোৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে। এই সমূহৰ উপৰিও সামাজিক মাধ্যমৰ জৰিয়তে তেখেতৰ গীত, তেখেতৰ জীৱন সম্পৰ্কীয় তথ্য আদি নতুন প্ৰজন্মৰ মাজত বিয়পাই দিয়াৰ প্ৰয়াস কৰিছে। নৱ প্ৰজন্মৰ এনে প্ৰয়াস সঁচাই আদৰণীয় আৰু প্ৰশংসনীয়। শিল্পী গৰাকীৰ সৃষ্টিৰাজি, গীত-মাত আদি উদ্ধাৰ কাৰ্যত বহু নৱ প্ৰজন্ম নিয়োজিত হৈ আছে।

তেখেতৰ গীতৰ গভীৰ অৰ্থ, সামাজিক ভাষ্য তথা মানৱীয় আবেদনে নৱ প্ৰজন্মক আকৰ্ষিত কৰে। সামাজিক মাধ্যমৰ সহজলভ্যতাৰ বাবে তেওঁলোকে ইয়াক নতুন ৰূপ দিবলৈও সক্ষম হৈছে আৰু সকলোৱে এই সমূহ আদৰি লৈছে।

তেখেতৰ গীত সমূহ অসমীয়া সংস্কৃতিৰো এক গুৰুত্বপূৰ্ণ অংশ, যাৰ জৰিয়তে নৱ প্ৰজন্মই নিজৰ ঐতিহ্যৰ সৈতে সহযোগ স্থাপনৰ সুবিধা লাভ কৰিবলৈ সক্ষম হয়। স্মতব্য যে তেখেতৰ জীৱনৰ প্ৰেৰণাদায়ক দিশ সমূহ নৱ প্ৰজন্মৰ বাবে সদায়ে আদৰণীয় আৰু আকৰ্ষণৰ বিষয়। নৱ প্ৰজন্মই শিল্পী গৰাকীৰ গীত-মাত বা অন্যান্য সৃষ্টিৰাজিৰ জৰিয়তে জনজাতীয় ভাষাক সন্মান জনোৱা, মানৱীয়তা তথা সামাজিক ন্যায়ৰ বাৰ্তা জনসাধাৰণলৈ প্ৰেৰণ কৰিব পাৰে বা গীত সমূহৰ অৰ্থ বুজি, সেই সমূহৰ মাধ্যমেৰে জনসাধাৰণক অনুপ্ৰাণিত কৰাৰ লগতে তেখেতৰ চিন্তা-ভাৱনাক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

কালজয়ী সৃষ্টিৰাজিৰে অসমীয়া জাতিসত্ত্বাক সমৃদ্ধ কৰা মহান মনীষী সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ সৃষ্টিৰাজিৰ প্ৰতি আমি সকলোৱে শ্ৰদ্ধাশীল হোৱা উচিত আৰু বৰেণ্য শিল্পী গৰাকীৰ সোণসেৰীয়া সৃষ্টিৰাজি সমূহ সংৰক্ষণ কৰিবলৈ আগ্ৰহী হোৱা উচিত।

# 'ৰৈ ৰৈ বিনালে' বোলছবিখনৰ প্ৰসঙ্গত কিছু কথা

কিছু কিছু মন্তব্য দিবলৈ যোৱাৰ পূৰ্বেই অথবা এটি সূক্ষ্ম বিশ্লেষণ আগবঢ়োৱাৰ আগতেই সংক্ষেপতে ক'ব পাৰি যে ছবিখন যথাৰ্থতেই ভাল হৈছে। ইয়াৰ মানে এইটো নহয় যে বিগত তিনিকুৰি বছৰৰো অধিক কালত ভিন্নজন নামী-দামী, যশস্বী আৰু দক্ষতাসম্পন্ন প্ৰযোজক, পৰিচালক আৰু কাহিনীকাৰৰ নানান মুগ্ধকৰ বোলছবি ইতিমধ্যে অসমৰ ছবিগৃহসমূহত দীৰ্ঘদিন ধৰি প্ৰদৰ্শিত হৈ গ'ল, সেই সকলোবোৰ ছবিকেই চেৰ পেলাই একেবাৰে শীৰ্ষস্থানত অৱতীৰ্ণ হৈছে এয়া নহয়, এইখনে অৱশ্যে অন্যতম শীৰ্ষস্থান লাভ কৰিবলৈও সক্ষম হৈছে।

জুবিন গাৰ্গৰ মৃত্যুৰ লগে লগে 'ৰৈ ৰৈ বিনালে' ছবিখনৰ বিষয়ত মানুহৰ মুখে মুখে অনেক উচ্চ প্ৰশংসিত কথা-বতৰা আমি শুনিবলৈ পালোঁ। লগতে এয়াও শুনিলো যে ছবিঘৰৰ পৰা ওলায়েই বা ছবিখনৰ দৰ্শনী চলি থকা অৱস্থাতেই বহু দৰ্শকে চকুপানী টুকা অৱস্থাত পতিত হৈছে। জুবিন গাৰ্গ যদি জীয়াই আছে বুলি ধৰি লৈ ছবিখন মানুহে উপভোগ কৰে তেন্তে দুঃখ পাব লগা বা কান্দিব লগা কোনো কথা কাহিনীভাগত প্ৰকাশ পোৱা নাই। 'ৰৈ ৰৈ বিনালে' ছবিখনৰ পৰিকল্পিত কাহিনীটো বৰ সৰল আৰু শক্তিশালী নহয়। বাস্তৱক্ষেত্ৰত আমি দেখিবলৈ পাও যে মানুহৰ মাজত যিকোনো পৰিৱেশতে আজিকালি প্ৰতিযোগিতা থাকেই। সাহিত্য-কলা, শিল্প-সাংস্কৃতিক জগতত আজিকালি প্ৰতিটো দিশতে যেনেদৰে প্ৰতিযোগিতা থাকে তাৰ সমান্তৰালকৈ ঈৰ্ষা, হিংসা, প্ৰত্যাহ্বান আদিও থাকে। তেনে একোখনি খণ্ড ছবিয়েই বোলছবিখনৰ কাহিনীৰ আধাৰত প্ৰতিভাত হৈ পৰিছে। অন্যান্য গল্প, উপন্যাস আৰু নাট্য কাহিনীৰ জুমুঠিত থকাৰ দৰে প্ৰেম বিৰহৰ বেদনাদায়ক চিত্ৰ উদ্ভাসিত হোৱাৰ দৰে 'ৰৈ ৰৈ বিনালে' ৰ কাহিনীও বিশেষ ব্যতিক্ৰমী নহয়। এনেধৰণৰ বহু সৰল ৰোমান্টিক কাহিনী সম্বলিত বোলছবি বহুতেই ওলাই গ'ল। সম্প্ৰতি বোলছবিখন শুভমুক্তি হোৱাৰ আগে আগে অসমবাসীৰ হিয়াৰ আমঠু, হাৰ্টথ্ৰব জুবিন গাৰ্গ যেতিয়া এই পৃথিৱীৰ পৰাই নোহোৱা হৈ গ'ল গতিকেহে ছবিখনৰ আকৰ্ষণ স্বৰূপতে বেছিয়েই নহয় অধিক গুৰুত্বপূৰ্ণ হৈ পৰিল। ছবিখনে যে এইকেইদিন অৰ্থাৎ আৰম্ভণিতেই বহু বহু দৰ্শক টানিব পাৰিছে এয়া বেছ কৃতিত্ব আৰু শুভ বতৰা। বিষয়টো অতি স্পৰ্শকাতৰ হোৱাটোৱেই ইয়াৰ প্ৰমাণ।

ছবিখনৰ কাহিনী বিন্যাসত এটি বৰ চিৰন্তন সত্য কথাৰ প্ৰতিফলন হৈছে। সঁচা প্ৰেম আৰু মৰমৰ কেতিয়াও মৃত্যু নঘটে, প্ৰকৃত প্ৰেম যিকোনো কাৰণতেই অসফল হ'বই নোৱাৰে। য'ত সদায় সত্য থাকিব, ন্যায় আৰু পৱিত্ৰতা থাকিব তাত অনেক প্ৰতিকূলতা থাকিলেও কোনো ধৰণৰ বাধা নিষেধ আদি প্ৰতিবন্ধক হ'ব নোৱাৰে। নাট্য কাহিনীৰ যাত্ৰাপথত মৌ আৰু নীৰৰ মাজত বিবাহ কাৰ্য সংঘটিত হোৱাৰ পোষকতা কৰিছিল। কিন্তু নীৰে মৌক ভাল পোৱাৰ ক্ষেত্ৰত একে ধৰণৰ স্বাৰ্থপৰতাৰ মিছা প্ৰলেপ আছিল। আনহাতে মৌৱে নীৰক এজন প্ৰকৃত বন্ধু হিচাপেহে ভাল পাইছিল, জীৱন সঙ্গী হৈ কাল যাপন কৰাৰ ইচ্ছা নাছিল। ইয়াৰ বিপৰীতে ৰাউল আৰু মৌৰ মাজত অতি কম সময়ৰ ভিতৰতে এক সঁচাপ্ৰেম, স্বৰ্গীয় প্ৰেমৰ উন্মেষ ঘটিছিল। গতিকে কাহিনীৰ শীৰ্ষবিন্দুত এক অনিশ্চিত সন্ধিক্ষণকো নেওচা দি ৰাউল-মৌৰ মাজত শ্বাশ্বত সত্য সংস্থাপিত হৈছিল আৰু বিবাহ কাৰ্য সুসম্পন্ন হৈছিল। এটা সময়ত যিজন দেউতাকে অৰ্থাৎ মৌৰ পিতৃয়ে মৌক নীৰলৈ বিয়া দিয়াত এক প্ৰকাৰ আকোৰগোজ মনোভাৱ পোষণ কৰিছিল, নিজৰ ধন-দৌলতক লৈ অহংকাৰ কৰিছিল, দাম্ভিকতাৰ ভূমিকা লৈছিল পাছলৈ ৰাউল-মৌৰ গভীৰ প্ৰেমৰ ওচৰত দেউতাকে হাৰ মানিবলৈ বাধ্য হৈছিল।

বোলছবিখনৰ কাৰিকৰী কলা নিৰ্দেশনাকে মুখ্য কৰি প্ৰযোজনা, পৰিচালনা, চৰিত্ৰাভিনয় আদি সকলোবোৰ দিশ যথেষ্ট উন্নত হৈছে। চিত্ৰ গ্ৰহণ, শব্দ গ্ৰহণ আদিৰ দৰে কলা-কৌশল আদিবোৰো যথেষ্ট যথাযথ হৈছে, সুন্দৰ হৈছে। এই এইবোৰ দিশ পৰ্যালোচনা কৰি আমি ঠাৱৰ কৰিব পাৰোঁ যে জুবিন গাৰ্গৰ এইখন ছবিয়ে নিশ্চয় সুদীৰ্ঘ দিন ধৰি জনপ্ৰিয়তাৰ উচ্চ শিখৰত পৰ্যবসিত হ'ব পাৰিব। এটা অতি ভাল লগা আৰু গৌৰৱ কৰিবলগীয়া বিষয় হৈছে যে 'ৰৈ ৰৈ বিনালে' এই ছবিখন যুৱ ৩১ অক্টোবৰ তাৰিখে অসমৰ প্ৰায়বোৰ জিলাৰ উন্নত মানৰ ছবিগৃহবোৰত শুভমুক্তি লাভ কৰিছে। কেৱল এয়াই নহয়, ভাৰতবৰ্ষৰ অতি জনবহুল মহানগৰ দিল্লী, মুম্বাই, বেংগালুৰু, কলকাতা আদিৰ দৰে মহানগৰবোৰতো অতি উলহ-মালহেৰে মুক্তি লাভ কৰিছে। ছবিখন চাই দৰ্শকে চকু পানী টুকিছে হয় কিন্তু ছবিখনৰ কাহিনী চিত্ৰনে কন্দুৱাব পৰা নাই। জুবিন গাৰ্গৰ অৱৰ্তমানতহে প্ৰদৰ্শিত ছবিখন উপভোগ কৰি জুবিন গাৰ্গৰ বিৰহ বেদনাতহে যেন দৰ্শকে ৰৈ ৰৈ বিনাইছে, উচুপিছে। ছবিখনৰ গীতকেইটা বেছ চিত্তাকৰ্ষক, সুমধুৰ, সুসমৃদ্ধ আৰু মনোমুগ্ধকৰ ৰূপত উজ্জীৱিত হৈছে। অসমীয়া বোলছবি জগতৰ প্ৰথমখন সাঙ্গীতিক বোলছবি (musical) 'ৰৈ ৰৈ বিনালে'এ এক ইতিহাস ৰচনাৰ দিশত অগ্ৰসৰ হৈছে।

# বিহাৰত বিধানসভা নিৰ্বাচনৰ ৰণডংকা ষ্টাৰ

সাক্ষী হ'ব। ২৪৩খন আসনৰে গঠিত বিহাৰ বিধানসভা নিৰ্বাচনটো দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব, য'ত প্ৰথম পৰ্যায়ত ১২১খন আসনৰ ভোটগ্ৰহণ ৬ নৱেম্বৰত আৰু দ্বিতীয় পৰ্যায়ত বাকী ১২২খন আসনৰ ভোটগ্ৰহণ ১১ নৱেম্বৰত হ'ব। সকলো আসনৰ ভোট গণনা ১৪ নৱেম্বৰত সম্পন্ন হ'ব, যাৰ ফলত নতুন চৰকাৰ গঠনৰ পটভূমি স্পষ্ট হ'ব। এই নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ সাক্ষী হিচাপে ফ্ৰান্স, দক্ষিণ আফ্ৰিকা, বেলজিয়াম, ইণ্ডোনেছিয়া, ফিলিপাইনছ, থাইলেণ্ড আৰু কলম্বিয়াৰ দৰে আগশাৰীৰ দেশসমূহৰ প্ৰতিনিধিসকল উপস্থিত থাকিব। এই আন্তঃৰাষ্ট্ৰীয় নিৰ্বাচনী দৰ্শনাৰ্থী কাৰ্যসূচী (IEVP 2025)ৰ অধীনত এই প্ৰতিনিধি দলটোৱে বিহাৰত ভ্ৰমণ কৰি ভোট কেন্দ্ৰসমূহ পৰিদৰ্শন কৰিব আৰু নিৰ্বাচন প্ৰক্ৰিয়াৰ স্বচ্ছতা আৰু নিৰপেক্ষতাৰ পৰীক্ষা কৰিব। IEVP 2025 হৈছে ভাৰতীয় নিৰ্বাচন আয়োগ (ECI)ৰ অন্য দেশ আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ সৈতে সহযোগিতা বৃদ্ধিৰ বাবে গৃহীত এক গুৰুত্বপূৰ্ণ পদক্ষেপ, যাৰ জৰিয়তে ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাপনাৰ শক্তিসমূহ বিশ্বৰ সমানে প্ৰদৰ্শিত হয় আৰু অন্যান্য দেশৰ সৈতে উত্তম পদ্ধতিৰ আদান-প্ৰদান হয়। ২০১৪ চনৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচীয়ে ভাৰতক বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰ হিচাপে প্ৰতিষ্ঠিত কৰিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি, এই দৰ্শনাৰ্থী দলটো ৫ নৱেম্বৰৰ পৰা বিহাৰত প্ৰৱেশ কৰিব আৰু ইভিএম (ইলেকট্ৰনিক ভোটিং মেচিন) কেন্দ্ৰসমূহ পৰিদৰ্শন কৰাৰ পিছত ৬ নৱেম্বৰত ভোটগ্ৰহণৰ সাক্ষী হ'ব। বিহাৰ ভ্ৰমণৰ পূৰ্বে নিৰ্বাচন আয়ুক্ত বিবেক যোশী আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে দিল্লীৰ ইণ্ডিয়া ইণ্টাৰনেশ্যনেল ইনষ্টিটিউট ফৰ ডেম'ক্ৰেচী এণ্ড ইলেকচন মেনেজমেণ্ট (IIDEM)ত এই সাতখন দেশৰ দৰ্শনাৰ্থীসকলৰ সৈতে মত বিনিময় কৰিছে। এই বৈঠকে ১৪জন অংশগ্ৰহণকাৰীৰ সামনে ইভিএম প্ৰদৰ্শন কৰা হৈছে আৰু ভাৰতৰ নিৰ্বাচনী তালিকা প্ৰস্তুতি, পৰিচালনা আৰু বিভিন্ন দিশৰ বিষয়ে আলোচনা হৈছে। এই নিৰ্বাচনত ৭.৪২ কোটি ভোটাৰ অংশগ্ৰহণ কৰিব, য'ত ৩.৯২ কোটি পুৰুষ আৰু ৩.৫ কোটি মহিলা অন্তৰ্ভুক্ত। ভোটগ্ৰহণ সকাল ৭টাৰ পৰা সন্ধিয়া ৫টা লৈ চলিব আৰু ৫টাৰ পিছত সাৰি থকা ভোটাৰসকলক এক ঘণ্টা অতিৰিক্ত সময় দিয়া হ'ব। নিৰ্বাচন আয়োগে ২৪৩খন আসনৰ প্ৰতি এজন দৰ্শক নিযুক্তি কৰিছে, যিয়ে প্ৰক্ৰিয়াৰ নিৰীক্ষণ কৰিব। সাম্প্ৰতিক বিশেষ গণনা পুনৰ্বিবেচনা (SIR)ৰ পিছত ভোটাৰ তালিকা চূড়ান্ত হৈছে আৰু ৯০, ৭১২খন ভোট কেন্দ্ৰ স্থাপন কৰা হৈছে, য'ত প্ৰতিটো কেন্দ্ৰত গড়ে ৮১৮জন ভোটাৰ অংশগ্ৰহণ কৰিব। বিগত ২০২০ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি আৰু জে ডি ইউ নেতৃত্বাধীন এন ডি এ জোটই ১২৫খন আসন লাভ কৰি ক্ষমতা ধৰি ৰাখিছিল, যদিও আৰ জে ডি আৰু কংগ্ৰেছ নেতৃত্বত মহাজোটবন্ধনে ১১০খন আসন লাভ কৰিছিল। আন দলসমূহে ৮খন আসন লাভ কৰিছিল। ৭৫খন আসন লাভ কৰি একক বৃহত্তম দলত পৰিণত হৈছিল আৰ জে ডি, য'ত বিজেপিয়ে ৭৪খন আৰু জে ডি ইউয়ে ৪৩খন আসন লাভ কৰিছিল। এইবাৰকৈ নিৰ্বাচনত উন্নয়ন, চাকৰি সৃষ্টি, যুৱকসকলৰ প্ৰব্ৰজন আৰু আইনশৃংখলাৰ মূল বিষয়সমূহ আলোচনাৰ কেন্দ্ৰবিন্দু হৈছে। প্ৰশান্ত কিছৰ নেতৃত্বতজন সুৰজ পাৰ্টীয়ে বহু আসনত প্ৰতিদ্বন্দ্বিতা জোৰদাৰ কৰিছে, যিয়ে এন ডি এ আৰু মহাজোটবন্ধনক চ্যালেঞ্জ দিছে। বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰৰ চূড়ান্ত দিনত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ছিৱান জিলাৰ ৰঘুনাথপুৰত এক নিৰ্বাচনী সভাত বিতণ্ডামূলক মন্তব্য কৰি আৰ জে ডিৰ প্ৰাৰ্থী আৰও চাহাবুদ্দিনৰ পুত্ৰ ওছামা চাহাবক আতংকী ওছামা বিন লাডেনৰ সৈতে তুলনা কৰিছে। এই মন্তব্যই ৰাজনৈতিক মহলে ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে আৰু বিৰোধী দলসমূহে ইয়াক সাম্প্ৰদায়িক বিদ্বেষ প্ৰচাৰ বুলি সমালোচনা কৰিছে। ছিৱানৰ এখন নিৰ্বাচনী সভাত ভাষণ দি ড° শৰ্মাই কয়, "ৰঘুনাথপুৰলৈ আহি মই ভাবিছিল যে ইয়াত ৰাম, সীতা আৰু লক্ষ্মণক দেখা পাব। কিন্তু মোক কোৱা হৈছে যে ইয়াত বহুতো ৰাম, লক্ষ্মণ আৰু সীতা আছে আৰু ওছামাও আছে। চাহাবুদ্দিন আৰু তেওঁৰ পৰিয়ালে ৰঘুনাথপুৰত হত্যাৰ ক্ষেত্ৰত বিশ্বাসযোগ্য অভিলেখ গঢ়ি তুলিছে। আমি এই কলংক মচি পেলাব লাগিব; এয়া কঠিন নহয়।" তেওঁ লগতে কয় যে, প্ৰথমাৱস্থাত যেতিয়া ৰাম মন্দিৰ আন্দোলন আৰম্ভ হৈছিল, তেতিয়া ৰাইজে ভাবিছিল যে লালু যাদৱ আৰু মুলায়েম সিং যাদৱে মন্দিৰ নিৰ্মাণ কৰিব নেকি? কিন্তু দেশখনে দেখুৱাই দিছে যে লালু আৰু মুলায়েম যদি ক্ষমতাত থাকে, তেন্তে তেওঁলোকো ক্ষমতাত আছে। ডঃ শৰ্মাই অৰ্থনৈতিক অপৰাধী শাহাবুদ্দিনৰ পুত্ৰ ওছামা চাহাবক ইয়াত 'ওছামা' বুলি উল্লেখ কৰি কয়, "চাহাবুদ্দিন আৰু তেওঁৰ পৰিয়ালে আমাৰ ৰঘুনাথপুৰত হত্যাৰ ক্ষেত্ৰত বিশ্বাসযোগ্য অভিলেখ গঢ়িছে। আমি এই কলংক মচি পেলাব লাগিব। ইয়াৰ দ্বাৰা আমি একত্ৰিত হৈ চাহাবুদ্দিন পৰিয়াল আৰু আৰ জে ডিৰ চেপি ধৰি বিহাৰত এন ডি এ চৰকাৰ পুনৰ প্ৰতিষ্ঠা কৰিব লাগিব।" তেওঁ নিৰ্বাচনত বিজেপি প্ৰাৰ্থী জয়ী হোৱাৰ পিছত নিজৰ দেশৰ সকলো 'ওছামা বিন লাডেন'ক এজন এজনকৈ নিৰ্মূল কৰিম বুলি দাবী কৰে আৰু কয়, "আমাৰ দেশ ভগৱান ৰাম, ভগৱান শ্ৰীকৃষ্ণ আৰু মাতৃ সীতাৰ ভূমি, ই কেতিয়াও ওছামা বিন লাডেনৰ হ'ব নোৱাৰে। যদি এনে ওছামাই ৰঘুনাথপুৰৰ পৰা জয়ী হয়, তেন্তে ই হিন্দুসকলৰ বাবে পৰাজয় হ'ব। মই নিজেই ১৪ নৱেম্বৰত অসমৰ কামাখ্যা মন্দিৰৰ দ্বাৰত বহি এই আসনৰ ফলাফল দেখিম।" এই মন্তব্যৰ বাবে তেওঁক কামাখ্যা মন্দিৰৰ আশীৰ্বাদ লৈকৈ কথা পাতিছে বুলি উল্লেখ কৰে। এই মন্তব্যই বিৰোধী দলসমূহৰ পৰা তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰ জে ডি আৰু ৰাষ্ট্ৰীয় জনতা দলে (RJD)য়ে ইয়াক সাম্প্ৰদায়িক বিদ্বেষ প্ৰচাৰ আৰু নিৰ্বাচনী নিয়ম লংঘন বুলি অভিযোগ পোহৰ কৰিছে। ৩১ বছৰীয়া ওছামা চাহাবে প্ৰথমবাৰৰ বাবে ৰঘুনাথপুৰ বিধানসভা আসনৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে, য'ত তেওঁৰ প্ৰতিদ্বন্দ্বী হিচাপে জনতা দল ইউনাইটেডৰ বিকাশ কুমাৰ সিং আৰুজন সুৰজ পাৰ্টীৰ ৰাহুল কীৰ্তি আছে। প্ৰাক্তন সাংসদ চাহাবুদ্দিনৰ এই পুত্ৰৰ দাবীদাৰীয়ে ৰাজনৈতিক উত্তৰাধিকাৰ আৰু অপৰাধী পটভূমিৰ ওপৰত বিতণ্ডা সৃষ্টি কৰিছে। ছিৱান জিলাৰ ছিৱান, ৰঘুনাথপুৰ আৰু বৰহাৰীয়া আসনসমূহত এইবাৰকৈ গুৰুত্বপূৰ্ণ যুদ্ধ হৈছে। বিহাৰৰ স্বাস্থ্যমন্ত্ৰী মংগল পাণ্ডে প্ৰথমবাৰৰ বাবে ছিৱান আসনৰ পৰা বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে, য'ত তেওঁৰ প্ৰধান প্ৰতিদ্বন্দ্বী হৈছে আৰ জে ডিৰ প্ৰাৰ্থী আৰু বৰ্তমান বিধায়ক অৱধ বিহাৰী চৌধুৰী। আনহাতে,জন সুৰজ পাৰ্টীৰ ইণ্টেখাব আহমেদে এই আসনত প্ৰতিদ্বন্দ্বিতা জোৰদাৰ কৰিছে। ৬ নৱেম্বৰত ছিৱানৰ আঠখন বিধানসভা সমষ্টিৰ সকলো আসনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২০২০ চনৰ নিৰ্বাচনত ছিৱান, ৰঘুনাথপুৰ আৰু বৰহাৰীয়াত আৰ জে ডিয়ে জয়লাভ কৰিছিল, যদিও জিৰাদেই আৰু দৰাউলী (এছ সি)ত আৰ জে ডি আৰু মহাৰাজগঞ্জত কংগ্ৰেছে জয়ী হৈছিল। আনহাতে, দৰৌণ্ডা আৰু গোৰিয়াকোঠীত বিজেপিয়ে জয়লাভ কৰিছিল। দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই ছিৱানৰ ৰাইজক এন ডি এৰ প্ৰাৰ্থীৰ সমৰ্থনে ভোট বিচাৰি ভোটাৰসকলক আবেদন জনাইছে। তেওঁ কয়, "প্ৰধানমন্ত্ৰী মোদী আৰু নীতিশ কুমাৰৰ নেতৃত্বত গঠিত চৰকাৰে বিহাৰৰ উন্নয়নক অধিক ত্বৰান্বিত কৰিছে। বিহাৰবাসীয়াই যি উন্নয়ন দেখিছে, তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজে নিশ্চিতভাৱে বিচাৰিব যে এন ডি এ চৰকাৰ ঘূৰি আহি ৰাজ্যখনলৈ উন্নয়ন আনিব।" এই নিৰ্বাচনত এন ডি এ আৰু মহাজোটবন্ধনৰ মাজত তীব্ৰ যুদ্ধ হৈছে, য'ত প্ৰচাৰৰ চূড়ান্ত দিনত কেন্দ্ৰীয় মন্ত্ৰীসকল আৰু মুখ্যমন্ত্ৰীসকলে ৰোড শ্ব' আৰু ৰেলী আয়োজন কৰি ভোটাৰসকলক সংগঠিত কৰিছে। বিশে-ষকসকলে মত প্ৰকাশ কৰিছে যে, ভোটাৰসকলৰ উচ্চ অংশগ্ৰহণৰ সম্ভাৱনা আছে, যিয়ে নিৰ্বাচনৰ ফলাফল নিৰ্ধাৰণ কৰিব পাৰে। আগন্তুক ভোটগণনাত কোন দলক কতখন আসন লাভ হ'ব, তাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

# ভূপেন হাজৰিকাৰ গীতত মানৱতা

অসমৰত্ন আদি সন্মানেৰে বিভূষিত। ভূপেন হাজৰিকাই শিশু কালত মাতৃৰ পৰা বৰগীত শিকিছিল। সাংস্কৃতিক নগৰী তেজপুৰত শংকৰদেৱৰ তিথিত মাতৃয়ে শিকোৱা এটি বৰগীত পৰিৱেশন কৰি অসমৰ দুগৰাকী মহান ব্যক্তি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাক মুগ্ধ কৰিবলৈ সক্ষম হৈছিল। হাজৰিকাদেৱৰ বৰগীতত মোহিত হৈ তেখেতসকলে গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ কৰিবলৈ ওলোৱা গীত গাবলৈ ভূপেন হাজৰিকাক সুবিধা দিছিল। এই প্ৰতিভাৰেই ভূপেন হাজৰিকাৰ সংগীত জীৱনৰ সোণোৱালী জয়যাত্ৰা আৰম্ভ হৈছিল।

সঁচাকৈয়ে ভূপেন হাজৰিকা এগৰাকী প্ৰকৃত মানৱতাবাদৰ শিল্পী। তেখেতৰ গীতসমূহত সমাজ-সংস্কৃতি, ঐতিহাসিক, ঐতিহ্য চেতনা, মানৱতাবাদ, সমাজ সচেতনতা, প্ৰেম, প্ৰকৃতি, পাৰিপাৰ্শ্বিক চেতনা, বৈপ্-ৱিক চেতনা, ভৱিষ্য চেতনা, একতা আৰু ভাতৃত্ববোধৰ স্পষ্ট নিদৰ্শন প্ৰকাশ পাইছে। অন্যায়-অবিচাৰ, মানৱীয় চেতনা, মানৱতাবাদৰ সুৰ, প্ৰেম আদি তেখেতৰ গীতসমূহত পৰিস্ফুটভাৱে প্ৰতিফলিত হয়। মানৱতাবাদ তেখেতৰ জীৱনৰ মুখ্য উদ্দেশ্য। তেখেতে সংগীতৰ মাজেৰে সকলো শ্ৰেণীৰ লোকৰ সকলো পৰিস্থিতিৰ কৰুণ ছবি দাঙি ধৰিছে। তেখেতৰ গীতৰ কোমলতাই অসমীয়া ভাষা আৰু গীতৰ ক্ষেত্ৰত এক সুকীয়া মান্যতা লাভ কৰিছে।

ভূপেন হাজৰিকাৰ প্ৰতিটো গীত আমাৰ বাবে আদৰ্শ। তেখেতৰ মানৱতাবাদৰ বিষয়ে ক'বলৈ গ'লে তেখেতৰ জন্ম অকল মানুহৰ বাবেই হোৱা যেন অনুভৱ হয়। তেখেতৰ কালজয়ী গীতসমূহত আমি শুনিবলৈ পাওঁ-

"মানুহে মানুহৰ বাবে
যদিহে অকনো নেভাবে
অকনি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা সমনীয়া?"

ভূপেন হাজৰিকাই "মানুহে মানুহৰ বাবে" এই জনপ্ৰিয় গীতটিৰ জৰিয়তে সকলোকে মানুহৰ কথা ভাবিবলৈ আহ্বান জনাইছে। আমি মানুহৰ কথা ভাবিলে, মানুহক সহায় কৰিলেহে আমাৰ জীৱন সাৰ্থক হ'ব বুলি প্ৰকাশ কৰিছে। তেখেতে প্ৰতি গৰাকী দুখীয়া-দৰিদ্ৰ মানুহৰ দুখ-কষ্ট, আৰ্থিক দূৰৱস্থা আদিক গীতৰ মাজেৰে ৰুধিবলৈ চেষ্টা কৰিছে।

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম।
সৰ্বহাৰাৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম।"

ভূপেন হাজৰিকাদেৱ অগ্নি যুগৰ ফিৰিঙতি হৈ নতুন অসম গঢ়াৰ পণ লোৱাতো সঁচাই উল্লেখনীয়। শিল্পীজনাই সৰ্বহাৰাৰ প্ৰতি দৰদী মন লৈ মানৱতাৰ স্বাৰ্থত নতুন ভাৰত গঢ়াৰ যি আকাংক্ষা তাক গীতৰ মাজেৰে পৰিস্ফুট কৰিছে। তেখেতে গীতটিত হিন্দু, মুছলিম, বড়ো, কছাৰী, আহোম, চুটিয়া, কোচ, পাহাৰী, হৰিজন সকলোৰে মাজত ভেদাভেদৰ প্ৰাচীৰ ভাঙি একতা আৰু মিলাপ্ৰীতিৰে থাকিবলৈ আহ্বান জনাইছিল।

"মই এটি যাযাবৰ
ধৰাৰ দিহিঙে-দিপাঙে লৰবোঁ
নিবিচাৰি নিজা ঘৰ।"

তেখেত মানৱীয় চেতনাৰে জাগ্ৰত এগৰাকী সৈনিক। পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ঘূৰি তেখেতে জ্ঞানৰ সম্ভাৰ বুটলি ফুৰিছে। নিজক চহকী কৰি নিজৰ গীতৰ মাজেৰে জনসাধাৰণক সকলো যেন ভগাই দিবলৈ তেখেতে চেষ্টা কৰিছে। দেশে-বিদেশে ঘূৰি ফুৰি তেখেতে এফালে দেখিছে বিশাল অট্টালিকাত বাস কৰা, বিলাসী জীৱন কটোৱা আৰু আনফালে দেখিছে দৰিদ্ৰতাই গ্ৰাস কৰা গৃহহীন মানুহৰ কৰুণ আৰ্তনাদৰ ছবি। তেখেতৰ হৃদয় দুখত জৰ্জৰিত হৈ গীতৰ মাজেৰে তাক ব্যক্ত কৰিছে।

"বিস্তীৰ্ণ পাৰৰে
অসংখ্য জনৰে
হাঁহাকাৰ শুনিও
নিঃশব্দে নীৰৱে
বুঢ়া লুইত তুমি
বুঢ়া লুইত বোৱাঁ কিয়?"

শিল্পীৰ সৃষ্টিৰ আধাৰ অপাৰ। প্ৰকৃতিৰ বিভিন্ন বিষয়ৰ লগতে ব্ৰহ্মপুত্ৰক লৈও হাজৰিকাদেৱৰ অনবদ্য সৃষ্টি। তেখেতে ব্ৰহ্মপুত্ৰক বুঢ়ালুইত বুলি অভিহিত কৰি হাজাৰ-হাজাৰ জনতাৰ দুখ-ব্যথা, হাহাঁকাৰ অৱস্থা আৰু মানৱতাৰ স্খলন দেখি কেনেকৈ নীৰৱে বৈ আছা বুলি বুঢ়ালুইতক প্ৰশ্ন কৰিছে।

"আমি একেখন নাৱৰে যাত্ৰী
সহযাত্ৰী একেখন নাৱৰে যাত্ৰী
যদি সংঘাত হয়, তেনে ধ্বংস হ'ব
গৰ্ব আমাৰ প্ৰগতিৰ....."

ভূপেন হাজৰিকাই পল ৰবচনৰ "We are in the same boat brother" শীৰ্ষক বিখ্যাত গীতটিৰ জৰিয়তে মানৱীয়তা, একতা আৰু ভাতৃত্ববোধৰ ভাৱ জাগ্ৰত কৰি তুলিবলৈ গীতটি গাইছিল। গীতৰ মাধ্যমেদি তেখেতে একতাৰ এনাজৰীডাল টনকিয়াল কৰি মানৱসেৱা কৰি যাবলৈ আহ্বান জনাইছিল।

"জিলিকাব লুইতৰে পাৰ
এন্ধাৰৰ ভেটা ভাঙি
প্ৰাগজ্যোতিষত বয়
জেউতি নিজৰাৰে ধাৰ।"

তেখেতে গীতটিৰ জৰিয়তে সমাজৰ আন্ধাৰ আঁতৰাই সমাজখন সুন্দৰভাৱে গঢ় দি পোহৰ কৰাৰ পণ লৈ গীতটোৰ মাজেদি সমাজখন জিলিকাই তুলিছে। ইয়াত মানৱীয় দৃষ্টিভংগী গাঢ় হৈ উঠিছে।

"দোলা, হে দোলা, হে দোলা, হে দোলা
একা বেঁকা বাটেৰে কঢ়িয়াওঁ কঢ়িয়াওঁ
বৰ বৰ মানুহৰ দোলা
হে দোলা.....।"

তেখেতৰ এই গীতটিত দোলাভাৰীৰ কষ্টকৰ জীৱনৰ আৰু অবিৰত সংগ্ৰামৰ হৃদয় বিদাৰক চিত্ৰ স্পষ্টভাৱে ফুটি উঠিছে। সমাজৰ শোষিত-বঞ্চিত আৰু নিষ্পেষিত সকলৰ পক্ষত থিয় দি তেখেতে গীতৰ জৰিয়তে সকলো অৱতাৰণা কৰিছে।

ভূপেন হাজৰিকা এগৰাকী সৰ্বজনীন ব্যক্তি। তেখেতৰ গীতত মানুহৰ প্ৰতি সন্মান, শ্ৰদ্ধা-ভক্তি প্ৰতিফলিত হৈছে। তেখেতৰ গীতসমূহ আমাৰ সমাজ তথা সংস্কৃতিৰ পথাৰখনৰ বাবে এটি অমূল্য সম্পদ। এই গীতসমূহে নৱপ্ৰজন্মক ভৱিষ্যতৰ বাট দেখুৱায়। তেখেতৰ সৃষ্টিৰাজিয়ে সমাজৰ পিছপৰা শ্ৰেণী, সংগ্ৰাম কৰা, নিপীড়িত কৃষক-বনুৱা আদিক গীতৰ মাধ্যমেৰে দাঙি ধৰিছে। তেখেতৰ গীতত দোলাভাৰী, মাছমৰীয়া, চাহ বাগিছাৰ বনুৱা, অটোচালক, ৰিস্কাচালক আদিৰ জীৱনৰ দুখ দুৰ্দশা, মনৰ আশা-আকাংক্ষা প্ৰকাশ পাইছে। মানৱতা, সমতা, একতা আৰু প্ৰেম তেখেতৰ অমৰ বাণী। সকলোকে সমান ব্যৱহাৰ কৰি মানৱীয় গুণৰে সন্মান কৰা আৰু মানৱ সেৱা কৰাতো লক্ষ্য হিচাপে প্ৰতিষ্ঠা কৰে।

বিংশ শতিকাৰ মানৱ প্ৰেমৰ যুগত হাজৰিকাদেৱৰ কালজয়ী গীতসমূহৰ মাধ্যমেৰে অসমীয়া সমাজত মানৱীয় মনৰ অমিয়া সুৰে এক গতি প্ৰদান কৰিছিল। ভূপেন হাজৰিকা আছিল বহুমুখী প্ৰতিভাৰ গৰাকী। অসমৰ বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিয়ে ভূপেন হাজৰিকাৰ সম্পৰ্কত কৈছেঃ- "উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিটো জনগোষ্ঠীৰ অব্যক্ত প্ৰাণৰ কথা ব্যক্ত হৈছে ভূপেন হাজৰিকাৰ গীতত। ভূপেন হাজৰিকা অসামান্য কবি, ভূপেন হাজৰিকাৰ গীতসমূহ অসামান্য সাহিত্য সৃষ্টি।" বিদ্যুৎ কুমাৰ ভূঞাই কৈছেঃ- "ভূপেন হাজৰিকা হ'ল, বহু আস্থাহীনতাৰ বিপৰীতে এক গভীৰ আস্থাৰ গান গোৱা গায়ক। যি গীত, সুৰ আৰু কণ্ঠেৰে অসমৰ প্ৰতিটো সৰু-বৰ জনগোষ্ঠীক একেডাল এনাজৰীৰে বান্ধি ৰাখিব পাৰিছিল, যি কেৱল এটা কণ্ঠৰেই লুইত বা গংগাৰ পৰা মিচিচিপি হৈ ভল্গাৰ ৰূপ চাব পাৰিছিল, অটোৱাৰ পৰা অষ্ট্ৰিয়া হৈ পেৰিছ সাৱটিব পাৰিছিল, মাৰ্ক টোৱেইনৰ সমাধিত বহি গৰ্কীৰ কথা ক'ব পাৰিছিল।" এইদৰে বহুকেইগৰাকী মহান ব্যক্তিয়ে মানৱীয়তাৰ প্ৰতি সদা সচেতন হাজৰিকাদেৱৰ সম্পৰ্কে মত প্ৰকাশ কৰিছে। তেখেতৰ গীত-

"বুকু হম হম কৰে মোৰ আই
কোনে নিদ্ৰা হৰে মোৰ আই
পুত্ৰ হৈ মই কি মতে তৰোঁ?
আই, তোৰে হৈ মই মৰোঁ।"

জনতাৰ বাবে গীত গোৱা হাজৰিকাদেৱৰ বহু বৈপ্-ৱিক গীতৰ মাজত মানৱতাৰ স্পষ্ট ছবি প্ৰকাশ পাইছে। এই গীতৰ মাজেৰে সঁচাই নিদ্ৰা হৰি নিয়ে, বুকু হম হমাই যায়। পুত্ৰ হৈ কি দৰে মাতৃৰ শুশ্ৰূষা কৰিম তাকেই গীতত দাঙি ধৰিছে।

"অ' বিদেশী বন্ধু! দুৰ্ভগীয়া!
আজি কিয়নো বন্ধু! অকলশৰীয়া!
প্ৰতিধ্বনি শুনো কান্দোনৰ।"

গীতটিত তেখেতে সকলোৰে মাজত ভাতৃত্ববোধ, একতা-এনাজৰীৰ ভাৱ, আশা আৰু মিলন, আন্তৰ্জাতিক সাংস্কৃতিক সমন্বয় প্ৰতিফলিত কৰিছে। দুৰ্ভগীয়া, অকলশৰীয়া লোকক মানৱীয় দৃষ্টিভংগীৰে চাই সহায়ৰ হাত আগবঢ়োৱাৰ বাবে গীতত তুলি ধৰিছে।

"সাগৰ সংগমত কতনা সাঁতুৰিলোঁ
তথাপিতো হোৱা নাই ক্লান্ত
তথাপি মনৰ মোৰ প্ৰশান্ত সাগৰৰ
উৰ্মিমালা অশান্ত।"

হাজৰিকাদেৱে নব্য চিন্তা-চেতনাৰে সমাজখন আগবঢ়ায় আনিবলৈ চেষ্টা কৰিছিল। যিমান সাগৰ সাতুৰিলেও তেখেতৰ মন কেতিয়াও ক্লান্ত নহয়। তেখেতৰ গীতে-মাতে মানুহৰ মনলৈ আনি দিয়ে শক্তিৰ জোৱাৰ। অজস্ৰ সংঘাত আহিলেও তেখেতৰ মনত নৱ-নৱ সৃষ্টিয়ে প্ৰাণ পায়। এই সৃষ্টিৰাজিয়ে সকলো শ্ৰেণীৰ লোকৰ মাজলৈ শান্তি আনি দিয়ে।

"শীতৰে সেমেকা ৰাতি
শীতৰে সেমেকা ৰাতি
সেমেকা শীতৰে ৰাতি
শীতৰে সেমেকা ৰাতি।"

প্ৰাণৰ শিল্পী গৰাকীৰ গীতৰ মাজেৰে চহা সমাজৰ পৰা আৰম্ভ কৰি সকলো জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সকলো লোকৰে মনৰ বতৰা প্ৰকাশিত হৈছে। শীতৰ ঠাণ্ডাত কষ্ট পোৱা সেই খাটি খোৱা দুখীয়া-দৰিদ্ৰ, বিবস্ত্ৰ শিশু আৰু শ্ৰমিকৰ জীৱনৰ বহু বিষাদময় অৱস্থাৰ চিত্ৰকল্প গীতটিত স্পষ্টকৈ প্ৰতিফলিত হৈছে। এই ভাৱ প্ৰকাশে মানুহৰ দুচকু সিক্ত কৰি তোলে।

"মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ
কত যুগ ধৰি আহিছে প্ৰকাশি
সমন্বয়ৰ অৰ্থ।"

এই গীতৰ জৰিয়তে তেখেতে সকলো লোকৰ মাজত সমন্বয়ৰ আদৰ্শ প্ৰকাশ কৰিছে। মানৱতা আৰু দেশপ্ৰেমৰ ভাৱ মানৱৰ অন্তৰত জাগ্ৰত কৰি গীতৰ মাধ্যমেৰে তেখেতে বহু যুগ যুগান্তৰলৈ একতাৰ ডোলেৰে বান্ধি ৰাখিছে।

"বিমূৰ্ত মোৰ নিশাতি যেন, মৌনতাৰ সূতাৰে বোৱা
এখনি নীলা চাদৰ, এখনি নীলা চাদৰ...
তাৰেই এটি মিঠা ভাঁজত, নিশ্বাসৰে উম
আৰু জীয়া জীয়া আদৰ, এখনি নীলা চাদৰ।"

তেখেতে গীতটিৰ জৰিয়তে মানৱতাৰ এখনি সংবেদনশীল ছবি অংকন কৰিছে। গীতটিত মানৱতাৰ লগতে প্ৰেম ভাৱটোও ফুটি উঠা দেখা যায়। ইয়াত তেখেতে এক অস্পষ্ট নিশাক এখন নীলা চাদৰৰ সৈতে তুলনা কৰি তাৰ মিঠা ভাঁজত নিশ্বাসৰ উম আৰু জীয়া আদৰক মানুহৰ মনৰ গভীৰ ভাৱ আৰু প্ৰেমৰ অনুভূতিক পৰিস্ফুট কৰিছে।

"মোৰ গীতৰ হেজাৰ শ্ৰোতা
তোমাক নমস্কাৰ,
গীতৰ সভাত তুমিয়েতো
প্ৰধান অলংকাৰ।"

তেখেতে গীতৰ সুৰৰ মাজেদি মানুহৰ দুখৰ বিননি, আৱেগ-অনুভূতি সকলোৰে হৃদয়লৈ বিয়পাই লৈ গৈছে। দেশ-বিদেশ ভ্ৰমণ কৰি অনা জীৱনৰ অভিজ্ঞতা, জ্ঞানৰ অমল সম্ভাৰ বিলাই নিজৰ লগতে আনৰ সুখত সুখী হৈ, আনৰ দুখত দুখী হৈ জনসাধাৰণৰ মাজত এক সুকীয়া স্থান লাভ কৰিছে।

ড° ভূপেন হাজৰিকাদেৱৰ গীতত মানৱৰ কল্যাণ সাধনৰ চেষ্টা সদায় অবিৰত। মানৱতাবাদৰ এই আলোচনাত তেখেতৰ কেইটিমান গীতহে তুলি ধৰা হৈছে। তেখেতৰ প্ৰতিটো গীতেই সমাজৰ বাবে বাৰ্তাবাহক। বিশাল হৃদয়ৰ গৰাকীৰ সৃষ্টিৰ বিশালতা অত্যন্ত গভীৰ। সংস্কৃতিৰ পথাৰ চহকী কৰি হাজৰিকাদেৱে মানুহৰ অন্তৰ জয় কৰি থৈ গৈছে। তেখেতে অসম তথা বিশ্বত সমন্বয়ৰ সেতু গঢ়ি মানৱসেৱাৰ বাবে চিৰদিন চিৰকাল নিজকে উছৰ্গা কৰি থৈ গ'ল।

# আজি অজাপত

নেতা ৰাজেন গোহাঁয়ে ভাৰতীয় জনতা পাৰ্টী (বিজেপি)ৰ সৈতে সম্পৰ্ক ছিন্ন কৰি আঞ্চলিক ৰাজনীতিৰ মঞ্চত পুনৰ উভতি অহাৰ সংকেত দিছে। শীঘ্ৰেই তেওঁ আনুষ্ঠানিকভাৱে যোগদান কৰিব ৰাজ্যৰ অন্যতম প্ৰধান আঞ্চলিক দল অসম জাতীয় পৰিষদত (এ জে পি)। ইতিমধ্যে তেওঁৰ যোগদান প্ৰায় নিশ্চিত হোৱা বুলি সূত্ৰই প্ৰকাশ কৰিছে; কেৱল আনুষ্ঠানিক ঘোষণাহে বাকী আছে। ৰাজেন গোহাঁইৰ এই সিদ্ধান্ত ৰাজ্যিক বিজেপিৰ অভ্যন্তৰীণ কাৰ্যপ্ৰণালী আৰু নীতি-নিৰ্ধাৰণত তেওঁৰ গভীৰ অসন্তোষৰ ফলস্বৰূপ। চলিত বৰ্ষৰ ৯ অক্টোবৰত তেওঁ বিজেপিৰ সকলো দায়িত্বৰ পৰা আনুষ্ঠানিকভাৱে পদত্যাগ কৰিছিল। এই পদত্যাগে ৰাজ্যৰ ৰাজনৈতিক মহলত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিছিল, কাৰণ গোহাঁই বিজেপিৰ এগৰাকী দীৰ্ঘদিনীয়া আৰু প্ৰভাৱশালী নেতা আছিল। ১৯৯১ চনৰ পৰাই ভাৰতীয় জনতা পাৰ্টীৰ সক্ৰিয় সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা গোহাঁয়ে দলটোৰ বৃদ্ধি আৰু বিস্তাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। তেওঁৰ নেতৃত্বত অসমত বিজেপিৰ সংগঠনিক ভিত্তি সুদৃঢ় হৈ উঠিছিল। ৰাজ্যিক বিজেপিৰ সভাপতিৰ দায়িত্বকে ধৰি কেন্দ্ৰীয় মন্ত্ৰীৰ পদবীলৈকে তেওঁ উন্নীত হৈছিল। লগতে, লোকসভাৰ সদস্য হিচাপে চাৰিটা কাৰ্যকাল সফলতাৰে সম্পূৰ্ণ কৰিছিল গোহাঁয়ে। তেওঁৰ এই দীৰ্ঘ ৰাজনৈতিক যাত্ৰাই তেওঁক অসমৰ ৰাজনীতিত এক সন্মানীয় আৰু পৰিচিত মুখ হিচাপে প্ৰতিষ্ঠা কৰিছিল। কিন্তু শেহতীয়া সময়ত বিজেপিৰ ৰাজ্যিক নেতৃত্বৰ কাৰ্যপ্ৰণালী আৰু দলীয় সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অসন্তোষ প্ৰকাশ কৰি গোহাঁয়ে দল এৰাৰ সিদ্ধান্ত লৈছিল। সূত্ৰই জনোৱা মতে, আঞ্চলিক স্বাৰ্থ, অসমীয়া পৰিচয় আৰু ৰাজ্যৰ উন্নয়নৰ প্ৰশ্নত বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বৰ সৈতে মতানৈক্যই তেওঁক এই পদক্ষেপ ল'বলৈ বাধ্য কৰিছে। অসম জাতীয় পৰিষদৰ সৈতে তেওঁৰ যোগদানে ৰাজ্যৰ আঞ্চলিক ৰাজনীতিৰ গতিপথ সলনি কৰিব পাৰে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। এ জে পিৰ বাবে গোহাঁইৰ দৰে অভিজ্ঞ আৰু জনপ্ৰিয় নেতাৰ যোগদানে দলটোৰ সাংগঠনিক শক্তি বৃদ্ধি কৰিব। আনহাতে, বিজেপিৰ বাবে এয়া এক ক্ষতি হিচাপে গণ্য হ'ব পাৰে, বিশেষকৈ অহা নিৰ্বাচনৰ প্ৰেক্ষাপটত। যোগদানৰ আনুষ্ঠানিকতা সম্পূৰ্ণ হ'লে ৰাজেন গোহাঁয়ে এ জে পিৰ হৈ কেনে ভূমিকা গ্ৰহণ কৰে আৰু অসমৰ ৰাজনীতিত তেওঁৰ পৰৱৰ্তী পদক্ষেপ কি হয়— সেই বিষয়ে ৰাজ্যবাসীৰ দৃষ্টি আপাততঃ সেই ফালে।

# পঞ্চভূতত বিলীন হ'ল

আঘাত হানি থকাৰ মাজতে সোমবাৰে পুৱা ৬.১৫ বজাত চেন্নাইৰ এখন হাস্পতালত ৫৭ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে বিশিষ্ট এই শিল্পীগৰাকীয়ে। যকৃতৰ জটিল ৰোগত আক্ৰান্ত হৈ দীৰ্ঘদিন ধৰি চিকিৎসাধীন আছিল তেওঁ। মঙলবাৰে পুৱাই চেন্নাইৰ পৰা বিমানযোগে অসমলৈ অনা হয় শিল্পীৰ নশ্বৰ দেহ। বৰঝাৰ বিমানবন্দৰৰ পৰা পোনপটীয়াকৈ গুৱাহাটীৰ অম্বিকাগিৰী নগৰস্থিত নিজা বাসগৃহলৈ লৈ যোৱা হয়। তাত পৰিয়ালৰ সদস্যসকলে ধৰ্মীয় নীতি-নিয়ম অনুসৰি শেষ শ্ৰদ্ধা নিবেদন কৰে। তাৰ পিছতে তেওঁৰ ছাত্ৰসকলে বাঁহীৰ মধুৰ সুৰেৰে গুৰুক অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বাসগৃহৰ পৰা সমদল গঠন কৰি বাঁহী বজাই অম্বিকাগিৰী নগৰৰ সেউজ সংঘৰ বাকৰিলৈ অনা হয় নশ্বৰ দেহ। তাত ৰাজহুৱা দৰ্শনৰ বাবে ৰখা হয় আৰু গুণমুগ্ধ, সংগঠন আৰু সাধাৰণ ৰাইজে অন্তিম শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পিছতে নৱগ্ৰহ শ্মশানলৈ লৈ যোৱা হয় শিল্পীৰ নশ্বৰ দেহ। সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি বিশিষ্টসকলে শিল্পীৰ অবদানক সুঁৱৰি শোক প্ৰকাশ কৰে। বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মনে কয়, "ডেৰ মাহতে আমি দুটা অমূল্য ৰত্ন হেৰুৱালোঁ। এজনে গানেৰে ধুমুহা আনিছিল, আনজনে বাঁহীৰে অসমীয়া জাতিলৈ ধুমুহা আনিছিল। ৪২খন দেশত তেওঁ বাঁহী বজাই অসমীয়া সংস্কৃতিৰ পৰিচয় দিছিল। ২০২৫ চনটো অতি দুৰ্ভাগ্যজনক। শেহতীয়াকৈ 'তু হি ৰে' আৰু 'ভাইমন দা'ৰ গীত কম্প'জ কৰিছিল। 'Story of Life' নামৰ এলবাম আধৰুৱা হৈ ৰ'ল। দুবছৰ পূৰ্বে তেওঁৰ আত্মজীৱনী প্ৰকাশ পাইছিল। কিতাপ পঢ়ি ভাল পাইছিল, কবিতাও লিখিছিল।" জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙে কয়, "সংস্কৃতিৰ কৰ্মীসকলৰ বাবে ডাঙৰ ক্ষতি। ৰাজীৱ শদিয়া, গায়ত্ৰী হাজৰিকা, জুবিন গাৰ্গ, চৈয়দ ছাদুল্লাৰ পিছত দীপক শৰ্মাও গুচি গ'ল। দেশে-বিদেশে থলুৱা সংস্কৃতিৰ পৰিচয় দিয়া ৰত্ন আছিল তেওঁ। মিউজিক স্কুল খোলাৰ সপোন আধৰুৱা হৈ ৰ'ল।" কণ্ঠশিল্পী কৃষ্ণমণি চুতীয়াই কয়, "২০২৫ত একো ক'বলৈ নাই। জুবিন গাৰ্গৰ শোকৰ পৰা মুক্ত হোৱা নাই, দীপক দা উভতি আহিব বুলি ভাবিছিলোঁ। মোৰ লগত তেওঁৰ সম্পৰ্ক সুকীয়া আছিল। গুৱাহাটীলৈ প্ৰথম অহাৰ সময়ত সাহস দিয়া মানুহ আছিল। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কৰি থৈ যোৱা কাম যদি অসমীয়া জাতিয়ে পাহৰে, তেন্তে নিজকে পাহৰা হ'ব।" সংগীত শিল্পী জয়ন্ত কাকতিয়ে কয়, "২০২৫ অসমীয়া জাতিৰ বাবে বৃহৎ ক্ষতিৰ বছৰ। বহু শিল্পী হেৰুৱালোঁ।" অভিনেতা সিদ্ধাৰ্থ মুখাৰ্জীয়ে কয়, "এজনৰ পিছত এজন নক্ষত্ৰ গৈ আছে। ২০২৫ক ভগৱানে সোনকালে শেষ কৰক। বুকুত যেন মাৰি আছে।" অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয়, "অসমৰ লোক-সংস্কৃতিৰ শক্তিশালী প্ৰতিনিধিত্ব কৰা দীপক শৰ্মাৰ হঠাৎ বিদায় জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি। পৃথিৱীৰ বিভিন্ন প্ৰান্তত অসমীয়া সংস্কৃতিৰ মেটমৰা ভঁৰালৰ শক্তি প্ৰতিনিধিত্ব কৰিছিল। তেওঁৰ বাঁহীৰ সুৰ অসমীয়া সমাজত সদায় জীয়াই থাকিব বুলি আশা ৰাখোঁ।" ২০২৫ চনটোৱে অসমৰ সাংস্কৃতিক জগতক একেৰাহে আঘাত হানি থকাৰ মাজতে দীপক শৰ্মাৰ বিদায়ে নতুন শোকৰ ছাঁ পেলাইছে। তেওঁৰ অবদানে অসমীয়া সংস্কৃতিৰ পতাকা বিশ্বৰ ৪২খন দেশত উৰুৱাইছে। শিল্পীৰ সপোনসমূহ আধৰুৱা হৈ ৰৈ যোৱাৰ মাজতে তেওঁৰ সুৰ অসমীয়া হৃদয়ত চিৰকাল জীয়াই থাকিব।

# চান্দা নোতোলে বীৰ

সংগঠনটোৰ বেংক একাউণ্টত স্বেচ্ছাই ধন জমা দিব পাৰিব। লগতে, কোনোবাই পেড বা ধন দাবীৰ পত্ৰ প্ৰেৰণ কৰিলে তেওঁলোকক তৎকালীনভাৱে আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ কৰাৰ বাবে ৰাইজক আহ্বান জনোৱা হৈছে। আজি গুৱাহাটীত অনুষ্ঠিত এক সংবাদমেলত এই গুৰুত্বপূৰ্ণ ঘোষণা কৰা হয়। সংবাদমেলত উপস্থিত থকা প্ৰশাসনিক সচিব শৃংখল চলিহাই কয়, "বীৰ লাচিত সেনা অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহাবীৰ লাচিত বৰফুকনৰ আদৰ্শৰে পৰিচালিত এক পবিত্ৰ সংগঠন। কিন্তু একাংশ লোকে সংগঠনটোক বিপথে পৰিচালিত কৰি অপপ্ৰচাৰ চলাইছে। আমি অনাগত দিনত অটল আৰু অদম্য হৈ থিয় দিম। অতি শীঘ্ৰে বীৰ লাচিত সেনাৰ এক চিন্তন-মন্থন বৈঠক অনুষ্ঠিত কৰি সংগঠনৰ ভৱিষ্যতৰ পৰিকল্পনা নিৰ্ধাৰণ কৰা হ'ব।" চলিহাই লগতে উল্লেখ কৰে যে, একাংশ ছদ্মবেশী লোকে সংগঠনত সোমাই অপকৰ্মত লিপ্ত হৈছে। তেওঁ কয়, "বীৰ লাচিত সেনাই সদায় খিলঞ্জীয়া জনগোষ্ঠীৰ হকে মাত মাতি আহিছে। অনাগত দিনত আমি বহুতো নতুন চিন্তাধাৰা আৰু কাৰ্যসূচীৰে আগবাঢ়ি যাম, যাতে সংগঠনটোৰ মৰ্যাদা আৰু বিশ্বাসযোগ্যতা অক্ষুণ্ণ হৈ থাকে।" ভাৰপ্ৰাপ্ত সচিব প্ৰাণজিৎ গৈৰেও সংবাদমেলত এই ঘোষণাৰ সমৰ্থন কৰি কয় যে, চান্দা সংগ্ৰহৰ নামত হোৱা অপব্যৱহাৰ ৰোধ কৰাটোৱেই এই সিদ্ধান্তৰ মূল উদ্দেশ্য। তেওঁ ৰাইজক সতৰ্ক কৰি দিয়ে যে, কোনো অপৰিচিত ব্যক্তি বা গোটৰ পৰা চান্দা দাবীৰ পত্ৰ বা পেড আহিলে তৎক্ষণাৎ নিকটৱৰ্তী আৰক্ষী থানাত খবৰ দিব লাগে। এই ব্যৱস্থাই সংগঠনটোৰ স্বচ্ছতা বৃদ্ধি কৰাৰ লগতে জালিয়াতিৰ বিৰুদ্ধে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই ঘোষণাই অসমৰ ৰাজনৈতিক আৰু সামাজিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। বীৰ লাচিত সেনাৰ এই পদক্ষেপে সংগঠনটোৰ ভিতৰুৱা সংস্কাৰৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। সংগঠনটোৰ আগন্তুক চিন্তন-মন্থন বৈঠকত কি কি নতুন পৰিকল্পনা গ্ৰহণ কৰা হয়, তাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

# মণিপুৰৰ চুড়াচান্দপুৰত সেনাৰ

বাহিনীয়ে নন-ছাচপেনচন অৱ অপাৰেচন (এছ অ' অ') বিদ্ৰোহী গোট ইউনাইটেড কুকি নেশ্যনেল আৰ্মি (ইউ কে এন এ)ৰ চাৰিজন কেডাৰক হত্যা কৰে। প্ৰতিৰক্ষা সূত্ৰৰ মতে, সন্ত্ৰাসবাদীয়ে সেনা চাউনিত অপ্ৰৰোচিত গুলীচালনা কৰাৰ পিছত এই এনকাউণ্টাৰ আৰম্ভ হয়। ইয়াৰ পিছত হোৱা গুলীচালনাৰ ফলত ইউকেএনএৰ ৪জন উগ্ৰপন্থীৰ মৃত্যু হয়। এতিয়াও অভিযান অব্যাহত আছে, কাষৰীয়া অঞ্চলত সেনা বাহিনীয়ে তালাচী চলাই আছে। শেহতীয়াকৈ ইউকেএনএৰ কেডাৰসকলে গাঁৱৰ এজন মুখিয়ালক হত্যা, স্থানীয় লোকক ভয় দেখুৱাই অঞ্চলটোক অস্থিৰ কৰাৰ চেষ্টাকে ধৰি অত্যাচাৰৰ প্ৰতিক্ৰিয়া স্বৰূপে এই পদক্ষেপ লোৱা হৈছে বুলি সেনাই জনায়। ইয়াৰ লগতে কয় যে, এই সফল অভিযানে ভাৰতীয় সেনা আৰু অসম ৰাইফলছৰ সাধাৰণ নাগৰিকক সুৰক্ষা প্ৰদান আৰু মণিপুৰত স্থায়ী শান্তি নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

# উত্তৰ-পূবৰ আটাইকেইখন

ৰাজনৈতিক মঞ্চ গঠনৰ বাবে ৯জনীয়া কমিটি গঠন কৰা হৈছে। এই পদক্ষেপে নৰ্থ ইষ্ট ডেম'ক্ৰেটিক এলায়েন্স (নেডা)ৰ আহ্বায়ক তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সন্মুখত নতুন প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। সংবাদমেলত মুখ্য অতিথি হিচাপে উপস্থিত থকা কনৰাড চাংমাই কয়, "উত্তৰ-পূৱৰ ভৱিষ্যতৰ বাবে আমি ঐক্যবদ্ধ হৈ আগবাঢ়িব খোজোঁ। এই অঞ্চলৰ লোকসকলৰ স্বাৰ্থত কাম কৰিবলৈ এটা সংগঠিত ৰাজনৈতিক মঞ্চৰ প্ৰয়োজন। আমি শক্তিশালী আঞ্চলিক ৰাজনৈতিক একতাৰ কথা চিন্তা কৰিছোঁ।" তেওঁ লগতে উল্লেখ কৰে যে, আগতে এনে মঞ্চ গঠনৰ চেষ্টা চলিছিল যদিও বিভিন্ন কাৰণত সফল হোৱা নাছিল। এইবাৰ ৯জনীয়া কমিটিয়ে মঞ্চৰ মডেলিটী প্ৰস্তুত কৰিব আৰু উত্তৰ-পূৱৰ সকলো ৰাজনৈতিক দলৰ সৈতে আলোচনা চলাব।" আমি কোনো সম্প্ৰদায় বা সংখ্যালঘুৰ বিৰোধিতা নকৰোঁ। কণ্ঠহীন লোকসকলৰ কণ্ঠ হৈ কাম কৰি যাম। উত্তৰ-পূৱৰ প্ৰতিটো ৰাজনৈতিক দলে একেলগ হৈ কাম কৰিব লাগিব। ব্যক্তি বিশেষৰ বাবেও এই মঞ্চৰ দুৱাৰ খোলা থাকিব, "বুলি চাংমায়ে স্পষ্ট কৰে। সংবাদমেলত ত্ৰিপুৰাৰ প্ৰাক্তন ৰাজপ্ৰমুখ তথা ৰাজনৈতিক নেতা প্ৰদ্যুত বিক্ৰম মাণিক্যও উপস্থিত আছিল। তেওঁ এই উদ্যোগক স্বাগত জনাই কয়, "উত্তৰ-পূৱবাসীৰ স্বাৰ্থত এনে ঐক্যবদ্ধ মঞ্চ অতি প্ৰয়োজনীয়। কমিটিয়ে সকলো দলৰ সৈতে কথা পাতি এখন বাস্তৱসন্মত আৰু কাৰ্যকৰী মঞ্চ গঠন কৰিব বুলি আশা কৰোঁ।" এই ঘোষণাই নেডাৰ ভৱিষ্যতক লৈ প্ৰশ্ন উত্থাপন কৰিছে। নেডাৰ মুখ্য উদ্দেশ্য আছিল উত্তৰ-পূৱৰ বিজেপি নেতৃত্বাধীন দলসমূহক একত্ৰিত কৰি কেন্দ্ৰীয় চৰকাৰৰ সৈতে সহযোগিতা বৃদ্ধি কৰা। কিন্তু এতিয়া আঞ্চলিক দলসমূহে নিজা ঐক্যবদ্ধ মঞ্চ গঠনৰ প্ৰস্তাৱ আগবঢ়োৱাত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন নেডাৰ প্ৰভাৱ হ্ৰাস পোৱাৰ আশংকা সৃষ্টি হৈছে। বিশে-ষকসকলে মন্তব্য কৰিছে যে, এই নতুন মঞ্চই উত্তৰ-পূৱৰ ৰাজনীতিত তৃতীয় শক্তি হিচাপে উদ্ভৱ হ'ব পাৰে। ইয়াৰ ফলত অহা লোকসভা আৰু বিধানসভা নিৰ্বাচনত আঞ্চলিক ইছ্যুসমূহে অধিক গুৰুত্ব লাভ কৰিব। কমিটীৰ কাৰ্যকলাপ আৰু সকলো দলৰ সহযোগিতাৰ ওপৰত নিৰ্ভৰ কৰিব এই মঞ্চৰ সফলতা। আগন্তুক দিনত উত্তৰ-পূৱৰ ৰাজনৈতিক পৰিৱেশে কেনে ৰূপ লয়, সেই ফালে সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

# কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ দশম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৩ নৱেম্বৰ ঃ** সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ কাকপথাৰ আঞ্চলিক সমিতিৰ দশম দ্বি-বাৰ্ষিক অধিৱেশনখনি ডিৰাক-সীমান্তৱৰ্তী শাখা চুতীয়া ছাত্ৰ সন্থাৰ আতিথ্যত ডিৰাক-সীমান্তৱৰ্তী আঞ্চলিক চুতীয়া জাতি সন্মিলন আৰু স্থানীয় ৰাইজৰ সহযোগত ২ নৱেম্বৰত এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ সামূহিক কেন্দ্ৰত অনুডষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ উপদেষ্টা তথা তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক সত্যব্ৰত চুতীয়াই, স্মৃতি তৰ্পণ কৰে কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আদিত্য চুতীয়াই। বীৰাংগনা সাধনীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ, সংগীত সূৰ্য জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু বৃক্ষৰোপণ কাৰ্যসূচীৰ পিছতে কাকপথাৰৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী শান্তি হাজৰিকা সোঁৱৰণী মূল মঞ্চ উদ্বোধন কৰে তিনিচুকীয়া জিলা চুতীয়া জাতি সন্মিলনৰ উপ-সভাপতি বেদবৰাই। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হয় চিত্ৰাংকন, কুইজ আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা। উদ্বোধন কৰে নৱজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক সঞ্জীৱ মহন্তই। ইয়াৰ পিছতে সত্যব্ৰত চুতীয়াৰ সভাপতিত্বত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। সভাত সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি নয়নজ্যোতি বৰশইকীয়া, সাধাৰণ সম্পাদক গংগাধৰ শইকীয়া উপস্থিত থাকে। সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে জিলা সমিতিৰ সহকাৰী সম্পাদক জনজিত চুতীয়া। প্ৰতিনিধি সভাই কিশোৰজ্যোতি চুতীয়াক সভাপতি, বিতোপন চুতীয়াক কাৰ্যকৰী সভাপতি, আদিত্য চুতীয়াক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি এখন শক্তিশালী সমিতি গঠন কৰা হয়। সন্ধিয়া ৫ বজাত সদৌ তিনিচুকীয়া জিলা চুতীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ উদ্যোগত কাকপথাৰ আঞ্চলিক চুতীয়া ছাত্ৰ সন্থাৰ সহযোগত আৰু চুতীয়া উন্নয়ন পৰিষদৰ ব্যৱস্থাপনাত চেঙেলীজান সাধনী ভৱনত অনুষ্ঠিত হোৱা ১০ দিনীয়া চুতীয়া সাংস্কৃতিক কৰ্মশালাৰ সামৰণী অনুষ্ঠানটি উদ্বোধন কৰে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰে। সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক গংগাধৰ শইকীয়াই আঁত ধৰা বিহু সামৰণি অনুষ্ঠানত হুৰাই ৰাঙলী, ৰণুৱা নাচ, পানী তোলা নাচ, বোৱাৰী টকা বিহু প্ৰদৰ্শন কৰা হয়। সামৰণি অনুষ্ঠানত প্ৰশিক্ষকসকলক ফুলাম গামোচা, স্মাৰক আৰু প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ পিছতে সন্ধিয়া ৭ বজাত ৰতন বড়াৰ সভাপতিত্বত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'য়। সভাৰ উদ্বোধন কৰে চুতীয়া উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জ্যোতিপ্ৰসাদ চুতীয়াই। সভাত সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতীম নেওগ, সাধাৰণ সম্পাদক কনচেং গগৈ, কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল কলিতা, সম্পাদক ইন্দ্ৰজিত গগৈ, সাংবাদিক বাস্তৱ মৰাণ, সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক ক্ৰমে উদিপ্ত বাঘ বড়া, হৃদয় গোঁহাই, কলিতা জনগোষ্ঠী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক সূৰুজ কুমাৰ তালুকদাৰ, টাই আহোম ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ইন্দ্ৰজিত দুৱৰী, ডিৰাক আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ সভাপতি লিখেশ্বৰ হাজৰিকা, সম্পাদক মাণিক চুতীয়া, কাকপথাৰ আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ সম্পাদক গোবিন ভূএগৰ লগতে বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকে। সন্ধিয়া ৯ বজাৰ পৰা "মায়াবিনী সন্ধিয়া" অনুষ্ঠানটো উদ্বোধন কৰে অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বিপুল ফুকনে। সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী সংগীতা হাজৰিকা, ইন্দজিত দুলীয়া, নাহৰমণি গোঁহাই, কস্তুৰী ভূএগ, মূৰ্ছনা চুতীয়া আদিয়ে গীত পৰিৱেশন কৰে।

### জনজাতীয় ভাষা-সংস্কৃতিৰ প্ৰতি ভাবুকি আহিছে ঃ দেৱেন বসুমতাৰী

# ডিব্ৰুগড়ত সোণোৱাল কছাৰী কালছাৰেল ছ'চাইটিৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ নৱেম্বৰ ঃ** ডিব্ৰুগড়ত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত প্ৰতিষ্ঠা হোৱা 'সোণোৱাল কছাৰী কালচাৰেল ছ'চাইটি' নামৰ সংগঠনটোৱে আজি (৩-১১-২৫) ডিব্ৰুগড়ৰ দুলীয়া-দাইনিজান বাইথ' মন্দিৰ প্ৰাংগণত প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰে। আৰম্ভণিতে বাইথ' মন্দিৰত চাৰিমুখীয়া চাকি প্ৰজ্বলন কৰি আৰাধ্য দেৱতা বাইথ'ৰ চৰণত সেৱা গ্ৰহণ কৰা হয়। সংগঠনটোৰ অধ্যক্ষ ভুৱন চন্দ্ৰ বড়াই পতাকা উত্তোলন কৰাৰ পিছতে শিল্পী জুবিন গাৰ্গৰ লগতে জনজাতিটোৰো সদ্যপ্ৰয়াত বিশিষ্ট ব্যক্তি অধিবক্তা কেশৱ চন্দ্ৰ সোণোৱাল, প্ৰাক্তন বিধায়ক ক্ষিৰোদ শইকীয়া, লেখক শিৱনাথ সোণোৱাল, দিগন্ত হাজৰিকা, শিল্পী গায়ত্ৰী হাজৰিকা, অৱসৰী ডিপিআই ৰূদ্ৰেশ্বৰ সোণোৱাল, সমাজকৰ্মী মৃদুল সোণোৱালৰ প্ৰতিচচবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে অস্থায়ী প্ৰেক্ষাগৃহত ভুৱন চন্দ্ৰ বড়াৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভা আৰু কৃষ্টি প্ৰদৰ্শন সভাত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি অসম জনজাতি সাংস্কৃতিক মহাসভাৰ সভাপতি তথা গুৱাহাটী দুৰদৰ্শনৰ অৱসৰী সঞ্চালক দেৱেন্দ্ৰনাথ বসুমতাৰীয়ে ভাষণত কয় যে বিশ্বত আজি সৰ-সৰু জাতিবোৰ ডাঙৰ জাতিৰ মাজত বিলীন হৈ গৈছে। জনজাতীয় ভাষা-সংস্কৃতিৰ প্ৰতি ভাবুকি আহিছে। কৃষ্টি-সংস্কৃতিসমূহৰ বৈশিষ্ট্যতা নাইকিয়া হোৱাৰ উপক্ৰম ঘটিছে। আজিৰ দিনতো জনজাতীয় কৃষ্টিয়ে প্ৰয়োজনীয় সমাদৰ লাভ কৰা নাই বুলি মন্তব্য কৰি তেওঁ কয় যে ইয়াৰ বাবে সকলো জনজাতিৰ সংস্কৃতিৱান লোকসকল একত্ৰ হৈ কাম কৰাৰ এক পৰিৱেশ আহি পৰিছে যাৰ জৰিয়তে জনজাতি লোকসকলৰ কৃষ্টি-সংস্কৃতি সুৰক্ষিত হ'ব আৰু ইয়াৰ দ্বাৰা অসমীয়া জাতিও সুৰক্ষিত হ'ব। ছ'চাইটিৰ সচিব মণিকান্ত সোণোৱাল, মুখপত্ৰ-প্ৰচাৰ সচিব ৰতন হাজৰিকাই যৌথভাৱে আঁতধৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে জনজাতিটোৰ কেতবোৰ ভাল আৰু বেয়া দিশৰ কথা উল্লেখ কৰি এইক্ষেত্ৰত কালছাৰেল ছ'চাইটিকে ধৰি সংশ্লিষ্ট সকলো সংগঠনে ঐক্যবদ্ধভাৱে কাম কৰি যোৱাৰ বাবে পৰামৰ্শ আগবঢ়ায়। সভাত লিখিত আদৰণি ভাষণ প্ৰদান কৰি সভাপতি ভুৱন চন্দ্ৰ বড়াই কয় যে সোণোৱাল কছাৰীসকলৰ ঐতিহ্যমণ্ডিত স্বকীয় বাৰেৰহণীয়া উপাদানেৰে বৰ্ণাঢ্য লোককলা, লোকবাদ্য, লোকসংগীত, বিভিন্ন নাচ, স্বকীয় সাজপাৰ, খাদ্য, লোকাচাৰ, লোক সম্পদ, পৰম্পৰাগত ও পুৰাতনীয়া বাইথ' পূজাকে আৰম্ভ কৰি বিভিন্ন পূজা-পাৰ্বণ, শিল্প, ভাস্কৰ্য আদিৰ চৰ্চা, অধ্যয়ন, গৱেষণা, অনুশীলন, প্ৰসাৰ, প্ৰচাৰ, সংৰক্ষণ তথা সংবৰ্ধন কৰিবলৈ আৰু এক শুদ্ধ তথা সকলোৰে গ্ৰহণযোগ্য আৰু পৰিপাটি ৰূপলৈ আনি সংস্কৃতিক এক জীৱন্ত আহিলা কৰি ৰাখিবলৈ কৰা প্ৰচেষ্টাই সোণোৱাল কছাৰী কালচাৰেল ছ'চাইটিৰ মূল লক্ষ্য আৰু উদেশ্য। এই প্ৰসংগতে সোণোৱাল কছাৰীৰ পুৰাতনীয় সংস্কৃতিৰ উৎস খ্ৰীং খ্ৰীং বাইথ' পূজা সংস্কৃতি মূল মূল শিপা বা আধাৰ বুলিও তেওঁ ভাষণত উল্লেখ কৰে। সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰি সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালে ছ'চাইটিলৈ আগবঢ়োৱা ক'ৰ্পাছ ফাণ্ডৰ তিনি কোটি টকা মুকলি কৰি দিবলৈ সাজু বুলি উল্লেখ কৰি এক বিজ্ঞানসন্মত আৰু সৰ্বসন্মত আঁচনিৰে জনজাতিটোৰ সাংস্কৃতিক দিশৰ ছ'চাইটিয়ে উত্তৰণ ঘটাব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত কালছাৰেল ছ'চাইটিৰ এবছৰ পুৰ্তি উপলক্ষ্যে ৰতন হাজৰিকাৰ সম্পাদনাত প্ৰকাশিত 'এবছৰীয়া পৰিক্ৰমা' উন্মোচন কৰে ডিব্ৰুগড় জিলা পৰিষদৰ অধ্যক্ষা পুষ্পাঞ্জলি সোণোৱালে। আনহাতে মণিকান্ত সোণোৱালৰ কথা, সুৰ আৰু পৰিকল্পনাৰে প্ৰস্তুত কৰি উলিওৱা সংগঠনটোৰ শীৰ্ষগীত 'অসমীৰ কোলাতে সোণ হৈ জিলিকে' উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী, প্ৰাক্তন বিধায়িকা জ্যোৎস্না সোণোৱালে। ইয়াৰ লগতে মণিকান্ত সোণোৱালৰ 'ভেকুলী বিয়াৰ নাম' আৰু এটি আধুনিক গীত 'অ পক্ষী বনৰীয়া' গীতটিও উন্মোচন কৰে জ্যোৎস্না সোণোৱালে। অনুষ্ঠানত জনজাতিটোৰ ছয়গৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে বাইথ' সংস্কৃতিৰ সাধক প্ৰমোদ চন্দ্ৰ সোণোৱাল, শিক্ষাবিদ শান্তনু দাস বৰহাজোৱাল, শিল্পী দুৰ্গেশ্বৰ সোণোৱাল, জয়ৰাম হাজৰিকা, লেখক ভূপতি বৰুৱা আৰু মূল বাইথ' মন্দিৰৰ মজিন্দাৰ হেৰম্ব সোণোৱালক সোণোৱালী গামোচা, চেলেং আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধিত সকলৰ হৈ প্ৰমোদ চন্দ্ৰ সোণোৱালে চমু বক্তব্য আগবঢ়ায়। অনুষ্ঠানটিত দুই নং চৰাইহাবি হুঁচৰি দলৰ সোণোৱাল হুঁচৰি, ডাঙৰীৰ বৰপথাৰ ৰঙাগড়াৰ লগ বিহু, টেপৰগুৰি ক্ষত্ৰি শাল নৃত্য একাডেমিৰ লেছেৰী, দলীয় লোকবাদ্য প্ৰদৰ্শনেৰে সভাস্থলি জীপাল কৰি তোলে। অনুষ্ঠানত সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সভাপতি দেৱানন্দ চেলেং, সোণোৱাল কছাৰী সাহিত্য সভাৰ সভাপতি মোহন সোণোৱালকে ধৰি সংগঠনসমূহৰ নেতৃবৃন্দ আৰু ৰাজ্যৰ ভিন্ন প্ৰান্তৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি আৰু জনজাতিটোৰ সহস্ৰাধিক লোক উপস্থিত থাকে।



# ৩৭১ বছৰীয়া ইতিহাসে গৰকা শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ ১৮৬ সংখ্যক 'ৰাস পূজাঁ' উৎসৱক লৈ উখল-মাখল মাজুলী

**অসম বাৰ্তা, বনগাঁও, ৩ নৱেম্বৰ ঃ** আজিৰ পৰা ১৮৬ বছৰৰ পূৰ্বেৰ পৰা পালন কৰি অহা ঐতিহাসিক "ৰাস পূজা" উৎসৱ ৩৭১ বছৰীয়া ইতিহাসে গৰকা শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ প্ৰধান ও মুখ্য উৎসৱ। । বাৰ মাহে তেৰটিকৈ উৎসৱ পাৰ্বন পালন কৰি নিজৰ পৰম্পৰা ও স্বকীয়তা বৰ্তাই ৰাখিবলৈ সক্ষম হোৱা সত্ৰ ধৰ্মীয় অনুষ্ঠানটি আপুৰুগীয়া সা-সম্পদৰে ভৰপূৰ। তেনে এটি ধৰ্মীয় অনুষ্ঠানৰ মুখ্য উৎসৱটি প্ৰতি বছৰে মহাপ্ৰয়োভৰে বিধিসন্মতভাৱে উদযাপন কৰি ৰাইজ দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। মহাবাহুব্ৰহ্মপুত্ৰৰ ভাবুকিক লৈ চিন্তিত সেই কালৰ সত্ৰাধিকাৰ প্ৰয়াত বাসুদেৱ দেৱ গোস্বামীয়ে স্বপ্নাৱিষ্ট হৈ ৰচনা কৰা "শ্ৰীকৃষ্ণৰ জন্মৰ পৰা অৰিষ্টাসুৰ বধ" পৰ্যন্ত ৰাস নাটকখনি প্ৰতি বছৰে তিনিদিনীয়া এক বিস্তৃত কাৰ্যসূচীৰে ৰাইজৰ মাজত প্ৰদৰ্শিত হৈ আহিছে। ৰাস পূৰ্ণিমা তিথিৰ আগদিনা ৰাস বিধি অনুসৰি সন্ধিয়া অধিবাসৰে আধ্যাত্মিক উৎসৱটিৰ পাতনি মেলে। সেই অনুসৰি কাইলৈ অৰ্থাৎ ৪ নৱেম্বৰ মংগল বাৰৰ সন্ধিয়া বছৰ জুৰি মূল মন্দিৰত মুখ্য উপাস্য দেৱতা 'যাদৱ ৰায়' সহ পুজিত হৈ থকা "বৃন্দাৱন চন্দ্ৰ" বিগ্ৰহক মাংগলিক গীত-মাতৰে ক্ষন্তেক বাহিৰ ফুৰাই ৰাতিটো পুনৰ মূল মন্দিৰতে ৰাখিব। ইফালে সত্ৰৰ ভকত-বৈষ্ণৱে ৰাস প্ৰস্তাৱনা গীতৰে কীৰ্তন কৰিব। লগে লগে সত্ৰখনত আধ্যাত্মিক উৎসৱটিৰ পাতনি মেলিব। ৫ নৱেম্বৰ পৱিত্ৰ 'ৰাস পূৰ্ণিমা তিথি'। পুৱা মহাপ্ৰভু সহ বৃন্দাৱন চন্দ্ৰক স্নান কৰাৰ পিছত আটক ধুনীয়াকৈ নাম ঘৰৰ ভিতৰত সজাই ৰখা অস্থায়ী কল্পিত বৃন্দাৱন ক্ষেত্ৰত অহোৰাত্ৰি পূজা হেতু আনিব। তাতে নিয়োজিত পূজাঁৰীয়ে পূজা কৰিব। অন্যহাতেদি নিত্যনৈমিত্তিক কৰ্ম্মাদি যেনে -পুৱা 'যাদৱ ৰায় স্নান, নিত্য পূজাঁ, মহাপ্ৰভু ভোগ উৎচৰ্গ, নিত্য নাম, সত্ৰাধিকাৰৰ নিত্য ভাগৱত পাঠ ও ব্যাখ্যা, প্ৰসংগ আদিৰ উপৰিও উৎসৱৰ লগত সংগতি ৰাখি হোম -যজ্ঞ, গোপাল নাম, উঠা নাম, গায়ন-বায়ন, নটুৱা ওজা আদি অনুষ্ঠিত হ'ব। ১৮৪০ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰা উৎসৱটিৰ জন্ম কালীন বৰ্ষক সোৱঁৰি সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননী গোপাল দেৱ গোস্বামী আৰু আমন্ত্ৰিত মুখ্য অতিথি মাজুলী জিলাৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে একো গছিকৈ বন্তি প্ৰজ্বলনৰে ১৮৬গছি বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ লগে লগে পথৰ দুয়োদিশত শাৰী পাতি থকা সমবেত শিষ্য-প্ৰশিষ্য, যাত্ৰী দৰ্শনাৰ্থীয়ে বন্তি প্ৰজ্বলন কৰিব। তদুপৰি সত্ৰাধিকাৰ গোস্বামীৰ পৃষ্ঠপোষকতাত ২০১০ চনৰ ৩০ এপ্ৰিলত গঠন হোৱা "আয়ুস"ৰ সংকল্প দিৱসৰ এগছি বন্তি সেই একে স্থানতে প্ৰজ্বলন কৰিব। নিশা ৮ বজাৰ লগে লগে সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননী গোপাল দেৱ গোস্বামীৰ এক উদ্বোধনী ভাষণৰে ঐতিহাসিক ৰাস নাটক অভিনয় আৰম্ভ হ'ব। ৬ নৱেম্বৰ উৎসৱৰ অন্তিম দিৱস। ৰাস পুৰ্নিমা নিশা আৰম্ভ হোৱা নাটকৰ শেষাংশ দৃশ্য "ইন্দ্ৰাভিষেক" উক্ত দিনত প্ৰদৰ্শন কৰিব। চৌদিশে বিভিন্ন স্থানত মুঠ ৬৭খন ৰাস মঞ্চত ৰাইজে উপভোগ কৰিব পাৰিব। আয়োজক তথা উদ্যোগতা সকলে নিজৰ নিজৰ মঞ্চ সমূহ আটক ধুনীয়াকৈ দৰ্শকক আকৰ্ষণৰ হেতু সজাই তোলা পৰিলক্ষিত। মাজুলীবাসীৰ হেঁপাহঁৰ আধ্যাত্মিক উৎসৱটি আদৰিবলৈ ব্যাপক প্ৰস্তুতি ইতিমধ্যে মঞ্চই মঞ্চই সম্পূৰ্ণ পথত। সম্প্ৰতি উখল মাখল সত্ৰ নগৰী মাজুলী। জিলাখনৰ ভিতৰত বনগাঁও আৰক্ষী চকীৰ অন্তৰ্গতেই সৰ্বাধিক ৰাস মঞ্চ। ইয়াৰে ভিতৰত প'ৰাম আঞ্চলিক কৃষ্টি কেন্দ্ৰ অন্যতম। এক ব্যতিক্ৰমী কাৰ্যসূচীৰে কেন্দ্ৰটিয়ে এই বছৰ শ্ৰীশ্ৰী কৃষ্ণৰ ৰাস লীলা তিনিদিনীয়াকৈ অনুষ্ঠিত কৰাৰ ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰিছে। ৫, ৬ আৰু ৮ নৱেম্বৰত আয়োজিত ৰাস লীলাৰ প্ৰথম ৰজনীত শিশু ৰাস লীলা, ৬ নৱেম্বৰত যুৱ শিল্পী সমাজৰ দ্বাৰা আৰু ৮ নৱেম্বৰত মহিলা শিল্পী সমাজৰ দ্বাৰা প্ৰথম বাৰলৈ ৰাস মঞ্চস্থ হ'ব। সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকা, প্ৰানৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি দক্ষিণপাট সত্ৰ ৰাসস্থলীত শ্ৰদ্ধাঞ্জলি, সুধাকণ্ঠ ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি আৰু অসমীয়াৰ হিয়াৰ আমঠু জনপ্ৰিয় কণ্ঠ শিল্পী জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধা জনাই কাইলৈ অৰ্থাৎ ৪ নৱেম্বৰৰ সন্ধিয়া এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰাৰ প্ৰয়োজনীয় ব্যৱস্থা ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰই গ্ৰহণ কৰিছে। অনুষ্ঠানত সকলো ৰাইজৰ পুৰ্ন সহায় সহযোগিতা কামনা কৰিছে ৰাস উদ্‌যাপন সমিতিয়ে।

# বকোৰ বনগাঁৱত কোচ ৰাজবংশী জাতীয় সংগঠনৰ যুটীয়া সভা

**অসম বাৰ্তা, বকো, ৩ নৱেম্বৰ ঃ** ৰাজ্যৰ ভূমিপুত্ৰ থলগিৰি জনগোষ্ঠী সমূহৰ অন্যতম কোচ ৰাজবংশী জনগোষ্ঠী। কোচ ৰাজবংশী জনগোষ্ঠীক সংবিধান প্ৰদত্ত অনুসুচীত জনজাতিৰ মৰ্য্যদা প্ৰদান কৰাৰ কথা ঘোষণা কৰিছিল শাসনাধিষ্ঠ বি জে পি নেতৃত্বাধীন চৰকাৰে। সুদীৰ্ঘ দিন ধৰি ঘোষণাৰ উপৰি ঘোষণা কৰি আহিছে বি জে পি চৰকাৰে। কিন্তু ফলপ্ৰসূ কাৰ্য্য কৰা দেখা নগ'ল। বিগত দিনবোৰত প্ৰতিটো নিৰ্বাচনত কোচ ৰাজবংশী সকলোক অনুসূচীত জনজাতিৰ মৰ্য্যদা দিয়া বিষয়টো প্ৰত্যেকখন নিৰ্বাচনী প্ৰচাৰ সভাত আখৈ ফুটাদি ফুটে নেতাৰ মুখত। ইয়াৰোপৰি বি জে পি দলৰ নিৰ্বাচনী ইস্তাহাৰত স্পষ্টকৈ প্ৰকাশ পাইছিল কোচ ৰাজবংশী সহ ছয় জনগোষ্ঠীৰ জনজাতি কৰণৰ কথা। ইফালে ছয় জনগোষ্ঠীৰ জনজাতি কৰণৰ বিষয়টো পূৰ্বৰ কংগ্ৰেছ চৰকাৰে গুৰুত্ব নিদিয়া বাবে ২০১৬ চনৰ নিৰ্বাচনত কংগ্ৰেছ চৰকাৰ ভাঙি দিয়া হৈছিল। এতিয়া বি জে পি চৰকাৰেও যদি গুৰুত্ব আৰোপ নকৰে ছয় জনগোষ্ঠীয়েই চৰকাৰ ভাঙি দিবলৈ বাধ্য হ'ব। আনহাতে অসম চৰকাৰে কোচ ৰাজবংশী সকলোক দিয়া প্ৰতিশ্ৰুতি পুৰণ কৰিব নে? এই প্ৰশ্ন উত্থাপন কৰি আজি কামৰূপ জিলাৰ বকোৰ বনগাঁৱত অনুষ্ঠিত হয় কোচ ৰাজবংশী জাতীয় সংগঠনৰ যুটীয়া সভা। উল্লেখ্য যে আজি উত্তৰ বনগাঁও প্ৰাথমিক শাখা কোচ ৰাজবংশী সন্মিলনীৰ আতিথ্যত অনুষ্ঠিত হয় দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনী; যুৱ ছাত্ৰ সন্মিলনী, কোচ ৰাজবংশী কালচাৰেল চোছাইটি আৰু মহিলা সন্মিলনীৰ যুটীয়া বৈথক। দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি অশোক কুমাৰ দাসৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাৰ উদ্দ্যেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়ে। যুটীয়া সভাত অসম চৰকাৰে কোচ ৰাজবংশী সকলোক সংবিধান পদত্ত অনুসুচীত জনজাতিৰ মৰ্য্যদা প্ৰদান নকৰাত ক্ষোভ উজাৰে। ইফালে সভাত কোচ ৰাজবংশী নেতৃবৃন্দই ক্ষোভেৰে বক্তব্য ৰাখি কয় যে; চৰকাৰৰ নেতা পালিনেতাৰ ভাষণ শুনিলেই এনে লাগে কোচ ৰাজবংশী সহ ছয় জনগোষ্ঠীৰ জনজাতি কৰণ হৈ গ'ল। কিন্তু ছয় জনগোষ্ঠীক দিয়া প্ৰতিশ্ৰুতি মিছাক বাদে সঁচা নহ'ল। আনহাতে অসম চৰকাৰে গঠন কৰা মডেলিটি প্ৰস্তুত কৰা মন্ত্ৰী গোটৰ প্ৰতিবেদন আজিলৈকে দাখিলেই নহ'ল। ইফালে কিছুদিন পূৰ্বে অসমৰ মুখ্যমন্ত্ৰীয়ে চলিত নৱেম্বৰ মাহত অসম বিধান সভাৰ অধিবেশনত মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিল কৰিব বুলি আশ্বাস দিছে। কাৰণ অসম বিধানসভাৰ নিৰ্বাচন সমাগত সেয়ে কোচ ৰাজবংশী সকলোৰ ভোট লাগে। ২০২৬ চনৰ আৰম্ভণিতে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে। যদি কোচ ৰাজবংশী সহ ছয় জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান কৰিবলৈ চৰকাৰ প্ৰস্তুত তেন্তে আজি ন বছৰে চৰকাৰে কৰিলে কি? কিয় প্ৰতিবেদন দাখিল কৰা নাই? কিয় নিৰ্বাচন আহিলেহে মনত পৰে কোচ ৰাজবংশীৰ কথা। সেয়ে নৱেম্বৰ মাহতো বুমেৰাং হ'ব নেকি মুখ্যমন্ত্ৰীৰ ঘোষণা। নে এইবাৰো ললিপপ হ'ব? এনে বহু প্ৰশ্নৰ অৱতাৰণা প্ৰকাশ কৰি আজিৰ সভাত অসমৰ মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনা কৰে। সভাত সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ উপ সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া দক্ষিণ কামৰূপ জিলা সমিতিৰ সভাপতি অশোক কুমাৰ দাস আৰু সাধাৰণ সম্পাদক দীপক কুমাৰ ৰয়ে জনোৱা অনুসৰি বৰ্তমানৰ ভাৰতীয় জনতা পাৰ্টীৰ ডৱল ইঞ্জিনযুক্ত চৰকাৰক প্ৰশ্ন উত্থাপন কৰিছে যে কোচ ৰাজবংশী সকলোক সংবিধান পদত্ত অনুসুচীত জনজাতিৰ মৰ্য্যদা প্ৰদান কৰাৰ সদিচ্ছা আছেনে ৰাজ্য চৰকাৰৰ। ইফালে উত্তৰ বনগাঁও প্ৰাথমিক গোটৰ সভাপতি হৰকান্ত দাস; সম্পাদক ভূপেন মোহন দাস আৰু বকোৰ কোচ ৰাজবংশী যুৱ নেতা বিষ্ণু ৰাম দাসে কোচ ৰাজবংশী সকলোক প্ৰবঞ্চনা আৰু প্ৰতাৰণা কৰি অহা কাৰ্য্যক ধিক্কাৰ দিছে। সভাত বক্তা সকলে জনগোষ্ঠীটোৰ সামগ্ৰীক উন্নয়ন, শৈক্ষিক বিকাশ, সাংস্কৃতিক উৎকৰ্ষ সাধনৰ উপৰিও অন্যান্য বিষয়ৰ সমস্যাবোৰ সামাজিক অথবা ৰাজনৈতিক চিন্তাধাৰাৰে সমাধান কৰিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখি কাম-কাজ কৰি আহিছে বুলি প্ৰকাশ কৰে। লগতে সংবিধান প্ৰদত্ত জনগোষ্ঠীটোৰ দীৰ্ঘদিনীয়া সমস্যা অনুসুচীত জনজাতিৰ মৰ্য্যদা প্ৰদানৰ বিষয়টো অতি শীঘ্ৰে অসম চৰকাৰে সমাধান কৰি কোচ ৰাজবংশী সকলোক ন্যায় প্ৰদান কৰিবলৈ বাধ্য কৰোৱাৰ বাবে তীব্ৰ গণ আন্দোলনৰ কাৰ্য্যসূচীও গ্ৰহণ কৰাৰো সময়োপযোগী হৈছে বুলি সংগঠনটোৱে বিবেচনা কৰে। এই খিনিতে উল্লেখ্য কৰিব পাৰি যে বৰ্তমানৰ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোনো আগতীয়া ঘোষণা নকৰাকৈ যোৱা ২০২২ চনৰ ১ মাৰ্চ তাৰিখে পুৱাৰ ভাগতে গুৱাহাটীৰ চচলত থকা চিলাৰায় ভৱনটো ভাঙি দিয়ে। তদানীন্তন চৰকাৰে আৱণ্টন দিয়া ভূমি লগতে যথাযথ নথি পত্ৰ থকাৰ পিছতো কোনো ৰহস্যজনক কাৰণত চিলাৰায় ভৱনটো ভাঙি দিয়ে। এই ক্ষেত্ৰত তিনি বছৰ পাছ মাহ উকলি গ'ল কিন্তু কোচ ৰাজবংশী সকলোৰ সন্মান, আবেগ অনুভূতি জড়িত থকা চিলাৰায় ভৱনটো নিৰ্মাণ কৰি নিদিলে। এয়া জনগোষ্ঠীটোৰ বাবে ঘোৰ অপমান। ইয়াৰ উপৰিও অসমৰ কোচ ৰাজবংশী সকলোক জনজাতিৰ মৰ্য্যদা প্ৰদান কৰাৰ কথা ঘোষণাৰ উপৰি ঘোষণা কৰিও আজিলৈকে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে তাৰ বাবে বি জে পি দ'ল আৰু চৰকাৰক তীব্ৰ সমালোচনা কৰি অনাগত দিনত চৰকাৰক সমুচিত উত্তৰ দিবলৈ সময় আহি পৰিছে বুলি ব্যক্ত কৰে। এই ক্ষেত্ৰত সমুচিত উত্তৰ দিবলৈ কোচ ৰাজবংশী সকলোক এক হোৱাৰ আহ্বান জনাইছে কোচ ৰাজবংশী সন্মিলনীৰ জিলা সমিতিৰ সভাপতি অশোক কুমাৰ দাস আৰু সম্পাদক দীপক কুমাৰ ৰয়ে। ইফালে দশক দশক ধৰি ৰাজনৈতিক ভাবে প্ৰবঞ্চিত অসমৰ সৰ্ববৃহৎ খিলঞ্জীয়া ভূমিপুত্ৰ জনগোষ্ঠী কোচ ৰাজবংশী সকলে জনজাতিৰ মৰ্যদাৰ পৰা বঞ্চিত হোৱাৰ বাবেই সামগ্ৰীক উন্নয়নৰ দিশত অগ্ৰসৰ হোৱাত প্ৰতিবন্ধকতা আহি পৰিছে। মুঠতে পৰিতাপৰ কথাটো হ'ল দেশৰ চলিত লোক সভাৰ অধিৱেশনত জনজাতি পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী দুৰ্গা দাস উইকেই এই কথা ঘোষণা কৰিছে যে অসম চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতি কৰণৰ বাবে থকা অৰ্হতাৰ মডেলিটিৰ প্ৰতিবেদন প্ৰস্তুতেই কৰা নাই। ইয়ে প্ৰমাণ কৰে ৰাজ্য চৰকাৰৰ সদ ইচ্ছাৰ কথা। সেয়ে আজিৰ সভাত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে অসমৰ কোচ ৰাজবংশী সকলোক প্ৰবঞ্চনা কৰা কাৰ্য্যক ধিক্কাৰ দিয়ে। আনহাতে পূৰ্বৰ চৰকাৰৰ মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰিত্বৰ সময়ত গঠন কৰা মন্ত্ৰী গোটে কেন্দ্ৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰিব বুলি আভুৱাভাৰি থাকিল। সেই গৰাকী হিমন্ত বিশ্ব শৰ্মাই বৰ্তমান মুখ্যমন্ত্ৰীৰ চকীত বহী পুনৰ জনগোষ্ঠীটোক বঞ্চিত কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। অন্যান্য দাবী সমূহ পূৰণৰ লগতে কোচ ৰাজবংশী সকলক শীঘ্ৰেই জনজাতিৰ মৰ্যাদা নিদিলে ইয়াৰ ফল শাসনাধিষ্ঠিত বিজেপি দলে চৰম শাস্তি ভুগিব লাগিব বুলি সকীয়াই দিয়ে সভাতেই। ইয়াৰোপৰি অসমত বি জে পিৰ চৰকাৰ গঠনৰ পূৰ্বে বি জে পি দলৰ নেতৃত্বই কোচ ৰাজবংশী সকলক অনুসূচীত জনজাতিৰ মৰ্য্যদা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল। আনকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও শাসনলৈ অহাৰ পূৰ্বে ছমাহৰ ভিতৰত কোচ ৰাজবংশী সকলোক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিছিল, যি প্ৰতিশ্ৰুতি আজিও পূৰণ নকৰিলে। এই বঞ্চনাৰ উত্তৰ ২০২৬ইং চনৰ সাধাৰণ নিৰ্বাচনত কোচ ৰাজবংশী জনগোষ্ঠীয়ে দিবলৈ মাৰ বান্ধি ঠিয় দিয়াৰ সময় আহি পৰিছে। ইয়াৰ বাবে কোচ ৰাজবংশী জনগোষ্ঠীৰ ভোটাৰ ৰাইজক সজাগ হ'বলৈ আহ্বান জনাইছে আজিৰ সভাই। ইয়াৰোপৰি সভাতেই ক্ষোভ উজাৰে যে যদি কোচ ৰাজবংশী সকলে জনজাতিৰ মৰ্যাদা পাৱলৈ চৰকাৰলৈ আশা পালি থাকে সমাগত নিৰ্বাচনতো লালিপোপ খুওৱাটো খাটাং। সেয়ে সময়োপযোগী সিদ্ধান্ত লবলৈ অহা ৯ নৱেম্বৰত বঙাইগাঁৱত কোচ ৰাজবংশী জনগোষ্ঠীৰ সংগঠনবোৰে বিশাল গণ গৰ্জনেৰে গণ সমাবেশ আয়োজন কৰিছে। গণ সমাবেশত অসমৰ সকলো কোচ ৰাজবংশী লোককে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে যৌথ সভাই।

# আমগুৰি আৰক্ষীৰ বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা আৰু চুলাই মদ জব্দ



**অসম বাৰ্তা, আমগুৰি, ৩ নৱেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষীয়ে আমগুৰি নগৰত এক বৃহৎ পৰিমাণৰ অবৈধ বিলাতী সুৰা আৰু চুলাই মদ জব্দ কৰিবলৈ সক্ষম হৈছে। যোৱা ২ নৱেম্বৰৰ নিশা শিৱসাগৰ জিলা উপ-আৰক্ষী অধীক্ষক ৰোহিত চৌধুৰী আৰু আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলে আমগুৰি নগৰৰ ৪ নং ৱাৰ্ডৰ বাসিন্দা হংস দত্তৰ ঘৰত অভিযান চলাই অবৈধ সুৰা সমূহ জব্দ কৰে। আৰক্ষী সূত্ৰৰ মতে, অভিযানকালত মুঠ ২২৩টা বিলাতী সুৰাৰ বটল আৰু ৫০ লিটাৰ চুলাই মদ জব্দ কৰা হৈছে। হংস দত্তৰ পুত্ৰ অভিযুক্ত পলাশ কুমাৰ দত্তই নিজৰ ঘৰত এই অবৈধ মদবোৰ মজুত কৰি ৰাখিছিল বুলি আৰক্ষীয়ে সন্দেহ কৰিছে। এই ঘটনাই অঞ্চলটোত অবৈধ মদৰ অবাধ বেহা চলি থকাৰ কথা পুনৰাই পোহৰলৈ আনিছে। স্থানীয় ৰাইজৰ অভিযোগ মতে, আমগুৰি নগৰৰ অলিয়ে-গলিয়ে, পানৰ দোকানৰ পৰা হোটেল, গেলামাল দোকানলৈকে অবৈধ মদৰ বিক্ৰী এক সুলভ ঘটনা। ইয়াৰ ফলত সামাজিক আৰু শৈক্ষিক পৰিবেশ বিনষ্ট হোৱাৰ লগতে নতুন প্ৰজন্মৰ ওপৰত ঋণাত্মক প্ৰভাৱ পৰিছে বুলি ৰাইজে উদ্বেগ প্ৰকাশ কৰিছে। স্থানীয় ৰাইজৰ এক গুৰুত্বপূৰ্ণ অভিযোগ হৈছে, বিভিন্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীৰে সজ্জিত আৱকাৰী বিভাগটোৱে আমগুৰিৰ অবৈধ সুৰাৰ সমস্যা সমাধানত গুৰুত্ব নিদিয়ে। আৱকাৰী বিভাগে মাজে-সময়ে চুলাই ভাটি উচ্ছেদৰ নামত নিয়মমাফিক কেৱল নাটক কৰে, কিন্তু স্থায়ী সমাধানৰ বাবে কোনো কাৰ্য্যকৰী পদক্ষেপ গ্ৰহণ নকৰে। অন্যহাতে, আমগুৰি থানাত নতুনকৈ যোগদান কৰা আৰক্ষী বিষয়া গৰাকীয়ে অবৈধ মদ ব্যৱসায় উৎখাত কৰিবলৈ গ্ৰহণ কৰা কঠোৰ ব্যৱস্থাক ৰাইজে ইতিবাচক দৃষ্টিৰে নিৰীক্ষণ কৰিছে। ৰাইজে আশা প্ৰকাশ কৰিছে যে আৰক্ষীৰ এই পদক্ষেপে অঞ্চলটোৰ পৰা অবৈধ মদৰ দোকানসমূহ সম্পূৰ্ণৰূপে উচ্ছেদ কৰাত সহায়ক হ'ব।

# কাজলগাঁৱত চিৰাং জিলা আয়ুক্ত যতীন বৰাৰ সংবাদমেল

**অসম বাৰ্তা, বিজনী, ৩ নৱেম্বৰ ঃ** সোমবাৰে চিৰাং জিলাৰ কাজলগাঁৱস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত চিৰাং জিলা আয়ুক্ত যতীন বৰাৰ সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত অনুষ্ঠিত কৰি জিলা আয়ুক্ত যতীন বৰাই অহা ১১ নৱেম্বৰ তাৰিখত ভাৰতৰ প্ৰথম গৃহ মন্ত্ৰী, লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০ সংখ্যক দিৱস জিলা খনৰ দুখন ঠাইত উদযাপন কৰা হব বুলি উল্লেখ কৰি তেখেতৰ দিৱসৰ লগত সংগতি ৰাখি অহা ১০ নৱেম্বৰ তাৰিখত কাজলগাঁৱস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা সমদল উলিয়াই কাজলগাঁও অসামৰিক চিকিৎসালয়হৈ পুনৰ আয়ুক্তৰ কাৰ্যালয়লৈ আহিব বুলি তেওঁ কয়। আনহাতে ১১ তাৰিখৰ কাৰ্যসূচীত ইউনিটি মাৰ্চ কাৰ্যসূচী ৰূপায়ণ কৰিব বিজনীত। বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ পৰা সমদল উলিয়াই বিজনী আবৰ্ত্ত ভৱন, বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় হৈ পুনৰ বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত সমদলৰ অন্ত পৰিব বুলি জনাই আয়ুক্ত যতীন বৰাই। কাৰ্যসূচীত ভিন্ন বিদ্যালয় মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল, এন, এন, এছৰ দলৰ লগতে জিলা খনৰ সকলো বিভাগৰ বিষয়া কৰ্মচাৰীয়ে সহযোগিতা কৰিব বুলিও তেওঁ সংবাদ মেলত উল্লেখ কৰে। সংবাদ মেলতেই অহা ৫ নৱেম্বৰ তাৰিখত ঢালিগাঁৱস্থিত বঙাইগাঁও শোধনাগাৰৰ প্ৰেক্ষাগৃহত ভাৰত ৰত্ন ড ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী ব্যাপক আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰিব বুলিও সংবাদমেলত উল্লেখ কৰে চিৰাং জিলা আয়ুক্ত যতীন বৰাই।

# এলেঙি নৰসিংহ সত্ৰ অভয়পুৰীয়া গাঁৱত দুদিনিয়াকৈ মুকলি ৰাসৰ আয়োজন; প্ৰস্তুতি সম্পূৰ্ণ

**অসম বাৰ্তা, উজনী মাজুলী, ৩ নৱেম্বৰ ঃ** সত্ৰীয়া সংস্কৃতিৰ পৃষ্ঠভূমি, লৌহিত্যৰ পূৰ্ণ জলধাৰাৰে বিধৌত নদীদ্বীপ মাজুলীৰ উত্তৰ-পূৱ কোণত আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহৰ পৃষ্ঠপোষকতাত আঢ়ৈশৰো অধিক বছৰ পূৰ্বে ধৰ্ম সংস্কৃতিৰ ভেটি দৃঢ় কৰাৰ উদ্দেশ্যেৰে প্ৰতিষ্ঠিত শ্ৰীশ্ৰী এলেঙি নৰসিংহ হৈ নিজস্ব গৰিমা অটুত ৰাখিবলৈ সক্ষম হৈছে। এই সত্ৰ ভাগিৰ ঐতিহ্য অক্ষুণ্ণ ৰাখি অহা ১৮ আৰু ১৯ কাতি ইংৰাজী ৫ আৰু ৬ নবেম্বৰত এলেঙি নৰসিংহ সত্ৰ অভয়পুৰীয়া শংকৰী কৃষ্টি বিকাশ কেন্দ্ৰৰ সৌজন্যত আৰু স্থানীয় ৰাইজৰ সহযোগত এলেঙি নৰসিংহ সত্ৰ অভয়পুৰীয়া গাঁও মুকলি মঞ্চত দুদিনিয়াকৈ বিনামূলীয়া শ্ৰীকৃষ্ণ ৰাস উৎসৱ ভাগি উদ্‌যাপনৰ দিহা কৰিছে। যাৰ বাবে দিনে নিশাই শিশুৰ পৰা পুৰুষ মহিলালৈকে ৰাসৰ আখৰাত ব্যস্ত হৈ পৰিছে।

# বিশুদ্ধ খোৱাপানী, ৰাস্তা আৰু বিজুলিৰ ব্যৱস্থাৰ দাবীৰে নাহৰকটীয়া সমষ্টিৰ নামচাঙত গণ আন্দোলন কাৰ্যসূচী

**অসম বাৰ্তা, নাহৰকটীয়া, ৩ নৱেম্বৰ ঃ** সদৌ অসম চাহজনজাতি ছাত্ৰ সন্থা (আটচা) নামচাং চাহ বাগিছা প্ৰাথমিক গোটৰ উদ্যোগত আৰু অসম চাহ মজদুৰ সংঘ নামচাং চাহ বাগিছা প্ৰাথমিক গোটৰ সহযোগত আজি নামাচঙৰ প্ৰায় চাৰি শতাধিক লোকে ৰাস্তা, বিজুলি আৰু বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাকৰণৰ দাবীৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে স্বাধীনতাৰ ৭৯ বছৰৰ পাছটো নাহৰকটীয়া সমষ্টিৰ সীমামূৰীয়া এই নামচাং চাহবাগিছাৰ লোকসকলে ৰাস্তা বিজুলি আৰু বিশুদ্ধ খুৱাপানী অভাৱত ভুগিব লগীয়া হৈছে। পৰিপেক্ষিতত আজি অঞ্চলটোৰ চাহ শ্ৰমিক সকলে চৰকাৰৰ বিৰুদ্ধে সাব্যস্ত কৰে বৃহৎ গণ আন্দোলন কাৰ্যসূচীৰ। নামাচাং চাহ বাগিচাৰ চাহ মজদুৰ ক্লাৱৰ প্ৰাঙ্গনত ৰূপায়িত উক্ত গণ আন্দোলন কাৰ্যসূচীত অংশগ্ৰহণ কৰি আটচাৰ প্ৰাক্তন কেন্দ্ৰীয় সহঃ সাধাৰণ সম্পাদক ললিত মাহালিয়ে কয় প্ৰতিখন চৰকাৰে প্ৰতিবাৰেই নামচাঙৰ ৰাইজক প্ৰতাৰণা কৰি আহিছে। যি চৰকাৰে ব্ৰহ্মপুত্ৰৰ পানীয়েদি সুৰংগ নিৰ্মাণৰ কথা কয়, কাজিৰঙাৰ উপৰেদি উৰণ সেতু নিৰ্মাণৰ কথা কয় সেই চৰকাৰে নামচাঙৰ পথ কিয় নিৰ্মাণ কৰিব নোৱাৰে। নামচাং বাসীক বিশুদ্ধ খোৱাপানী আৰু বিজুলিৰ ব্যৱস্থা কিয় প্ৰদান কৰিব নোৱাৰে বুলি প্ৰশ্ন উদ্ৰেক ঘটাই দিছপুৰ আৰু দিল্লীৰ এনে প্ৰতাৰণা দেখি দুখ প্ৰকাশ কৰাৰ লগতে নামচাং বাসীৰ এই সমূহ সমস্যা সমাধানৰ দাবী উত্থাপন কৰে। একেদৰে আটচাৰ নাহৰকটীয়া শাখাৰ ভাৰপ্ৰাপ্ত সভাপতি বিজেশ ঘাটোৱাৰ আৰু ভাৰপ্ৰাপ্ত সাঃ সম্পাদক অমৃত কন্দইও প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি নামচাং বাসীৰ সমস্যা সমাধানৰ দাবী উত্থাপন কৰে। আজিৰ কাৰ্যসূচীত সদৌ অসম চাহ জনজাতি ছাত্ৰ সন্থা(আটছা) নাহৰকটীয়া শাখাৰ সাংগঠনিক সম্পাদক পুৰ্টিৰাজ তাঁতী, জয়পুৰ উপ শাখাৰ বিশাল তাঁতী, সম্পাদক পৰখিত বাড়া, নামচাং চাহ বাগিছা প্ৰাথমিক গোটৰ উপদেষ্টা সম্ৰাট চাওৰা, চাহ মজদুৰ সঙঘ নামচাং চাহ বাগিছা প্ৰাথমিক গোটৰ উপদেষ্টা অন্তৰাম চনা, দেৱেন ৰাই ঘাটোৱাৰ, সভাপতি শংকৰ তাঁতীৰ লগতে অঞ্চলটোৰ প্ৰায় চাৰি শতাধিক চাহ শ্ৰমিকে অংশগ্ৰহণ কৰে।

## ৰাজ্যত সক্ৰিয় বৃক্ক

ভিত্তিত নগাঁও আৰক্ষীয়ে অনুসন্ধান আৰম্ভ কৰি সোমবাৰে নিশা তিনিজনক আটক কৰিছে। এই ঘটনাই ৰাজ্যত অৰ্গান ট্ৰেডিংৰ অন্ধকাৰ জগতখনক পুনৰ সন্মুখলৈ আনিছে। হুজ কৈৱৰ্ত গাঁৱৰ ধৰণী দাস, মহেন্দ্ৰ দাস আৰু দ্বীপ দাসক আটক কৰি জেৰা চলাইছে আৰক্ষীয়ে। ধৰণী দাসে স্বীকাৰ কৰিছে যে, চাৰি বছৰ পূৰ্বে কলকাতাৰ এখন হাস্পতালত অস্ত্ৰোপচাৰ কৰি পূৰ্বৰ মালিকক কিডনী দিছিল। যদিও তেওঁ ধন লোৱাৰ কথা অস্বীকাৰ কৰিছে, তথাপি অভাৱৰ কথা উল্লেখ কৰিছে। দ্বীপ দাসে কয়, "মই জুৰীয়াৰ এজন লোকক কিডনী দিবলৈ গৈছিলোঁ। কিন্তু হেপাটাইটিছ হোৱা বাবে দিব পৰা নগ'ল। মোৰ মাক বেমাৰত আছিল, শাৰীৰিক অৱস্থাও বেয়া আছিল। পইচাৰ অভাৱত কিডনী দিবলৈ ওলাইছিলোঁ। যদি মিলিলেহেঁতেন আলোচনা কৰিলোহেঁতেন। গাঁৱত বহুতে দিছে বুলি শুনিছোঁ।" মহেন্দ্ৰ দাসে খুড়াকক দান কৰা বুলি দাবী কৰিলেও বিক্ৰীৰ অভিযোগ নাকচ কৰিছে। গাঁওপ্ৰধানগৰাকীয়ে কয়, "এয়া আজিৰ সমস্যা নহয়। ২০২১ চনৰ পৰাই চলি আহিছে। গম পোৱা মতে, গাঁৱৰ ৪০ শতাংশ লোকৰ কিডনী নাই। সঠিক সংখ্যা ক'ব নোৱাৰোঁ, কিন্তু মধ্যভোগীৰ প্ৰৰোচনাত পৰি ভাই-বন্ধুসকলে কিডনী বিক্ৰী কৰি মৃত্যুৰ পথলৈ গতি কৰিছে। জিলা আয়ুক্তক অনুৰোধ জনাইছোঁ যাতে এই সমস্যাৰ মূলোৎপাটন কৰে।" স্থানীয় লোকসকলে মধ্যভোগীসকলৰ জড়িততাৰ অভিযোগ উত্থাপন কৰি প্ৰশাসনৰ হস্তক্ষেপ বিচাৰিছে। এজন যুৱকে কয়, "মোৰ মাক বেমাৰত আছিল, চিকিৎসাৰ পইচা নাছিল। শাৰীৰিক অৱস্থাও ভাল নাছিল। অভাৱত কিডনী বিক্ৰী কৰিবলৈ ওলাইছিলোঁ।" এই ঘটনাই গাঁৱৰ অৰ্থনৈতিক দুৰ্দশাৰ চিত্ৰ উদঘাটন কৰিছে। বহুতে চিকিৎসা, ঋণ পৰিশোধ বা পৰিয়াল পোহপালৰ বাবে এই পথ বাছি লৈছে। অবৈধ অৰ্গান ট্ৰেডিঙৰ এই নেটৱৰ্কত মধ্যভোগীসকলে প্ৰৰোচনা দি লাভৱান হৈছে বুলি অভিযোগ। নগাঁও আৰক্ষীয়ে নিজাববীয়াকৈ অনুসন্ধান চলাই আটককৃতসকলক জেৰা কৰি আছে। অধিক লোক জড়িত থকাৰ সন্দেহত তদন্ত বিস্তৃত কৰা হৈছে। জিলা প্ৰশাসনক সচেতনতা অভিযান, অৰ্থনৈতিক সহায় আৰু কঠোৰ নজৰদাৰীৰ বাবে আহ্বান জনোৱা হৈছে। এই ঘটনাই ৰাজ্যত দাৰিদ্ৰ্য নিৰ্মূল আৰু স্বাস্থ্য সুৰক্ষাৰ প্ৰয়োজনীয়তাক পুনৰ সন্মুখলৈ আনিছে। গাঁৱৰ লোকসকলে মৃত্যুৰ সন্মুখীন হোৱাৰ আশংকাৰ মাজতে প্ৰশাসনৰ তৎপৰতাৰ অপেক্ষাত আছে।

## ছত্তিশগড়ৰ বিলাশপুৰত ৰে'ল

কেইবাটাও ৰে'ল দুৰ্ঘটনাই ৰেলৱেৰ নিৰাপত্তাৰ ব্যৱস্থাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে। এই পটভূমিত আজি পুনৰ এক অতি ভয়াবহ দুৰ্ঘটনাই সমগ্ৰ দেশক শোকাহত কৰি দিছে। ছত্তীশগড়ৰ বিলাসপুৰ জিলাত সন্ধিয়া প্ৰায় ৪ বজাৰত সংঘটিত এই দুৰ্ঘটনাত কমপক্ষে ছয় জনৰ মৃত্যু হৈছে আৰু ১৬ জনক আহত হৈছে। দুৰ্ঘটনাটোত জড়িত হৈছে এক যাত্ৰীবাহী মেমু (MEMU) ট্ৰেইন আৰু এক মালবাহী ট্ৰেইন, যাৰ ফলত যাত্ৰীবাহী ট্ৰেইনৰ এটা ডবা মালবাহী ট্ৰেইনৰ ওপৰত বাগৰি পৰি গৈছে। দুৰ্ঘটনাটো সংঘটিত হৈছে গটৰা আৰু বিলাসপুৰ ৰেলৱে ষ্টেচনৰ মাজত, জয়ৰামনগৰ ষ্টেচনৰ সামীপ্যত। কোৰবা জিলাৰ গেভৰাৰ পৰা বিলাসপুৰলৈ যাওৱা যাত্ৰীবাহী মেমু ট্ৰেইন নং. ৬৮৭৪৬ (গেভৰা ৰোড-বিলাসপুৰ) তে এক স্থায়ী মালবাহী ট্ৰেইনৰ সৈতে মুখামুখি সংঘৰ্ষত জড়াই পৰে। প্ৰাথমিক তদন্তত জনা গৈছে যে, যাত্ৰীবাহী ট্ৰেইনটোৱে সিগণ্যাল অতিক্ৰম কৰি মালবাহী ট্ৰেইনৰ পিছলৈ ধাক্কা দিছে। এই সংঘৰ্ষটো ৰূপকথাৰ দৰে শক্তিশালী আছিল যে, যাত্ৰীবাহী ট্ৰেইনৰ প্ৰথম ডবাটো মালবাহী ট্ৰেইনৰ একটি ওৱাগনৰ ওপৰত উঠি গৈছে। ফলত ডবাৰ অংশখণি বিকৃত হৈ গৈছে আৰু কেইবাটাও যাত্ৰী আটকা পৰি আছে। স্থানীয় লোকসকলে প্ৰথমে এক বৃহৎ শব্দ শুনি ঘটনাস্থলীত দৌড়াই গৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। তেওঁলোকৰ সহায়ত দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে ৰে'লৱে কৰ্তৃপক্ষ আৰু জিলা প্ৰশাসনৰ দলসমূহ ঘটনাস্থলীত উপস্থিত হয়। দক্ষিণ-পূব কেন্দ্ৰীয় ৰে'লৱে (SECR)ৰ অধীনত এই ঘটনা ঘটিছে। উদ্ধাৰকাৰী দলসমূহে আহত যাত্ৰীসকলক ধাত্ৰীমূলক হিচাপে উদ্ধাৰ কৰি বিলাসপুৰৰ আপল' হস্পিতাল আৰু ছত্তীশগড় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান (CIMS)ত প্ৰেৰণ কৰিছে। কমপক্ষে একজন আহতৰ অৱস্থা গুৰুতৰ বুলি জানিব পৰা গৈছে। সম্প্ৰতি ঘটনাস্থলীত উদ্ধাৰ অভিযান অব্যাহত আছে আৰু দুজন যাত্ৰী এতিয়াও আটকা হৈ আছে বুলি পুলিছৰ জিএম (IG) শুক্লাই জনাইছে। দক্ষিণ-পূব কেন্দ্ৰীয় ৰে'লৱেৰ বিষয়াসকলে জনোৱা অনুসৰি, এই দুৰ্ঘটনাৰ ফলত 'আপ লাইন'ত ৰে'ল চলাচল সম্পূৰ্ণৰূপে ব্যাহত হৈছে। বিলাসপুৰ-কটনী খণ্ডত ইয়াৰ প্ৰভাৱ পৰিছিল আৰু কেইবাটাও ট্ৰেইন বিলম্বিত হৈছে বা বিলকুল বাতিল হৈছে। প্ৰভাৱিত ট্ৰেইনসমূহৰ ভিতৰত আছে লেট লাডনুম-হাওড়া মেইল (১২৮০৯), গোণ্ডিয়া-ৰাইগড়জন শতাব্দী এ'প্ৰেছ (১২০৭০) আদি। ওভাৰহেড ইলেকট্ৰিক ৱৰাইৰিং আৰু সিগণ্যালিং সিষ্টেমকো বহুত ক্ষতি হৈছে, যাৰ মেৰামতিৰ বাবে কিছু সময় লাগিব বুলি বিষয়াসকলে কয়। ৰেলৱে প্ৰশাসনে আহতসকলক উপযুক্ত চিকিৎসা প্ৰদানৰ বাবে সকলো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে আৰু দুৰ্ঘটনাৰ কাৰণ জানিবলৈ ৰেলৱে নিৰাপত্তা কমিছনাৰ (CRS) দ্বাৰা এক বিস্তৃত তদন্তৰ আদেশ দিয়া হৈছে। দক্ষিণ-পূব কেন্দ্ৰীয় ৰেলৱেৰ জেনেৰেল মেনেজাৰ আৰু বিলাসপুৰ মণ্ডল ৰেলৱেৰ প্ৰবন্ধক দুয়োজনেই ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ মূল্যায়ন কৰিছে। ৰেলৱে মন্ত্ৰণালয়ই মৃত জনসকলৰ পৰিবাৰক প্ৰতি প্ৰায় ১০ লাখ টকা, গুৰুতৰভাৱে আহতসকলক ৫ লাখ টকা আৰু সাধাৰণ আহতসকলক ১ লাখ টকাৰ নগদ সহায় প্ৰদানৰ ঘোষণা কৰিছে। যাত্ৰীসকলক সহায়ৰ বাবে ৰেলৱেৰ হেল্পলাইন নম্বৰসমূহ প্ৰকাশ কৰা হৈছে: বিলাসপুৰ (৭৭৭৭৮৫৭৩৩৫, ৭৮৬৯৯৫৩৩৩০), চম্পা (৮০৮৫৯৫৬৫২৮), ৰাইগড় (৯৭৫২৪৮৫৬০০) আদি। ছত্তীশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেও চায়ে এই দুৰ্ঘটনাৰ বাবে গভীৰ শোক প্ৰকাশ কৰি বিলাসপুৰ জিলা কালেক্টৰৰ সৈতে কথা পাতি তৎক্ষণাৎ সহায় আৰু চিকিৎসাৰ বাবে নিৰ্দেশ দিছে। তেওঁ এক এক্স-পোষ্টত কয়, "বিলাসপুৰৰ সানুকুলৰে ঘটি থকা এই দুৰ্ঘটনাৰ খবৰে অতি দুখী কৰিছে।" টিএমচিৰ অভিষেক বৰ্ণাওজী আৰু অন্যান্য নেতাসকলে পিছমোচন প্ৰকাশ কৰি আহতসকলৰ দ্ৰুত সুস্থতাৰ কামনা কৰিছে। এই দুৰ্ঘটনাই দেশজুৰি ৰাজনৈতিক আৰু সামাজিক মহলত ব্যাপক তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশেষজ্ঞসকলে কয় যে, ৰে'লৱেৰ সিগণ্যালিং সিষ্টেম আৰু নিৰাপত্তা ব্যৱস্থাৰ দুৰ্বলতাই এনে দুৰ্ঘটনাৰ প্ৰধান কাৰণ হৈ পৰিছে। সাম্প্ৰতিক সময়ত বালাসোৰ, আন্ধ্ৰপ্ৰদেশ আৰু অন্যান্য স্থানত ঘটি থকা দুৰ্ঘটনাৰ পটভূমিত এই ঘটনাই চৰকাৰীক ৰেল নিৰাপত্তাৰ বাবে তৎক্ষণাৎ পদক্ষেপ গ্ৰহণৰ বাবে চাপ দিছে। আগন্তুক তদন্তৰ প্ৰতিবেদনত কি কি সুপাৰিশ উত্থাপিত হয়, তাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে।

**১৪২নং চিআৰপিএফ কেম্প স্থানান্তৰ কৰাৰ দাবী**

# নগা দুৰ্বৃত্তৰ বিৰুদ্ধে পুনৰ গৰজি উঠিল উৰিয়ামঘাটবাসী ৰাইজ

### উচ্ছেদিত এলেকাত অসম বেটেলিয়ন কেম্প স্থাপনৰ আহ্বান

**অসম বাৰ্তা, ধনশিৰি, ৪ নৱেম্বৰ ঃ** উৰিয়ামঘাটত নগা দুৰ্বৃত্তৰ বিৰুদ্ধে মঙ্গলবাৰে পুনৰ গৰজি উঠিল স্থানীয় ৰাইজকে ধৰি বিভিন্ন দল-সংগঠন। অসমৰ ভূমিত নগা দুৰ্বৃত্তই সঘনাই কৰা বিভিন্ন দুষ্কাৰ্যক লৈ জাঙুৰ খাই উঠিছে সকলো ৰাইজ। মঙ্গলবাৰে উৰিয়ামঘাট চহৰৰ মাজমজিয়াত বিভিন্ন দল-সংগঠন আৰু স্থানীয় ৰাইজ মিলি এক "বিশাল গণ হুংকাৰ" অনুষ্ঠানৰ আয়োজন কৰে। উক্ত অনুষ্ঠানত সৰুপথাৰ সমজিলাৰ বহুকেইটা দল-সংগঠনে ভাগ লোৱাৰ উপৰি সহস্ৰাধিক ৰাইজ একত্ৰিত হয়। অনুষ্ঠানটোত নগা দুষ্কৃতিকাৰীৰ ওপৰত বৰ্তমান সময়লৈকে অসম চৰকাৰ বা প্ৰশাসনে কোনো ধৰণৰ বিহিত ব্যৱস্থা গ্ৰহণ নকৰাত ক্ষুণ্ণ হৈ পৰে ৰাইজ আৰু চৰকাৰখনক তীব্ৰ সমালোচনা কৰে। তেওঁলোকে সীমান্ত অঞ্চলত সুৰক্ষা প্ৰদান কৰাত অসম চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে বুলি অভিহিত কৰে। বিভিন্ন দল-সংগঠনৰ নেতাসকলে উৰিয়ামঘাট চহৰত থকা চি চেক্টৰৰ ১৪২ বিএন চিআৰপিএফৰ কেম্পটো সেই স্থানৰ পৰা সীমান্তলৈ স্থানান্তৰ কৰিবলৈ অসম চৰকাৰক দাবী জনাই। আনহাতে সীমান্ত অঞ্চলৰ খিলঞ্জীয়া ৰাইজক নিৰাপত্তা দিয়াৰ বাবে উচ্ছেদিত এলেকাত অসম বেটেলিয়ন কেম্প বহাবলৈ অসম চৰকাৰৰ ওচৰত আহ্বান জনাই। অসম চৰকাৰ আৰু প্ৰশাসনে সীমান্ত অঞ্চলত শীঘ্ৰেই সকলো ধৰণৰ সমস্যা সমাধান নকৰিলে অনাগত সময়ত জংগী আন্দোলন গঢ়ি তুলিব বুলি উপস্থিত বিভিন্ন দল-সংগঠনসমূহে হুংকাৰ প্ৰদান কৰে আৰু ৮ দফীয়া দাবী সম্বলিত এখনি স্মাৰক পত্ৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীলৈ প্ৰেৰণ কৰে।

## নিযুত মইনা আঁচনিৰ নামত

সমূহৰ শিক্ষাৰ মানদণ্ড নিৰীক্ষণ কৰাৰ উদ্দেশ্যেৰে নগাঁও চহৰৰ মাজমজিয়া স্থিত ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত আকস্মিক পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালচোৱাত আয়ুক্ত গৰাকীয়ে ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত এক গুৰুতৰ অনিয়মৰ তথ্য পোহৰলৈ আনে। অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা বিশেষকৈ কন্যা শিক্ষাৰ্থীসকলক সামৰি লোৱা অভিলাষী পদক্ষেপ "মুখ্যমন্ত্ৰী নিযুত মইনা ২.০" আঁচনিৰ নামত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ পৰা ধন সংগ্ৰহ কৰাৰ দৰে এক দুৰ্ভাগ্যজনক কাৰ্য আয়ুক্ত ডাঙৰীয়াৰ দৃষ্টিগোচৰ হয়। এই ঘটনাৰ অনুসন্ধান কালত বিদ্যালয়খনৰ জ্যেষ্ঠ সহায়ক শ্ৰী পৱন কুমাৰ বৰাই শিক্ষাৰ্থীসকলৰ পৰা নাম ভৰ্তি, নৱম শ্ৰেণীৰ পঞ্জীয়ন আৰু একাদশ-দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ পৰা অবৈধভাৱে ধন সংগ্ৰহৰ অভিযোগ প্ৰমাণিত হোৱাত জিলা আয়ুক্ত গৰাকীয়ে অভিযুক্ত জ্যেষ্ঠ সহায়ক পৱন বৰাক গৰাকীক তাৎক্ষণিকভাৱে চাকৰিৰ পৰা নিলম্বিত কৰাৰ লগতে নগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথক এই সমগ্ৰ বিষয়টোৰ ওপৰত কঠোৰ বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ লগতে বিদ্যালয়খনৰ অধ্যক্ষ গৰাকীক কাৰণ দৰ্শোৱাৰ (শ্ব'কজ) জাননী প্ৰেৰণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। জিলা আয়ুক্ত গৰাকীয়ে কয় যে, বিদ্যালয় হৈছে শিক্ষাৰ মন্দিৰ। চৰকাৰী বিদ্যালয়সমূহত শিক্ষাৰ্থীসকলক উপকৃত কৰিবলৈ অসম চৰকাৰৰ শিক্ষা বিভাগে বিভিন্ন সময়ত ন ন আঁচনি গ্ৰহণ কৰি আহিছে। কিন্তু তেনে পৱিত্ৰ অনুষ্ঠানতে শিক্ষাগুৰু বা অন্যান্য কৰ্মচাৰীয়ে যদি শিক্ষাৰ্থীসকলৰ সৈতে এনে ধৰণৰ অনিয়ম চলায়, তেন্তে তেনে কাৰ্য কোনো কাৰণতে গ্ৰহণযোগ্য নহয় আৰু তেনে ব্যক্তিৰ ওপৰত কঠোৰভাৱে আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## মুম্বাইত SIT, পুৰণি

তদন্তকাৰী দল (SIT)ৰ কাৰ্যপ্ৰণালী এতিয়া মুম্বাইলৈ বিস্তৃত হৈছে। অতিৰিক্ত আৰক্ষী অধীক্ষক (APS) মৰমী দাসৰ নেতৃত্বত এটা বিশেষ দল মুম্বাইত উপস্থিত হৈছে আৰু জুবিনৰ পূৰ্বৰ চিকিৎসা ইতিহাসৰ গভীৰ অনুসন্ধান আৰম্ভ কৰিছে। সূত্ৰই প্ৰকাশ কৰা মতে, কেইবছৰমান পূৰ্বে জুবিন গাৰ্গে মুম্বাইৰ এখন নামী ব্যক্তিগত হাস্পতালত দীৰ্ঘদিনীয়া চিকিৎসা গ্ৰহণ কৰিছিল। সেই সময়ৰ অসুস্থতাৰ প্ৰকৃতি, প্ৰদান কৰা ঔষধ, চিকিৎসা প্ৰক্ৰিয়া আৰু তেতিয়াৰ চিকিৎসকসকলৰ মতামত— এই সকলো তথ্য SITৰ বাবে অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। এই তথ্যসমূহে জুবিনৰ মৃত্যুৰ কাৰণৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষ সংযোগ থকাৰ সম্ভাৱনা আছে বুলি তদন্তকাৰী বিষয়াসকলে অনুমান কৰিছে। মৰমী দাসৰ নেতৃত্বত SITৰ দলটোৱে হাস্পতালখনৰ চিকিৎসক, নাৰ্ছ আৰু কৰ্মচাৰীসকলক সোধা-পোছা কৰিব। জুবিনৰ চিকিৎসাৰ সময়ৰ মেডিকেল ৰেকৰ্ড, প্ৰেসক্ৰিপচন, লেবৰেটৰী পৰীক্ষাৰ ফলাফল আৰু অন্যান্য নথি-পত্ৰ সংগ্ৰহ কৰা হ'ব। এই সকলো তথ্য চাৰ্জশ্বীটত সন্নিবিষ্ট কৰি তদন্তৰ পৰৱৰ্তী পৰ্যায়ত আদালতত দাখিল কৰা হ'ব বুলি জানিব পৰা গৈছে।" জুবিন গাৰ্গৰ অতীতৰ স্বাস্থ্য অৱস্থা আৰু চিকিৎসাৰ ইতিহাসে এই মৃত্যুৰ ঘটনাৰ পটভূমি বুজাত সহায় কৰিব। আমি কোনো দিশ এৰি নিদিওঁ, "বুলি SITৰ এগৰাকী বিষয়াই সংবাদ মাধ্যমৰ আগত মন্তব্য কৰিছে। ইতিমধ্যে অসমত SITয়ে জুবিনৰ ঘনিষ্ঠ ব্যক্তি, পৰিয়ালৰ সদস্য আৰু সহযোগীসকলৰ জবানবন্দী গ্ৰহণ কৰি আহিছে। মুম্বাইৰ এই সফৰে তদন্তক অধিক বৈজ্ঞানিক আৰু বিস্তৃত কৰি তুলিছে। বিশেষকৈ জুবিনৰ দীৰ্ঘদিনীয়া অসুস্থতা আৰু মৃত্যুৰ মাজত কোনো সংযোগ আছে নেকি, সেই প্ৰশ্নৰ উত্তৰ বিচাৰি উলিওৱাটোৱে তদন্তৰ গতি নিৰ্ধাৰণ কৰিব। ন্যায়িক আয়োগৰ সমান্তৰাল তদন্তও চলি থকাৰ মাজতে SITৰ এই সক্ৰিয়তাই ৰাজহুৱা মহলত আশাৰ সঞ্চাৰ কৰিছে। ৰাইজে আশা কৰিছে যে, এই তদন্তই জুবিন গাৰ্গৰ মৃত্যুৰ সকলো ৰহস্য উন্মোচন কৰি ন্যায় প্ৰদানত সহায় কৰিব।

## POCSO আইনৰ অপব্যৱহাৰ

যে, বৈবাহিক কলহৰ লগতে কিশোৰ-কিশোৰীৰ মাজত সন্মতিসূচক যৌন সম্পৰ্কৰ ক্ষেত্ৰতো এই কঠোৰ আইনটোক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে, যি অতি দুৰ্ভাগ্যজনক। ন্যায়াধীশ বিভি নাগাৰত্না আৰু ন্যায়াধীশ আৰ মহাদেৱনৰ নেতৃত্বাধীন দ্বৈত বিচাৰপীঠে মঙলবাৰৰ শুনানিত এই মন্তব্য প্ৰদান কৰে। আদালতে জোৰ দি কয় যে, দেশৰ বহু যুৱক-যুৱতী এই আইনৰ জটিল বিধানসমূহৰ বিষয়ে সম্পূৰ্ণ অজ্ঞাত। ফলত অজানিতে তেওঁলোক আইনী জালত পৰি জীৱনৰ এক বৃহৎ অংশ কাৰাগাৰত কটাবলগীয়া হয়। সেয়েহে, যুৱ প্ৰজন্মৰ মাজত POCSO আইনৰ আইনী প্ৰভাৱ আৰু বিপদসমূহৰ বিষয়ে ব্যাপক সজাগতা সৃষ্টি কৰাটো অতি জৰুৰী বুলি আদালতে মত প্ৰকাশ কৰে। সংবাদ সংস্থা পিটিআইৰ প্ৰতিবেদন অনুসৰি, বিচাৰপীঠে পোনপটীয়াকৈ পৰ্যবেক্ষণ কৰে যে, প্ৰেমৰ সম্পৰ্কত থকা কিশোৰ-কিশোৰীসকলে সন্মতিৰে যৌন সম্পৰ্ক স্থাপন কৰিলে পাছলৈ বিচ্ছেদৰ সময়ত এই আইনৰ অধীনত গোচৰ ৰুজু কৰি একপক্ষইয়াকৈ প্ৰতিশোধ লোৱাৰ প্ৰৱণতা বাঢ়িছে। আদালতে যুৱসমাজক এই আইনৰ গুৰুতৰ পৰিণতিৰ বিষয়ে সচেতন কৰাৰ বাবে শিক্ষা প্ৰতিষ্ঠান, মাধ্যম আৰু চৰকাৰী সংস্থাসমূহক দায়িত্বশীল হ'বলৈ নিৰ্দেশ দিয়ে। এই গোচৰটোৰ মূলতে আছে অধিবক্তা আবাদ হৰ্যদ পণ্ডাৰ দাখিল কৰা এক জনস্বাৰ্থ জড়িত আবেদন (PIL)। পণ্ডাই দাবী জনাইছে যে, ১৪ বছৰৰ তলৰ শিশুসকলক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান কৰা সকলো শিক্ষানুষ্ঠানত নাৰী আৰু শিশুৰ বিৰুদ্ধে হোৱা যৌন অপৰাধ, POCSO আইনৰ বিধান আৰু সুৰক্ষাৰ উপায়সমূহৰ বিষয়ে সজাগতামূলক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হওক। ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ে এই সজাগতা অভিযানৰ প্ৰতি সন্মতি প্ৰকাশ কৰি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয় তথা কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণীকৰণ ব'ৰ্ড (CBFC)ক জাননী প্ৰেৰণ কৰিছিল। এই সংস্থাসমূহে শিক্ষানুষ্ঠানীয় পাঠ্যক্ৰমত সজাগতাৰ বিষয় অন্তৰ্ভুক্তিৰ লগতে টেলিভিছন, ৰেডিঅ', ছ'চিয়েল মিডিয়া আৰু চলচ্চিত্ৰৰ জৰিয়তে জনসাধাৰণৰ মাজত এই বিষয়ে প্ৰচাৰ চলোৱাৰ পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। মঙলবাৰৰ শুনানিৰ অন্তত আদালতে এই গোচৰৰ পৰৱৰ্তী তাৰিখ আগন্তুক ২ ডিচেম্বৰলৈ স্থগিত ৰাখিছে। তেতিয়ালৈ কেন্দ্ৰীয় চৰকাৰে এই সজাগতা অভিযানৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰিব লাগিব বুলি নিৰ্দেশ দিয়া হৈছে। এই পৰ্যবেক্ষণে দেশজুৰি আইনী বিশেষজ্ঞ, শিক্ষাবিদ আৰু সমাজকৰ্মীসকলৰ মাজত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে যে, POCSO আইনৰ উদ্দেশ্য শিশু সুৰক্ষা হ'লেও ইয়াৰ অপব্যৱহাৰে যুৱসমাজৰ জীৱনত অপূৰণীয় ক্ষতি কৰিব পাৰে। সেয়েহে, আইনৰ সঠিক প্ৰয়োগৰ লগতে সজাগতা অভিযানে এক সুষম সমাধানৰ পথ প্ৰশস্ত কৰিব বুলি আশা কৰা হৈছে।

## প্ৰধানমন্ত্ৰীক চৰকাৰী বাসভৱনত

ড° হিমন্ত বিশ্ব শৰ্মাই। প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসভৱনত অনুষ্ঠিত এই সাক্ষাৎকাৰত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ দুটা মহত্ত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানলৈ প্ৰধানমন্ত্ৰীক অসমলৈ আমন্ত্ৰণ জনায়। এই দুটা প্ৰকল্পই অসমৰ অৰ্থনৈতিক আৰু পৰিকাঠামোৰ ক্ষেত্ৰত যুগান্তকাৰী পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। সাক্ষাৎৰ পিছত সামাজিক মাধ্যমত পোষ্ট কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লিখিছে, "আজি দিল্লীত মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক সাক্ষাৎ কৰিলোঁ। এই সুযোগত তেখেতক অসমৰ দুটা যুগান্তকাৰী প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানলৈ আমন্ত্ৰণ জনাই অত্যন্ত আনন্দিত হৈছোঁ।" প্ৰধানমন্ত্ৰীয়ে এই আমন্ত্ৰণক সাদৰে গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে, যাৰ ফলত অসমবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। প্ৰথম প্ৰকল্পটো হৈছে গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন। এই অত্যাধুনিক টাৰ্মিনেলে প্ৰতি বছৰে ১.৩ কোটি যাত্ৰীক সেৱা আগবঢ়াব পৰা ক্ষমতাৰে সজ্জিত হ'ব। বিশ্বমানৰ সুবিধাৰে নিৰ্মিত এই প্ৰকল্পই গুৱাহাটীক দেশৰ অন্যতম প্ৰধান বিমান চলাচল কেন্দ্ৰ হিচাপে পৰিগণিত কৰি তুলিব। উত্তৰ-পূৰ্বাঞ্চলৰ সংযোগীতা বৃদ্ধিৰ ক্ষেত্ৰত এই টাৰ্মিনেলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। বিমানবন্দৰৰ সম্প্ৰসাৰণে পৰ্যটন, ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত নতুন দিগন্ত মুকলি কৰিব। দ্বিতীয় প্ৰকল্পটো হৈছে নামৰূপত নিৰ্মাণ হ'বলগীয়া ব্ৰাউনফিল্ড এমনিয়া-ইউৰিয়া পৰিসৰ। মুঠ ১০, ৬০১ কোটি টকাৰ বিনিয়োগেৰে নিৰ্মাণ হ'ব এই ঔদ্যোগিক ইউনিট। প্ৰকল্পটোৰ শিলান্যাস অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ উপস্থিতিয়ে ইয়াক অধিক গুৰুত্ব প্ৰদান কৰিব। এই পৰিসৰে উত্তৰ-পূৰ্বাঞ্চলৰ কৃষকসকলৰ বাবে প্ৰয়োজনীয় সাৰৰ যোগান নিশ্চিত কৰিব। ফলত কৃষি উৎপাদন বৃদ্ধি পোৱাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক স্বাৱলম্বনতো সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে পোষ্টত লগতে উল্লেখ কৰিছে, "মাননীয় মোদী ডাঙৰীয়াই আমাৰ প্ৰস্তাৱত সন্মতি জনোৱাৰ বাবে আমি কৃতজ্ঞ। তেখেতক অসমত আদৰি অনাৰ বাবে আমি অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছোঁ।" প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণে ৰাজ্যৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰিব বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে। এই দুটা প্ৰকল্পই অসমক উন্নয়নৰ নতুন উচ্চতালৈ লৈ যোৱাৰ লক্ষ্যৰে আগবঢ়োৱা হৈছে।

## কানাইৰ বাঁহীৰ সুৰত বিলীন মাজুলী

সন্ধিয়া বাজি উঠা ডবা, শংখৰ ধ্বনিৰ মাজেৰে প্ৰস্তাৱনা দৃষ্টিৰে আৰম্ভ হয় শ্ৰী শ্ৰী কৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা। ৰাসোৎসৱৰ জৰিয়তে ভগৱান শ্ৰীকৃষ্ণই মৰ্ত্যত কৰা কৰ্মৰাজিক প্ৰতিফলিত কৰা হয়। তেওঁৰ ৰসপূৰ্ণ অৰ্থাৎ তাত্ত্বিক ৰসেৰে সমৃদ্ধ কথাবস্তুক ৰাসলীলাৰ মাধ্যমেৰে আত্মাৰ পৰা পৰমাত্মালৈ, দৈনন্দিন জীৱনৰ সুখানুভূতিক আধ্যাত্মিকতালৈ আৰু কাম প্ৰবৃত্তিসমূহক কলাত্মক ৰূপ প্ৰদান কৰি ৰাসলীলাত অংকন কৰা হৈছে। ইফালে আজিৰে পৰা তিনিৰ পৰা পাচদিনীয়াকৈ মাজুলীত আৰম্ভ হোৱা শাৰদীয় ৰাসোৎসৱক লৈ এতিয়া মাজুলীত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। মোহন বাঁহীৰ সুৰত গকুল বৃন্দাবনলৈ পৰ্যবসিত হৈছে লুইতৰ পাৰৰ সত্ৰ দ্বীপ মাজুলী। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অনাকাংক্ষিত মৃত্যুৱে শোকবিহ্বল কৰি ৰখাৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিকতে পূৰ্বৰ তুলনাত এইবাৰ দৰ্শনাৰ্থীৰ সংখ্যা আজি ৰাসোৎসৱৰ প্ৰথমদিনা কিছু সেৰেঙা যদিও ৰাসোৎসৱৰ উচাহ সেই একেই আছে। দক্ষিণপাট, আউনীআটী, গড়মূৰ, বেঙেনাআটী আদি বৰ সত্ৰ সমূহত কাইলৈ অনুষ্ঠিত হ'বলগীয়া ৰাসপূজাৰ উপলক্ষে নামঘৰ সমূহ আজি সজাই পৰাই তোলা হৈছে। সত্ৰ খনত আজি অধিবাসী পূজাৰ পিছত কাইলৈ মূল পূজা আৰম্ভ হ'ব। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰয়ো ৩৫২ বছৰীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি আধ্যাত্মিকভাৱে ৰাস মহোৎসৱ উদযাপন কৰিছে। মহাপুৰুষ শংকৰদেৱৰ অমৰ সৃষ্টি কেলীগোপাল নাটৰ আধাৰত ব্ৰজাৱলী ভাষাৰে আজিৰ পৰা ৬ নৱেম্বৰলৈকে তিনিদিনীয়াকৈ কমলাকান্ত আতা ক্ষেত্ৰত অনুষ্ঠিত হোৱা ৰাসোৎসৱৰ বাবে সত্ৰখনত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। আজি সত্ৰখনৰ ৰাসোৎসৱৰ প্ৰথম দিনা পুৱা ৯ বজাত প্ৰসংগীয়া নাম কীৰ্তনৰ পিছতেই ৯.৩০ বজাত স্বাস্থ্য শিবিৰ মুকলি কৰে মাজুলীৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ কিশোৰ কুমাৰ কামানে। ১০ বজাত লায়ন্স চকু চিকিৎসালয়ৰ সহযোগত বিনামূলীয়া চকু চিকিৎসা শিবিৰ উদ্বোধন কৰে। সত্ৰখনৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীয়ে। ইয়াৰ পিছতেই পুৱা ১০.১৫ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতেই অন্ন-প্ৰসাদৰ উদঘাটন কৰে মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে। ১১.১৫ বজাত ৰাসোৎসৱ উদযাপন সমিতিৰ সভাপতি বাচাৰাম বৰুৱাই মঞ্চ উদঘাটন কৰাৰ পিছতেই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। ইন্দিৰা গান্ধী কলাকেন্দ্ৰ সাংস্কৃতিক মন্ত্ৰালয় ভাৰত চৰকাৰৰ আঞ্চলিক কেন্দ্ৰ গুৱাহাটীৰ উদ্যোগত আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় আৰু উত্তৰ কমলাবাৰী শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত অনুষ্ঠিত উক্ত গাম্ভীৰ্যপূৰ্ণ আলোচনা চক্ৰত মাজুলীৰ ৰাসলীলা, পৰম্পৰা, নান্দনিকতা আৰু প্ৰত্যাহ্বান শীৰ্ষক গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা অনুষ্ঠিত হয়। সন্ধ্যা ৫ বজাত পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতে মুখ্য প্ৰজ্বলক হিচাপে সত্ৰ খনৰ কৃষ্ণ ৰাসোৎসৱ-২০২৪ত সত্ৰ প্ৰতিষ্ঠাৰ ৩৫২ বছৰীয়া জয়ন্তীৰ উপলক্ষে ৩৫২গছি বন্তি প্ৰজ্বলনৰ কাৰ্যসূচীৰ পিছতেই শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসোৎসৱ আৰু ভাৰতৰত্ন ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘৰ সভাপতি মণিৰাম বৰগায়ন বুঢ়াভকতে। ইয়াৰ পিছতেই ৰাজ্য সভাৰ সাংসদ, প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে আনুষ্ঠানিকভাৱে ৰাসলীলা উদ্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰী বিমল বড়া বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকাৰ লগতে সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভুৱন গাম, বিধায়ক মানৱ ডেকা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ইয়াৰ উপৰিও সন্মিলিত শিল্পী সমাজ মাজুলীয়েও এইবাৰ বিংশতিতম বৰ্ষৰ বাবে তিনিদিনীয়া কাৰ্যসূচীৰে ৰাসলীলা উদযাপন কৰিছে। শিল্পী সমাজে আজিৰ পৰা তিনিটা নিশাৰ কাৰ্যসূচীৰে আয়োজন কৰা ৰাসোৎসৱৰ আজিৰ ৰজনী প্ৰাণৰ শিল্পী লুইত কণ্ঠ জুবিন গাৰ্গৰ নামত উছৰ্গা কৰাৰ লগতে কাইলৈ নিশা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নামত উছৰ্গা কৰিছে। ইয়াৰ লগতে আজি ৰাস মঞ্চতে ২০২৪ বৰ্ষত প্ৰৱৰ্তন কৰা শিল্পী সমাজৰ শিল্প ভূষণ বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। প্ৰতাপ বৰুৱাই আঁত ধৰা অনুষ্ঠানত, শিল্পী সমাজৰ সভাপতি বিশিষ্ট সত্ৰীয়া প্ৰভাত বৰা বুঢ়াভকতৰ লগতে কৰ্ম-কৰ্তা সকলৰ উপস্থিতিত এই বৰ্ষৰ বাবে বিশিষ্ট লোক সংস্কৃতিৰ গৱেষক, মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াক শিল্পী সমাজে আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰে। ইয়াৰ পিছতেই শিল্পী সমাজৰ সভাপতি বিশিষ্ট সত্ৰীয়া প্ৰভাত বৰা বুঢ়াভকতৰ আদৰণি ভাষণৰ পিছতেই শিল্পী সমাজৰ আজি প্ৰথম নিশাৰ ৰাস লোক সংস্কৃতিৰ গৱেষক, মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়াই উদ্বোধন কৰে। ইফালে কাইলৈ শিল্পী সমাজৰ দ্বিতীয় নিশাৰ ৰাস সদৌ টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈয়ে উদ্বোধন কৰিব বুলি জানিব পৰা গৈছে। ইফালে আজি মাজুলীৰ ৬৭খন ৰাস মঞ্চতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে প্ৰতিখন ৰাস মঞ্চতে শিল্পী গৰাকীৰ জনপ্ৰিয় গীত মায়াবিনী ৰাতিৰ বুকুত গীত সকলোৱে পৰিৱেশন কৰা পৰিলক্ষিত হ'ল। উল্লেখযোগ্য যে পঞ্চাশৰ দশকতেই গড়মূৰ সত্ৰৰ অধিকাৰ, মুক্তিযোদ্ধা পীতাম্বৰ দেৱ গোস্বামীয়ে মাতৃভাষাত ৰাসলীলাৰ নাটক ৰচনা কৰি শাৰদীয় পূৰ্ণিমাত বংশীগোপাল নাট্য মন্দিৰত সহ অভিনয়ৰে আধুনিক মঞ্চ ৰাসৰ শুভাৰম্ভ কৰিছিল। পীতাম্বৰদেৱে ৰচনা কৰা ৰাসলীলা নাটক ভাগত মহাপুৰুষে কীৰ্তনৰ ৰাসলীলা খণ্ডত থকাৰ দৰে ভক্তিমাৰ্গত আত্ম সমৰ্পণ তথা দেহ অৰ্পণকেই ভক্তিৰ শেষ স্তৰ বুলি দেখুৱাই নিষ্কামভাৱে এই স্তৰত উপনীত হ'ব পাৰিলে ভক্তৰ ভগৱান প্ৰাপ্তি হয় বুলি প্ৰকাশ কৰি আধুনিক জগতৰ লগত খাপ খুৱাই সাহসেৰে সহ অভিনয়ৰ প্ৰচলন কৰি ৰাসলীলাৰ ভগৱৎ প্ৰাপ্তিৰ মহৎ আদৰ্শ দৰ্শকৰ আগত দাঙি ধৰি সেই দিশত সফল হৈ এক আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ইফালে গড়মূৰীয় সত্ৰাধিকাৰ পীতাম্বৰ গোস্বামীদেৱে আৰম্ভ কৰা মঞ্চ ৰাসৰ পৰম্পৰা লাহে লাহে আন ঠাইলৈও বিয়পিব ধৰিলে। পৰৱৰ্তী সময়ত মাজুলীৰ এটি অন্যতম সাংস্কৃতিক অনুষ্ঠান কমলাবাৰীস্থিত মাজুলী মিলন সংঘতো ইয়াৰ প্ৰভাৱ পৰিল আৰু মিলন সংঘয়ো মঞ্চ ৰাসৰ আৰম্ভ কৰে। ইয়াৰ পৰৱৰ্তী সময়ত ১৯৬১ চনৰ পৰা পূব মাজুলীৰ বনগাঁও ৰংঘৰত একে আৰ্হিত ৰাসলীলা অনুষ্ঠিত কৰিবলৈ লয়। অৱশেষ্যে সত্ৰানুষ্ঠানৰ ভিতৰত মাজুলীৰ শ্ৰী শ্ৰী নতুন কমলাবাৰী সত্ৰৰ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ কলা-কৃষ্টি সংঘ ১৯৬৬ চনতে প্ৰতিষ্ঠিত মাজুলীৰ সত্ৰানুষ্ঠানৰ দ্বিতীয় ৰংগ মঞ্চ য'ত তেতিয়াৰ পৰা বৰ্তমান পৰ্যন্ত ৰাসলীলা অনুষ্ঠিত কৰি আহিছে।

অসমত গুৰুজনাই কেলিগোপাল নাট প্ৰদৰ্শনৰ পৰৱৰ্তী সময়ত মাজুলীৰ সত্ৰ সমূহে নিজৰ নিজৰ সত্ৰত শ্ৰীকৃষ্ণৰ ৰাসলীলা প্ৰদৰ্শনৰ পৰম্পৰা আৰম্ভ কৰে। ১৮৪০ চনৰ পৰা দক্ষিণপাট সত্ৰত ৰাসলীলা বা মহোৎসৱ প্ৰতিবছৰে তিনিদিনীয়াকৈ পালন কৰাৰ পৰম্পৰা অবিৰতভাৱে বৰ্তমানেও চলি আহিছে। দক্ষিণপাট সত্ৰৰ ত্ৰয়োদশ সত্ৰাধিকাৰ বৈকুণ্ঠগামী বাসুদেৱ গোস্বামীয়ে ৰাসলীলাৰ এখনি নাটক ৰচনা কৰে আৰু ৰাসপূজাৰ লগতে এই নাটকখনি অভিনয়ৰ পৰম্পৰা আৰম্ভ কৰে। গড়মূৰ সত্ৰত মঞ্চাভিনয়ৰ যোগেদি ৰাসোৎসৱ উদযাপনৰ পিছৰে পৰা ক্ৰমে পৰৱৰ্তী কালত মাজুলীৰ বিভিন্ন ঠাইত মঞ্চ ৰাস অনুষ্ঠিত হ'বলৈ ধৰে। গুৰুজনাৰ কেলিগোপাল নাটৰ পৰা আৰম্ভ হৈ বৰ্তমান শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলাৰ যি মাতৃভাষা নাটৰ সৃষ্টি হ'ল এই নাটে ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিলে। লাহে-লাহে মাজুলীৰ অৰ্ধ শতাধিক ৰাস মঞ্চত ৰাসলীলা উদ্যাপনৰ পৰম্পৰা আৰম্ভ হ'ল। ইফালে এইবাৰ মাজুলীৰ ৰাসোৎসৱত চাৰি স্থানত মিচিং জনগোষ্ঠীয় লোকে মিচিং ভাষাত আৰু এটা স্থানত দেউৰী ভাষাত ৰাসলীলা অনুষ্ঠিত কৰাই মাজুলীৰ ৰাসোৎসৱক অধিক বৰ্ণিল কৰি তুলিছে। ইফালে উজনি মাজুলী ভকতিদুৱাৰ আঞ্চলিক জ্যোতি ৰংঘৰ আৰু মূদৈবিল মিলনজ্যোতি ৰংগ মঞ্চত শিশু ৰাসৰ আয়োজন কৰিছে। ইয়াৰ উপৰিও শ্ৰীৰাম বনমালী, ৰতনপুৰ লাহন শ্ৰীমন্ত কৃষ্টি সংঘত মহিলা ৰাসৰ আয়োজন কৰিছে। এইবাৰ মাজুলীৰ ৬৭টা ৰংগমঞ্চত আজিৰে পৰা তিনিৰ পৰা চাৰিটা দিন পৰ্যন্ত ৰাসলীলা আৰম্ভ হৈছে। মুঠতে এতিয়া শাৰদীয় প্ৰধান উৎসৱ ৰাসলীলাক লৈ নদীদ্বীপ মাজুলীয়ে ন ৰূপত প্ৰাণ পাই উঠিছে। আনহাতে কালি মাজুলীৰ ৬৭টা ৰাস মঞ্চৰ সমিতিক অসম চৰকাৰৰ সাংস্কৃতিক বিভাগ আৰু মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰ পৰা বিশেষভাৱে ৫০ হাজাৰ টকাকৈ আৰ্থিক সহায় আগবঢ়ায়। ইফালে মাজুলী জিলা প্ৰশাসনৰ প্ৰচেষ্টাত এইবাৰ মাজুলীৰ চৌদিশে ডেৰলাখ মাটিৰ চাকিৰে উজ্জ্বলাই আজি এক আধ্যাত্মিক পৰিৱেশৰ সূচনা কৰা দৃষ্টিনন্দন পৰিৱেশে সকলোকে আকৰ্ষণ কৰিছে। ইফালে ৰাসৰ দৰ্শনাৰ্থীৰ সুবিধা হোৱাকৈ নিমাতি ঘাটৰ পৰা অফলামুখ আৰু কমলাবাৰী ঘাটেৰে প্ৰতি আধাঘণ্টাৰ মূৰে মূৰে চলাচল কৰা জাহাজ, ৰপে' আৰু মেৰাইন ইঞ্জিনৰ ব্যক্তিগত ফেৰীত ৰাসলীলাৰ উপভোগৰ বাবে অহা দৰ্শনাৰ্থীয়ে ভিৰ কৰা পৰিলক্ষিত হৈছে।

**টুনী নদীৰ কমলাবাৰী অংশত ৰাধা কৃষ্ণক লৈ ৪০খন নৌকাৰে 'বৈকুণ্ঠৰ হৰিনাম টুনীয়েদি উজাই যাম' শীৰ্ষক হৰিনামৰ নৌকা যাত্ৰাৰ বিশেষ কাৰ্যসূচী** ঃ কাইলৈ মাজুলীৰ ৰাসৰ দ্বিতীয় দিনা মাজুলীৰ ৰাসোৎসৱৰ মাজেৰে নদী পৰ্যটনক আগুৱাই নিয়াৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে মাজুলী জিলা প্ৰশাসনে। এই সন্দৰ্ভত আজি টুনী নদীৰ কাৰ্যসূচীৰ থলী পৰিদৰ্শন কৰি মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে কয় মাজুলীৰ টুনী নদীৰ কমলাবাৰী অংশত সন্মুখত ৰাধা কৃষ্ণক লৈ ৪০খন নৌকাৰে 'বৈকুণ্ঠৰ হৰিনাম টুনীয়েদি উজাই যাম' শীৰ্ষক এক হৰিনামৰ নৌকা যাত্ৰাৰ এক বিশেষ কাৰ্যসূচী লোৱা হৈছে যিটোৰ জৰিয়তে নদী পৰ্যটনক প্ৰাণ দিয়াৰ প্ৰয়াস কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। ইফালে ৬ নৱেম্বৰতো টুনী নদীৰ একেই অংশত সন্ধিয়া স্নিগ্ধ জোনাকত মহাৰাস প্ৰদৰ্শনৰ ব্যৱস্থা থাকিব বুলি তেওঁ উল্লেখ কৰে।

**অসম বাৰ্তা কাকতত প্ৰকাশিত বাতৰিৰ প্ৰভাৱ**

# অসম বন আইন ১৮৯ৰ উলঙ্ঘনৰ দায়িত্ব স্বীকাৰ কৰি সংৰক্ষিত বনাঞ্চল এলেকাত মীন মহল আবণ্টন বাতিল কৰিবলৈ বাধ্য হ'ল মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়তৰ সভাপতি

**অসম বাৰ্তা বিশেষ, জাগুন, ৪ নৱেম্বৰ ঃ** অৱশেষত শিৰ নত কৰি দায়িত্ব স্বীকাৰ কৰিবলৈ বাধ্য হ'ল মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়তৰ সভাপতি মুনমী গগৈয়ে। সভাপতি মুনমী গগৈয়ে নীতি বহিৰ্ভুত ভাৱে যোৱা ইংৰাজী ১৭/০৯/২০২৫ তাৰিখৰ এক পত্ৰ যোগে জাগুন পাৰ্বতীপুৰৰ বিনন্দ কামান নামৰ লোকজনক ডিগবৈ বন সংমণ্ডলৰ অধীনৰ জাগুন আঞ্চলিক বন কাৰ্য্যালয়ৰ অন্তৰ্গত নামফাই আৰু কঠা সংৰক্ষিত বনাঞ্চলত মুঠ ৯ টাকৈ ডুবি সংলগ্ন এটা মীন মহল বন বিভাগৰ অনুমতি অবিহনে আবণ্টন দিছিল। সমগ্ৰ জাগুন অঞ্চলত এই বিষয়টো ৰাষ্ট্ৰ হৈ পৰাৰ লগে লগে সচেতন মহলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাও দেখা পোৱা গৈছিল। উক্ত বিষয়টো জাগুন বন বিভাগৰ দৃষ্টি গোচৰ হোৱাৰ লগে লগেই বন বিষয়া গৰাকীৰ পত্ৰ নং: - JN/26/Fishery Mahal/2025/366-99 dated: 30/10/2025 ৰ জৰিয়তে তিনিদিনৰ ভিতৰত এই আবণ্টন বাতিল কৰিবলৈ সভাপতি গৰাকীলৈ এক জাননী প্ৰেৰণ কৰা হৈছিল। কিয়নো অসম বন আইন ১৮৯১ অনুসৰি ২০১১ চনৰ পৰা উপৰ্যুক্ত সংৰক্ষিত বনাঞ্চল দুখনৰ নিৰ্ধাৰিত সীমাৰ ভিতৰত কোনো ধৰণৰ মৎস্য চিকাৰৰ নিবিদা আহ্বান আৰু আবণ্টনৰ ক্ষেত্ৰত বিভাগীয় ভাৱে সম্পূৰ্ণ বন্ধ ৰখা হৈছে। বিশেষ সূত্ৰে জানিব পৰা অনুসৰি বন বিভাগৰ জাননী পোৱাৰ পিছতেই আঞ্চলিক পঞ্চায়তৰ সভাপতি গৰাকীয়ে শাসকীয় দলৰ কেইবাজনো পালি নেতাৰ সহযোগত বন বিভাগৰ পৰা অনুমতি বিচাৰি হেঁচা প্ৰয়োগ কৰিছিল যদিও বন বিভাগৰ পৰা কোনো ধৰণৰ সঁহাৰি লাভ কৰিবলৈ সক্ষম নহ'ল আৰু বাধ্য হৈ ৩১/১০/২০২৫ সন্নিৱিষ্ট দুখন পৃথক পৃথক পত্ৰৰ জৰিয়তে বন বিভাগ আৰু বিনন্দ কামানক উল্লিখিত মীন মহল বাতিল কৰাৰ কথা অৱগত কৰে। ইয়াৰোপৰি গুৰুত্বপূৰ্ণ কথাটো হৈছে যে সভাপতি গৰাকীয়ে যিখন পত্ৰৰ জৰিয়তে বিনন্দ কামানক মীন মহল আবণ্টন দিছিল সেই পত্ৰত ০১/০৭/২০২৫ তাৰিখৰ পৰা ৩০/০৬/২০২৬ লৈ বন্দৱস্তি দি এক প্ৰকাৰে মীন আইন ভংগ কৰাৰো স্পষ্ট প্ৰমাণ হৈছে। কিয়নো প্ৰতি বছৰে মাছৰ উজানৰ পৰা পুনা ডাঙৰ নোহোৱা পৰ্য্যন্ত নদ-নদী, জলাশয় আদিত মাছ ধৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ মীন বিভাগৰ দ্বাৰা নিষেধাজ্ঞা আৰোপ কৰা হয়। সেই সময়ছোৱাটো সভাপতি গৰাকীয়ে কোনখন আইনৰ অধীনত কোনো নিৰ্দেশাৱলী উল্লেখ নকৰাকৈ মীন মহল আবণ্টন দিছিল? সভাপতি গৰাকীৰ এনে কাণ্ড জ্ঞানহীন কৰ্মকাণ্ডই সভাপতিৰ আসন খনত বহি দায়িত্ব পালন কৰিব পৰাকৈ সম্যক জ্ঞানৰ অভাৱ ঘটিছে নেকি বুলিও বিভিন্ন জনৰ মাজত প্ৰশ্ন উত্থাপন হৈছে, নে তেখেতে সকলোকে অন্ধকাৰত ৰাখি নিমিলা অংকত ব্যস্ত হৈ পৰিছে। সেই লৈ সকলোৰে মাজত একপ্ৰকাৰ ৰহস্যৰ সৃষ্টি হোৱাৰ লগতে এক ডাঙৰ প্ৰশ্ন বোধক আহি পৰিছে।

## বিদ্যালয়ৰ পৰা ওভতাৰ

ওভতাৰ পথত ছাত্ৰীগৰাকীৰ লগত সংঘটিত হয় দলবদ্ধ ধৰ্ষণ কাণ্ড। তিনিচুকীয়া জিলাৰ বৰডুবি আৰক্ষী থানাৰ অন্তৰ্গত চাৰিআলি চাহ বাগিচাত সংঘটিত হোৱা উক্ত ঘটনাক লৈ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, মহখুলি গাঁওস্থিত বাপুজী হিন্দী মধ্য ইংৰাজী বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰীগৰাকীয়ে সোমবাৰে স্কুলৰ পৰা ঘৰলৈ ঘূৰি আহি থকা অৱস্থাত তিনি পাষাণে ছাত্ৰীগৰাকীক দলবদ্ধ ধৰ্ষণ কৰি পলায়ন কৰে। বহু সময়ত ছাত্ৰীগৰাকী ঘৰলৈ উভতি নহাত পৰিয়ালৰ মাজত বিচাৰ-খোচাৰ লাগে। পৰৱৰ্তী সময়ত বাগানৰ মাজত মুমূৰ্ষু অৱস্থাত উদ্ধাৰ হয় ছাত্ৰীগৰাকী। ছাত্ৰীগৰাকীয়ে জনোৱা মতে, তিনিজন যুৱকে বাইকত আহি কিশোৰীগৰাকীক বাগানৰ মাজলৈ নি ধৰ্ষণ কাণ্ড সংঘটিত কৰে। জানিব পৰা মতে, কিশোৰীগৰাকীৰ দুয়োখন হাতত আঘাতৰ চিন স্পষ্ট হৈ আছে। উদ্ধাৰৰ পাছতে কিশোৰীগৰাকীক হাস্পাতালত ভৰ্তি কৰি স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। ঘটনাৰ সন্দৰ্ভত স্থানীয় লোকে কয় যে, "আমি ছাত্ৰীগৰাকীক ৪.৩০ বজাত বিচাৰি পাইছিলোঁ। সেই সময়ত অৱস্থা বেয়া আছিল। অজ্ঞান হৈ আছিল। গাত কাপোৰ নাছিল। তাৰ পাছত আমি আৰক্ষী থানালৈ লৈ আহোঁ। এই ঘটনাৰ আমাক ন্যায় লাগে।" শিশুৰ লগত সংঘটিত এনে জঘন্য কাণ্ডক লৈ সমগ্ৰ অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে ক্ষিপ্ৰগতিত তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা ছাত্ৰীগৰাকীৰ স্কুল বেগ আৰু ইউনিফৰ্ম উদ্ধাৰ কৰিছে। ঘটনাক লৈ তিনিচুকীয়াত এতিয়াও চাঞ্চল্য অব্যাহত আছে।

## ৫-৬ নৱেম্বৰত কলিয়নীত ৰাসোৎসৱৰ আয়োজন

**অসম বাৰ্তা, নিমাতীঘাট, ৪ নৱেম্বৰ ঃ** উত্তৰ যোৰহাটৰ কলিয়নীৰ শ্ৰীশ্ৰী শংকৰদেৱ কৃষ্টি কলা সংঘত ৫-৬ নৱেম্বৰত শ্ৰী শ্ৰী কৃষ্ণৰ ৰাসোৎসৱৰ আয়োজন কৰিছে। সংঘৰ ৰাসোৎসৱৰ আৰম্ভণিৰে পৰা জড়িত অক্লান্ত সেৱক, পৰিচালক, অভিনেতা দ্বিজেন কলিতাৰ সোঁৱৰণত এইবাৰৰ ৰাসোৎসৱ উৎসৰ্গা কৰা বুলি উদযাপন সমিতিয়ে জনাইছে। বৃহত্তৰ অঞ্চলটোৰ ছখন গাঁৱৰ ৰাইজৰ সন্মিলিত অনুষ্ঠানটোৱে বিনামূলীয়াকৈ আয়োজন কৰা ৰাসৰ দুয়ো নিশাৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি উদ্‌যাপন সমিতিৰ সভাপতি ড° প্ৰসন্ন কুমাৰ দত্ত আৰু সম্পাদক শ্ৰীমন্ত মাধৱ দত্তই কামনা কৰিছে।

## নাজিৰা সমজিলাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন

**অসম বাৰ্তা, গেলেকী, ৪ নৱেম্বৰ ঃ** বিশ্ববিশ্ৰুত শিল্পী, অসম তথা দেশৰ স্ব-গৰিমা, ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে, সমগ্ৰ ৰাজ্যৰ লগতে নাজিৰা সমজিলাতো অনুষ্ঠিত কৰা হব। সেই উপলক্ষে নাজিৰা সমজিলা প্ৰশাসন তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত অহা ৫ নৱেম্বৰ, তাৰিখে পুৱা ১১ বজাত নাজিৰা মহাবিদ্যালয় খেলপথাৰত প্ৰায় ৫০০ লোকৰ উপস্থিতিত সমূহীয়াকৈ তেখেতৰ অমৰ সৃষ্টি "মানুহে মানুহৰ বাবে" শীৰ্ষক কালজয়ী গীতটি পৰিৱেশন কৰা হ'ব। তেখেতৰ সাংস্কৃতিক অৱদানক ৰোমন্থন কৰাৰ উদ্দেশ্যৰে, নাজিৰা সমজিলা প্ৰশাসনে এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সকলোৰে উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।

# সাংবাদিক পেন্সনাৰ বিশিষ্ট সাংবাদিক ৰৌতাৰ পৱন হাজৰিকাৰ পৰলোকপ্ৰাপ্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ মাজবাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰৌতাৰ ভালুকমাৰী গাঁৱৰ সাংবাদিক পেন্সনাৰ জ্যেষ্ঠ নাগৰিক পৱন হাজৰিকাৰ ২ নৱেম্বৰৰ সন্ধিয়া ৬-১০বজাত নিজ বাসভৱনত পৰলোকপ্ৰাপ্তি হয়। দীৰ্ঘদিন ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ মৃত্যুক সাৱটি লোৱা তেখেতৰ মৃত্যুৰ সময়ত বয়স আছিল ৬৭ বছৰ। তেওঁ একেৰাহে সমাজকৰ্মী, লিখক, সাংবাদিক, ৰৌতা সাহিত্য সভাৰ আদি বিষয়ববীয়া হৈ সুচাৰুৰূপে দায়িত্ব পালন কৰিছিল। । ৰৌতা অঞ্চলৰ সাংবাদিকতাৰ বাটকটীয়া, ৰৌতা প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি, অবিভক্ত দৰং জিলাৰ দ্বিতীয়খন সাপ্তাহিক বাতৰি কাকত জনসংবাদৰ প্ৰকাশক, সম্পাদক, ৰেঙনি আলোচনীৰ সম্পাদক, সাংবাদিক পেঞ্চনাৰ, অসমীয়া প্ৰতিদিন, দৈনিক অসম, দৈনিক অগ্ৰদূতৰ ৰৌতাৰ সংবাদ দাতা, ৰৌতা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পৱন হাজৰিকা আছিল অবিভক্ত দৰং জিলাৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক, অধুনালুপ্ত সাদিনীয়া জনসংবাদ কাকতৰ এগৰাকী নিষ্ঠাবান সম্পাদক, সাংবাদিক পেঞ্চনাৰ লগতে ৰৌতা চাৰিআলিৰ পৰা প্ৰকাশিত "দৈনিক জনসংবাদ" বাতৰি কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক। তেখেতে ২০১১ -১৩ বৰ্ষৰ কেন্দ্ৰীয় সমিতি আপকুৰ উপ সভাপতি, পূৱ দৰং প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি, ওদালগুৰি জিলা মফচলীয় সাংবাদিক সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি, ওদালগুৰি জিলা কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন সভাপতি, গণতান্ত্ৰিক অধিকাৰ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সদস্য অৰণ্য সুৰক্ষা সমিতিৰ প্ৰাক্তন উপ সভাপতি আৰু বিটিএডি কোচ ৰাজবংশী সন্মিলনীৰ সচিব আৰু মুখপাত্ৰ হিচাপে কাৰ্যনিবাহ কৰি সংবাদ, সাহিত্য আৰু কোচ ৰাজবংশী জাতিটোৰ উত্তৰণৰ বাবে অহোপুৰুষাৰ্থ কৰি থৈ গৈছে। তেখেতৰ মৃত্যুত আপকুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি স্বপন কুমাৰ ৰাভা, সম্পাদক শৰৎ সেনচোৱা, ওদালগুৰি জিলা সমিতিৰ সভাপতি নৱ কুমাৰ ডেকা, বড়োলেণ্ড সাংবাদিক সংস্থাৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি গুণজিৎ দাস, সম্পাদক নাৰায়ণ ডেকা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য দীপজ্যোতি নাথ, ৰৌতা সাহিত্য সভা, ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা, ৰৌতা আঞ্চলিক ছাত্ৰ সন্থা, ৰৌতা আঞ্চলিক বড়ো ছাত্ৰ সন্থা, ৰৌতা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা, ওদালগুৰি প্ৰেছ ক্লাব, টংলা প্ৰেছ ক্লাব, মাজবাট সাহিত্য সভা, ওৰাং সাহিত্য সভা, দৰং জিলা আপকু, ওদালগুৰি জিলা কোচ ৰাজবংশী সন্মিলনী আদি বিভিন্ন দল সংগঠন আৰু গুণমুগ্ধই শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গক আন্তৰিক সমবেদনা জনাইছে। তেখেতে ইহ সংসাৰত পত্নী, পুত্ৰ, বোৱাৰী, জী জোঁৱাই, নাতি - নাতিনীক এৰি থৈ যায়।

## চৰকাৰক কৰ্মচাৰীৰ দাবী মানি লোৱাৰ আহ্বান

# ডিব্ৰুগড়ত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ নৱেম্বৰ ঃ** ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ অন্যতম প্ৰধান চালিকা শক্তি হিচাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ ভূমিকা অনস্বীকাৰ্য। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন স্বাস্থ্য আঁচনিৰ সফল আৰু ফলপ্ৰসূ ৰূপায়ণত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ সকলো কৰ্মচাৰীৰ অৱদান, কৰ্তব্যনিষ্ঠা অদ্বিতীয় হোৱাৰ পিছতো কিন্তু এই অভিযানৰ অধীনত কৰ্মৰত বিষয়া কৰ্মৰাজ্যখনৰ নিয়মীয়া স্বাস্থ্য বিষয়া-কৰ্মচাৰী আৰু স্বাস্থ্য কৰ্মী সকলৰ সমানেই অৰ্হতা আৰু কৰ্তব্যনিষ্ঠাৰে নিৰন্তৰ চৰকাৰী সেৱা আগবঢ়ায় অহা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰী সকলৰ প্ৰতি বিগত প্ৰায় ২০০৬ চনৰ পৰাই প্ৰতাৰণামূলক স্থিতি লৈ অহা ৰাজ্য চৰকাৰৰ দুটা দশক জোৰা প্ৰবঞ্চনাৰ বিৰুদ্ধে ৰাজ্যজুৰি ঐক্যবদ্ধ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত হোৱাৰ সমান্তৰালকৈ ডিব্ৰুগড় জিলাৰ স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থা (এন এইচ এম) আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰী সন্থাৰ যৌথ উদ্যোগত জিলা ভিত্তিত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ সহস্ৰাধিক জিলা আৰু ব্লকৰ বিষয়া কৰ্মচাৰী, স্বাস্থ্য কৰ্মী সকলে ৩, ৪ আৰু ৫ নৱেম্বৰত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ সন্মুখত তিনি দিনীয়া কৰ্মবিৰতি আৰু অৱস্থান ধৰ্মঘটৰে প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ দীৰ্ঘদিনীয়া পাঁচটা গুৰুত্বপূৰ্ণ দাবী যেনে- সম কামৰ সম দৰমহা আৰু সম অধিকাৰ প্ৰদান কৰাৰাজ্য চৰকাৰৰ নিয়মীয়া কৰ্মচাৰীৰ সম হাৰত গ্ৰেচুইটি, সম হাৰত পেঞ্চন, আৰু অন্যান্য সা-সুবিধাসমূহ সম হাৰত প্ৰদান কৰা। কৰ্মচাৰীৰ গ্ৰেচুইটি আবু পেঞ্চনৰ ক্ষেত্ৰত সুস্থিৰ নিৰ্দেশনা প্ৰকাশ কৰি অতি শীঘ্ৰেই কাৰ্য্যকৰী কৰা, কৰ্মচাৰীক স্বাস্থ্য বিভাগত খালী হৈ থকা পদত পোনপটীয়াকৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰাৰ লগতে ৰাজ্যত নতুন কৈ স্থাপিত স্বাস্থ্য অনুষ্ঠান সমূহত নতুন পদ সৃষ্টি কৰি এন এইচ এম কৰ্মচাৰীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা, কৰ্মচাৰীৰ কৰ্মৰত অৱস্থাত মৃত্যু হলে পৰিয়ালত যদি যোগ্য ব্যক্তিক নিযুক্তি ব্যৱস্থা কৰা অন্যথা কৰ্মচাৰীজনৰ কৰ্মজীৱনৰ সম্পূৰ্ণ দৰমহা পৰিয়ালক প্ৰদান কৰাৰ ব্যৱস্থা কৰা, সামাজিক সুৰক্ষা আইনৰ আওঁতাত কৰ্মচাৰীসকলক ই.পি.এফ ব্যৱস্থা কৰা, বৰ্তমানৰ মুখ্য মন্ত্ৰী মহোদয় স্বাস্থ্য মন্ত্ৰী হৈ থকা সময়ত তথা ২০১৬ চনৰ বিধানসভা নিৰ্বাচনৰ আগ মুহূৰ্তত নতুন চৰকাৰ গঠন কৰিয়েই প্ৰথম কেবিনেটতে এন এইচ এম কৰ্মচাৰী আৰু সৰ্বশিক্ষাৰ অধীনত কৰ্মৰত ঠিকাভিত্তিক টেট শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ প্ৰতিশ্ৰুতি দিছিল আৰু নিয়মীয়া কৰণ নোহোৱালৈকে সপ্তম দৰমহা আয়োগমতে দৰমহা দিব বুলি ঘোষণা কৰিছিল। ঠিকাভিত্তিক টেট শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰিলে যদিও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰাটো দূৰৰে কথা, সপ্তম দৰমহা আয়োগমতে দৰমহা দিয়াৰ ক্ষেত্ৰতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। আনকি সম কামৰ সম দৰমহা দিবৰ বাবে উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ো আজিলৈকে কাৰ্যকৰী নকৰিলে। যোৱা ২৯ অ'ক্টোবৰত গুৱাহাটীৰ চচলত কেন্দ্ৰীয় ভাৱে সমগ্ৰ ৰাজ্যৰ কৰ্মী সকলে প্ৰতিবাদ সাব্যস্ত কৰি নিজৰ দাবী সমূহ পূৰণৰ বাবে ৩১ অক্টোবৰলৈ চৰকাৰক সময়সীমা বান্ধি দিয়াৰ পিছতো চৰকাৰে ভ্ৰুক্ষেপ নকৰাৰ পৰিপ্ৰেক্ষিতত ন্যায্য প্ৰাপ্তিৰ বাবে হাতত প্লেকাৰ্ডলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিধান ডিব্ৰুগড়ৰ কৰ্মীসকল ঐক্যবদ্ধভাৱে ৰাজ্য চৰকাৰৰ ধাৰাবাহিক অবিচাৰৰ বিৰুদ্ধে জোৰদাৰ প্ৰতিবাদ সাব্যস্ত কৰি কাৰ্যতঃ অচল কৰি তোলে জিলা খনৰ বিভাগীয় কাম কাজ। একেদৰে, স্বাস্থ্য ও কাৰিকৰী কল্যাণ সন্থা (এন এইচ এম) আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান কৰ্মচাৰী সন্থাৰ ৰাজ্যিক কমিটিৰ সিদ্ধান্ত মৰ্মে, ১২ নৱেম্বৰ লৈকে সকলো ধৰণৰ অনলাইন ও অফলাইন ৰিপাৰ্টিং বন্ধ ৰখাৰ লগতে সকলো কাম বন্ধ কৰা ইত্যাদি।

## বাসগৃহসহ জুইত জাহ যায় লক্ষাধিক টকাৰ সা-সম্পত্তি

# হালোৱাটিঙত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ড

**অসম বাৰ্তা, আমগুৰি, ৩ নৱেম্বৰ ঃ** অসম-নাগালেণ্ড সীমান্তৱৰ্তী শিৱসাগৰ জিলাৰ হালোৱাটিঙত এক ভয়ংকৰ অগ্নিকাণ্ডৰ সংঘটিত হয়। হালোৱাটিং বজাৰৰ নিজৰা পাৰ এলেকাত সংঘটিত অগ্নিকাণ্ডত অভিজিত গগৈ নামৰ লোকজনৰ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। ঘৰত কোনো নথকা অৱস্থাতে সূত্ৰপাত হোৱা অগ্নিকাণ্ডত ঘৰুৱা আচবাব পত্ৰৰ লগতে সোণৰ আ-অলংকাৰ, নথি-পত্ৰসহ সকলো জুইত জাহ যায়। স্থানীয় লোকে বাল্টিৰে পানী ঢালি জুই নিৰ্বাপনৰ চেষ্টা কৰিও বিফল হয়। উল্লেখ্য যে, আমগুৰি অগ্নি নিৰ্বাপক বাহিনীৰ দল ঘটনাস্থলীত আহি উপস্থিত হয় যদিও গাড়ী যোৱাৰ সুচল পথ নথকাত অসুবিধাৰ সন্মুখীন হয়।

# সদৌ অসম শিশুৰ দ্বাৰা অভিনীত ভাওনা প্ৰতিযোগিতাৰ হিচাপ দাখিল

**অসম বাৰ্তা, জাঁজী, ৩ নৱেম্বৰ ঃ** ঐতিহাসিক শিৱসাগৰ জিলাৰ অন্যতম সাংস্কৃতিক গোষ্ঠী মহাৰথী সাংস্কৃতিক চৰ্চা কেন্দ্ৰৰ উদ্যোগত গৌৰীসাগৰ নকটানি গাঁৱৰ বৃন্দাবন সমন্বয় ক্ষেত্ৰত ২০২৪ বৰ্ষৰ ২৯ ডিচেম্বৰৰ পৰা ২ জানুৱাৰী, ২০২৫ বৰ্ষলৈকে সদৌ অসম ভিত্তিত শিশুৰ দ্বাৰা অভিনীত ভাওনা প্ৰতিযোগিতা আৰু গ্ৰন্থ উৎসৱ অনুষ্ঠিত হয়। উক্ত মহান অনুষ্ঠানভাগিৰ হিচাপ দাখিল গত ২ নৱেম্বৰ, দেওবাৰে সমাপন হৈ যায়। চিৰিপুৰীয়া নকটানি নামঘৰ প্ৰাংগনত বিশিষ্ট সমাজকৰ্মী ৰমাকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত হিচাপ পৰীক্ষকে হিচাপ দাখিল কৰে। উপস্থিত ৰাইজে উক্ত আয়-ব্যয়ৰ হিচাপ শুদ্ধ বুলি বিবেচনা কৰি উদ্‌যাপন সমিতিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মহাৰথী সাংস্কৃতিক চৰ্চা কেন্দ্ৰৰ উত্তৰোত্তৰ কামনা কৰে। হিচাপ দাখিলৰ এই সভাতেই মহাৰথী সাংস্কৃতিক চৰ্চা কেন্দ্ৰই নতুন সমিতিক দায়িত্ব অৰ্পণ কৰি ৰাইজৰ আশীৰ্বাদ কামনা কৰি সেৱা ধৰে।

## উচ্ছেদস্থলীত কান্দোনৰ ৰোল উচ্ছেদিত চাহ খেতিয়কৰ

# ডিমৰুহোলা গাঁৱৰ ৰাইজৰ চাহ গছ উচ্ছেদ কৰিলে বন বিভাগে

**অসম বাৰ্তা, মাকুম, ৩ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাকুম ডিমৰুহোলা গাঁৱৰ মৰাণ জনগোষ্ঠীয় ৰাইজে বছৰ বছৰ ধৰি দাঁতিকাষৰীয়া লক্ষ্মীপথাৰ বনাঞ্চলত কোনোধৰণৰ অনিষ্ট নকৰাকৈ চাহ খেতি কৰি স্বাৱলম্বী হৈ আছিল। কিন্তু দুৰ্ভাগ্যজনক বিষয় যে আজি ডিগবৈ বন সমণ্ডল অধীনত থকা লক্ষ্মীপথাৰ বন বিভাগে গাঁওখনৰ ৰাইজে নিজৰ সন্তানৰ দৰে লালন পালন কৰা প্ৰায় এক হেক্টৰ ভূমি চাহতলী কাটি তহিলং কৰে। উল্লেখযোগ্য যে যিসমূহ ভূমিত ৰাইজে চাহ খেতি কৰিছিল, সেইসমূহ ভূমি আধা অংশ অইল ইণ্ডিয়া লিমিটেডৰ আছিল, তদুপৰি অইল ইণ্ডিয়া লিমিটেডে ভূমি সমূহ প্ৰয়োজন হ'লেহে ৰাইজৰ পৰা ঘূৰাই লৈ ৰাইজক চাহ গছ সমূহৰ ক্ষতিপূৰণ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। অইল ইণ্ডিয়া লিমিটেড, বন বিভাগ আৰু গাঁওখনৰ ৰাইজৰ সৈতে কোনোধৰণৰ আলোচনা নকৰি বন বিভাগে চাহ খেতিয়ক সকললৈ জাননী প্ৰেৰণ কৰি চাহ গছ সমূহ উচ্ছেদ কৰাত ৰাইজ ক্ষোভিত হৈ পৰে। কোনোধৰণৰ সংস্থাপন নথকা চাহ খেতিয়ক সকলে যিহেতু এই চাহ গছ সমূহৰ পৰাই পৰিয়াল পোহ পাল দি আহিছিল তেনেক্ষেত্ৰত চাহ গছ সমূহ উচ্ছেদ কৰি পৰিয়ালসমূহলৈ আৰ্থিক দৈন্য নমাই অনাত অশ্ৰু নিগৰাই পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি চাহ গছ সমূহৰ ক্ষতিপূৰণ দিবলৈ দাবী জনাইছে ৰাইজে।

# বৃটিছ আমোলত নিৰ্মিত কপিকল যুক্ত দলংখন জুবিন গাৰ্গৰ নামত উছৰ্গা কৰাৰ আহ্বান যুৱনেতা সমীৰ গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৩ নৱেম্বৰ ঃ** ১৯৩০ চনলৈকে নামনি অসমৰ পৰা উজনি অসমলৈ অহাৰ অন্যতম যোগাযোগ ব্যৱস্থা আছিল নৌ সেৱা। নাৱেৰেই গুৱাহাটী, কলকাতাৰ পৰা ঐতিহাসিক শিৱসাগৰৰ দিচাংমুখলৈ ব্ৰহ্মপুত্ৰ আৰু দিখৌ নদীয়েদি সকলো ব্যক্তি আৰু সা-সামগ্ৰী আমদানি ৰপ্তানি কৰা হৈছিল। সেই সময়ত অসম শাসন কৰা বৃটিছ কমিছনাৰ নিৰ্দেশত বৃটিছ কোম্পানীৰ জৰিয়তে শিৱসাগৰ নগৰৰ পৰা জয়সাগৰলৈ যাতায়তৰ বাবে ১৯৩৫ চনত নিৰ্মাণ কৰা হৈছিল কপিকল যুক্ত লোৰ দলংখন। এই দলংখনৰ মাজৰ কাঠৰ অংশ কপিকলেৰে দাঙি দিয়াৰ ব্যৱস্থা আছিল। কপিকল যুক্ত দলংখন দাঙি দিয়াৰ লগে-লগে সামগ্ৰী বোজাই কৰা জাহাজ সমূহ দিচাংমুখ আদি অঞ্চললৈ অহা যোৱা কৰিছিল। কিন্তু উপযুক্ত মেৰামতিৰ অভাৱত বৰ্তমান এই লোৰ দলংখন সম্পূৰ্ণ ৰূপে জৰাজীৰ্ণ হৈ দিখৌ নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। এই দলংখনৰ কাষতে আগপ আমোলত নিৰ্মাণ কৰা হৈছিল আন এখন পকী দলং। বৰ্তমান এই দলংখনেদি সকলো যান বাহন চলাচল কৰে। এই দলংখন ২০০৩ চনত বৰ অসমৰ প্ৰথম গৰাকী ডক্টৰেট মফিদুল ইছলাম বড়া স্মৃতিত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ফিতা কাটি শুভ উদ্বোধন কৰিছিল। কাৰণ তাৰ কাষতেই থকা বৃটিছ যুগতে নিৰ্মিত কপিকল যুক্ত দলংখনত ১৯৩৭ চনত কলকাতাত পৰা এখন ডাঙৰ জাহাজ আহিছিল। এই জাহাজত আহিছিল অল ইণ্ডিয়া মুছলিম লীগৰ কেইবাগৰাকীও আগশাৰীৰ নেতা। সেই নেতা সকলে শিৱসাগৰৰ মুছলিম অঞ্চলত পাকিস্তানৰ সমৰ্থনত জাগৰণ আনিবলৈ এখন সভা অনুষ্ঠিত কৰাৰ কথা জানিব পাৰি ডঃ মফিদুল ইছলাম বড়াই নিজেই দলংখনলৈ আহি দলংখনৰ পৰিচালনা কৰা ঘাটৈক কপিকল ওলাবলৈ মানা কৰি দিয়ে। তাৰপিছত মুছলিম লীগৰ নেতা সকলক শিৱসাগৰৰ মুছলমান সমাজৰ মাজত সাম্প্ৰদায়িক মুছলিম লীগৰ কোনো সভা পাতিবলৈ নিদিও বুলি সকিয়নী দি এই লোৰ দলংখনৰ পৰাই খেদি পঠাইছিল। এই কথা জানিব পাৰি তেতিয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে এই অসম হিতৈষী ড° মফিদুল ইছলাম বড়াৰ স্মৃতিত দিখৌ দলংখনক ড° মফিদুল ইছলাম বড়া সেতু নামকৰণ কৰিছিল। কিন্তু আমাৰ প্ৰাণৰো প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি শিৱসাগৰত যুগমীয়া কৰাৰ উদ্দেশ্যে আজি শিৱসাগৰৰ যুৱনেতা সমীৰ গগৈয়ে আজি শিৱসাগৰৰ সংবাদ মাধ্যমৰ আগত অতি পুৰণি দিখৌ দলংখন মেৰামতি কৰি জুবিন গাৰ্গৰ নামত উছৰ্গা কৰিবলৈ আহ্বান জনাইছে। পুৰণি দিখৌ নদীৰ দলংখন অসম চৰকাৰে নতুনকৈ পুনৰ নিৰ্মাণ কৰি এই দলংখন জুবিন গাৰ্গৰ নামত উছৰ্গা কৰিবলৈ সমীৰ গগৈৰ লগতে শিৱসাগৰৰ সমাজ সচেতন ব্যক্তি সকলে আহ্বান জনাইছে।



# ধনীয়ভেটি গাঁৱৰ গৃহৰক্ষী জুৱান হবিবুৰ ৰহমানৰ অকাল মৃত্যুত বৃহত্তৰ অঞ্চলত শোকৰ ছাঁ

**অসম বাৰ্তা, বটদ্ৰৱা, ৩ নৱেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত ধনীয়ভেটি গাঁৱৰ গৃহৰক্ষী জুৱান হবিবুৰ ৰহমানৰ মৃত্যুত বৃহত্তৰ অঞ্চলজুৰি শোকৰ ছাঁ। উল্লেখ্য যে, যোৱানগৰাকী নগাঁও জিলাৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগুৰি ৰেঞ্জৰ অন্তৰ্গত বান্দৰখাল কেম্পত কৰ্মৰত অৱস্থাত আছিল। অক্টোবৰৰ ৩০তাৰিখৰ দিনা কৰ্ব্যৰত অৱস্থাতেই যোৱানজন ৰক্তচাপ জনিত কাৰণত হঠাৎ অচেতন হৈ পৰে। লগে লগে ভাৰপ্ৰাপ্ত বিষয়া বিবিত দিহিঙীয়াৰ তত্বাৱধানত স্থানীয় চিকিৎসালয়ত প্ৰেৰণ কৰে যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। গুৱাহাটী এক ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰে যদিও কোনো সুফল নোপোৱাত চিকিৎসকৰ প্ৰমৰ্শমতে ঘৰলৈ লৈ আহে পৰিয়ালৰ লোকে অৱশেষত যোৱা নিশা গৃহৰক্ষী যোৱানগৰাকীৰ মৃত্যু হয়। উল্লেখ্য যে, সমগ্ৰ চিকিৎসাৰ খৰচ বিভাগে বহন কৰিছে বুলি পৰিয়ালৰ লোকে জানিব দিয়ে। মৃত্যুৰ সময়ত যোৱানগৰাকীয়ে চাৰিগৰাকী কন্যা সন্তানৰ, পত্নীৰ লগতে অসংখ্য গুণমুগ্ধক এৰি যায়। কৰ্তব্যৰ অৱস্থাত মৃত্যু হোৱা জুৱান গৰাকী যাতে চৰকাৰে অলপ সহায় আগবঢ়ায় তাত বাবেও অনুৰোধ জনাইছে অঞ্চলবাসীয়ে। জুৱান গৰাকীৰ জনাজা নামাজ সহস্ৰাধিক লোকৰ উপস্থিতিত দিনৰ ১ঃ৩০ মিনিটত অনুষ্ঠিত কৰা হয়।

# মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মাকুম অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত বিক্ষোভ কাৰ্যসূচী



**অসমবাৰ্তা, মাকুম, ৩ নৱেম্বৰ ঃ** মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে মাকুমবাসী ৰাইজে দীৰ্ঘদিন ধৰি মাকুম চহৰত দেখা দিয়া যানজঁট সমস্যা আদি কৰি বিভিন্ন জ্বলন্ত সমস্যা সমূহ সমাধানৰ দাবী জনাই আহিছে যদিও আজিলৈকে বিভাগীয় লোক সকলৰ গা লৰা পৰিলক্ষিত হোৱা নাই তাৰ বিপৰীতে মাকুম চহৰৰ ৰেলৱে লেভেল ক্ৰচিঙত ৰেলৱে বিভাগ আৰু লোক নিৰ্মাণ বিভাগৰ গাফিলতিত ৰেলৱে লেভেল ক্ৰচিঙৰ উচ্চতা অধিক হোৱাৰ লগতে পথটি দ' গাত সদৃশ হৈ পৰাৰ বাবে নিতৌ পথ দুৰ্ঘটনা ঘটিব ধৰিছে। গাঁতটো মেৰামতি কৰিবলৈ ৰে'লৱে বিভাগ আৰু লোক নিৰ্মাণ বিভাগক মাকুম বাসী ৰাইজ, মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে ভুক্তভোগী লোক সকলে বাৰম্বাৰ দাবী জনাই আহিও কোনো কাণসাৰ নিদিয়াত আজি চহৰখনৰ সমস্যা সমূহ সমাধানৰ দাবীত মাকুম চহৰৰ ট্ৰেফিক পইন্টৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথ অৱৰোধ কৰি মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মাকুমবাসী ৰাইজৰ সহযোগত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। বিক্ষোভ কাৰ্যসূচীৰ জৰিয়তে বিভাগীয় লোকৰ এনে অনীহা প্ৰকাশক তীব্ৰ গৰিহণা দিয়াৰ লগতে ৰেলৱে বিভাগ আৰু লোক নিৰ্মাণ বিভাগে বৃহৎ গাঁতটোত কোনো লোকৰ প্ৰাণ হেৰুৱাই লোৱালৈ বাট চাই আছে নেকি বুলি প্ৰশ্ন উত্থাপন কৰে। ইপিনে বিক্ষোভ কাৰ্য্যসূচীৰ ফলত ৩৭ নং আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথত শ শ যান বাহন আৱদ্ধ হৈ পৰে। পৰৱৰ্তী পৰ্যায়ত প্ৰতিবাদ স্থলীত মাকুম সম জিলাৰ অতিৰিক্ত আয়ুক্ত উপস্থিত হোৱাত মাকুম আঞ্চলিক ছাত্ৰ সন্থাই মাকুম চহৰৰ যানজঁট সমস্যা সমাধান কৰা, মাকুম নগৰৰ মাজেদি যোৱা ৩৭ নং আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথত চলা গধুৰ যান-বাহন সমূহ মাকুম বাইপাছেৰে চলাচল কৰাৰ ব্যৱস্থা কৰি স্থায়ী সমাধান কৰা, মাকুম চহৰত ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথত থকা ৰেল আলিৰ ওপৰত এখন উৰণীয়া সেতু নিৰ্মাণ কৰি স্থায়ী সমাধান কৰা, মাকুম চহৰৰ মাজমজীয়াত থকা ৰেলৱে লেভেল ক্ৰচিঙৰ উচ্চতা অধিক হোৱাৰ লগতে পথটি দ' হোৱাৰ বাবে নিতৌ পথ দুৰ্ঘটনা ঘটিব ধৰাত অতি শীঘ্ৰে ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰি ৰাইজৰ সমস্যা সমাধান কৰা আদি কৰি কেইবাটাও দাবী সম্বলিত এখন স্মাৰক পত্ৰ অতিৰিক্ত আয়ুক্তৰ যোগেদি তিনিচুকীয়া ৰে'ল প্ৰবন্ধক আৰু মাকুম সম জিলা আয়ুক্তলৈ প্ৰেৰণ কৰে।

## সোঁৱৰণী দিন পালনৰ আয়োজন

# যোৰহাটৰ টেকেলা গাঁৱত প্ৰধানমন্ত্ৰী বিমান দুৰ্ঘটনাৰ ৪৮ বছৰ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৩ নৱেম্বৰ ঃ** ১৯৭৭ চনৰ ৪ নৱেম্বৰ, সন্ধিয়া প্ৰায় ৭-৩০ বজাত ডোবালপিতা বৰযুগতে পশ্চিম যোৰহাট অঞ্চলৰ খঙীয়া মৌজাৰ টেকেলা গাঁৱত সংঘটিত হৈছিল বিমান দুৰ্ঘটনা। যোৰহাটৰ কাছাৰি মৈদামত অনুষ্ঠিত হ'বলগীয়া ৰাজহুৱা সভাখনত অংশগ্ৰহণ কৰিবলৈ আহিছিল সেই সময়ৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই, অৰুণাচলৰ মুখ্যমন্ত্ৰী প্ৰেম থুংগল, সাংসদ তথা বৰ্তমানৰ বিজেপি ৰাষ্ট্ৰীয় নেতা আৰ খিৰিমী, সৰ্বোদয়ৰ ৰাষ্ট্ৰীয় নেতা নাৰায়ণ দেশাই, প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ পুত্ৰ ক্ৰান্তিভাই দেশাই, পি টি আই-ৰ এগৰাকী সাংবাদিকৰ লগতে বিমানখনৰ পাইলট পাঁচগৰাকীসহ এঘাৰজনীয়া দলটো। বাকীসকল দৈৱ ক্ৰমে ৰক্ষা পৰিল যদিও পাঁচগৰাকী পাইলটৰ ঘটনাস্থলীতে মৃত্যু হ'ল। সেই দিনটো সোঁৱৰণ কৰাৰ উদ্দেশ্যেই পশ্চিম যোৰহাট শিক্ষা-সংস্কৃতি কেন্দ্ৰ আৰু তৃণমূল জাতীয় বিদ্যালয়ে ৪ নৱেম্বৰৰ পুৱা ১০ বজাৰ পৰা আয়োজন কৰিছে এক অনুষ্ঠানৰ। প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ লগতে পাঁচগৰাকী পাইলটৰ উপৰি ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত ধূপ-দীপ প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি অৰ্পণ কৰিব। নৱ-প্ৰজন্মক বিমান দুৰ্ঘটনাৰ দিনটোৰ বিষয়ে অৱগত কৰাৰ উদ্দেশ্যেই আয়োজন কৰা অনুষ্ঠানত অঞ্চলটোৰ ৰাইজৰ লগতে আগ্ৰহী ব্যক্তিসকলৰ নিৰ্দিষ্ট সময়ত উপস্থিতি কামনা কৰিছে আয়োজক সেবিন বৰাই। উল্লেখ্য, বিমান দুৰ্ঘটনাৰ স্মৃতি সজীৱ কৰাৰ বাবে গাঁওখনৰ নাম সেইসময়ত দেশাই নগৰ কৰা হৈছিল যদিও বিভাগীয়ভাৱে আজিও স্বীকৃত নহ'ল। তদুপৰি, বিমান দুৰ্ঘটনাৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে চৰকাৰীভাৱে কোনো ব্যৱস্থাই গ্ৰহণ নকৰিলে জিলা প্ৰশাসন তথা ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে। অথচ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইক যিখন বাইচাইকেলেৰে ৰৰৈয়া বিমানঘাটিস্থিত চিকিৎসালয়লৈ নিয়া হৈছিল সেই বাইচাইকেলখনো যোৰহাট সংগ্ৰহালয়ত দিলে চাইকেলখনৰ চালক তথা প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইক চিকিৎসালয়লৈ নিয়া ইন্দ্ৰেশ্বৰ বৰাই।

## উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ স্মৃতি ভৱিষ্যতলৈও সজীৱ হৈ থাকিব ঃ সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক

# হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতেৰে জীপাল বঙাইগাঁৱৰ ঘিলাগুৰীৰ জগদ্ধাত্ৰী পূজাৰ সাংস্কৃতিক অনুষ্ঠান



**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ৩ নৱেম্বৰ ঃ** দুই সহস্ৰাধিক শ্ৰোতা-দৰ্শকক আপ্লুত কৰি কালি নিশা সামৰণি পৰে বঙাইগাঁও জিলাৰ ঘিলাগুৰীত চাৰিদিনীয়াকৈ আয়োজিত ৭৪ সংখ্যক জগদ্ধাত্ৰী পূজা মহোৎসৱৰ। জিলাখনৰ অভয়াপুৰী সমজিলাৰ অন্তৰ্গত ৩০ অক্টোবৰৰ পৰা আৰম্ভ হোৱা জগদ্ধাত্ৰী পূজা মহোৎসৱৰ অন্তিম কাৰ্যসূচী আছিল বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। আমন্ত্ৰিত শিল্পী মূৰ্চনা দাস আৰু চিৰঞ্জীৱ বৰুৱাই অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ "মায়াবিনী" শীৰ্ষক গীতেৰে অনুষ্ঠান আৰম্ভ কৰি সমস্ত নিশা জুবিনৰ গীত পৰিৱেশন আৰু মায়াবিনী গীতটোৰে সামৰণি মৰা অনুষ্ঠানটি মুকলি কৰে অভয়াপুৰীৰ বিশিষ্ট সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে। অনুষ্ঠান মুকলি কৰি দিয়া ভাষণত সমাজকৰ্মী পাঠকে সকলোৰে প্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক বিয়োগে সৰ্বস্তৰৰ লোকক শোকাচ্ছন্ন কৰা বুলি উল্লেখ কৰি অসমীয়া সমাজ জীৱনৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গ সকলোৰে মনত মূৰ্তমান হৈ থাকিব বুলি উল্লেখ কৰে। পঞ্চায়ত সভানেত্ৰী এচনা সৰকাৰ, পূজা পৰিচালনা সমিতিৰ সভাপতি গোবিন্দ দাস, সম্পাদক ইন্দ্ৰজিৎ ৰায়, জ্যেষ্ঠ নাগৰিক যোগেশ দাস, উত্তৰ শালমাৰা গাঁৱৰক্ষী বাহিনীৰ উপ-সভাপতি অনিল কুমাৰ দাস, সমাজকৰ্মী নিৰঞ্জন দাস আদি উপস্থিত থকা মুকলি অনুষ্ঠানত পাঠকে আকৌ উল্লেখ কৰে যে, দেৱী জগদ্ধাত্ৰী দেৱী দুৰ্গাৰ অন্য এক ৰূপ। উপনিষদত জগদ্ধাত্ৰী দেৱী উমা হৈমবতি হিচাবে উল্লিখিত। পুৰাণৰ মতে, জগদ্ধাত্ৰী দেৱী সিদ্ধিধাত্ৰীৰ অৱতাৰ। ঘিলাগুৰীত অনুষ্ঠিত জগদ্ধাত্ৰী পূজাই সকলোৰে মাজত ঐক্য, সম্প্ৰীতি, ভাতৃত্ববোধ গঢ়ি আহিছে বুলিও উল্লেখ কৰে। অনুষ্ঠান মুকলিৰ পূৰ্বে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা যাচে। উল্লেখ্য যে, যোৱা ৩০ অক্টোবৰৰ পৰা নাম-কীৰ্তন, নাট্যাভিনয়, খেল-ধেমালি প্ৰতিযোগিতা আৰু অন্তিম দিনা অনুষ্ঠিত হয় লোক নাট্যানুষ্ঠান।

# সাংবাদিক পৱন হাজৰিকাৰ পৰলোকপ্ৰাপ্তি গোসাঁইগাঁও প্ৰেছক্লাৱ আৰু বড়োলেণ্ড সাংবাদিক সন্থাৰ শোক

**অসম বাৰ্তা, গোসাঁইগাঁও, ৩ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ ৰৌতাৰ পেঞ্চনাৰ সাংবাদিক তথা আসাম প্ৰেছ কৰেছপণ্ডেছ ইউনিয়ন (আপকু)ৰ প্ৰাক্তন উপ সভাপতি পৱন হাজৰিকাৰ কালি সন্ধিয়া নিজ গৃহত পৰলোকপ্ৰাপ্তি ঘটে। তেখেতৰ মৃত্যুত গোসাইগাঁও প্ৰেছ ক্লাৱ আৰু বড়োলেণ্ড সাংবাদিক সন্থাই গভীৰ শোক প্ৰকাশ কৰে। আজি গোসাইগাঁও প্ৰেছ ক্লাৱত বড়োলেণ্ড সাংবাদিক সন্থাৰ সভাপতি শংকৰ চৌধুৰীৰ সভাপতিত্বত এখন শোক সভা অনুষ্ঠিত হয়। সভাত এক মিনিট মৌণ প্ৰাৰ্থনা কৰা হয়। সভাত গোসাইগাঁও প্ৰেছ ক্লাৱৰ সভাপতি হাফিজুৰ ৰহমানে ভাষণত কয় যে তেখেত দৈনিক অগ্ৰদূত কাকতৰ উপৰিও একাধিক কাকতত দীৰ্ঘ দিন নিষ্ঠা আৰু নিৰ্ভিক ভাবে সাংবাদিতা কৰিছিল আৰু ৰৌতাৰ পৰা প্ৰকাশিত সাপ্তাহিক জনসংবাদ কাকতৰ সম্পাদকৰ পদ অলংকৃত কৰিছিল। তেখেতে এগৰাকী সাহিত্যক, সমাজ কৰ্মী আছিল। নিজৰ আৰ্থিক অনাটনৰ মাজতো সমাজৰ প্ৰতিটো অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। তেখেতৰ মৃত্যুত সমাজে এগৰাকী ভাল সাংবাদিকক হেৰুৱালে বুলি জ্যেষ্ঠ সাংবাদিক হাফিজুৰ ৰহমানে কয়।

# মৰিজাঁজীত ৪ আৰু ৫ নৱেম্বৰত দুদিনীয়াকৈ ৰাসপূজাৰ আয়োজন

**অসম বাৰ্তা, আমগুৰি, ৩ নৱেম্বৰ ঃ** মৰিজাঁজী চেঁচা সত্ৰ অঞ্চলত শ্ৰীশ্ৰী কৃষ্ণৰ ৩০ সংখ্যক ৰাসপূজা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই উপলক্ষে ৪ নৱেম্বৰ মঙ্গলবাৰে সন্ধ্যা অধিবাস আৰু ৫ নৱেম্বৰ বুধবাৰে সম্পূৰ্ণ ৰাসপূজা অনুষ্ঠিত কৰা হ'ব। পূজাৰ মূল পূজাৰীৰ দায়িত্বত থাকিব সংস্কৃত পণ্ডিত বুবুল শৰ্মা শাস্তি, আনহাতে তন্ত্ৰধাৰক হিচাপে থাকিব গোলাপ বৰঠাকুৰ। আয়োজক সমিতিৰ হৈ পৃষ্ঠপোষক অনিল ভট্টাচাৰ্য আৰু ভাগৱত ব্যাখ্যাকাৰ মাধুৰ্য বৰাই ভক্তপ্ৰাণ ৰাইজলৈ দুয়োটা দিনৰ সমূহ কাৰ্যসূচীত পূৰ্ণ সহযোগিতাৰ আহ্বান জনাইছে।

## সমজিলা প্ৰশাসনৰ উদ্যোগত গান্ধী ময়দানত পাঁচশ অংশগ্ৰহণকাৰীয়ে পৰিৱেশন কৰিব "মানুহে মানুহৰ বাবে"

# অভয়াপুৰীৰ বিভিন্ন স্থানত কাইলৈ সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ৩ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে অভয়াপুৰী সমজিলাৰ প্ৰান্তে-প্ৰান্তে ৫ নৱেম্বৰৰ দিনা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। অসম চৰকাৰৰ নিৰ্দেশমৰ্মে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী অভয়াপুৰী সমজিলা প্ৰশাসনে অভয়াপুৰী গান্ধী ময়দানত উদ্‌যাপন কৰিব। এইউপলক্ষে পুৱা ১১ বজাৰ পৰা আয়োজিত অনুষ্ঠানত পাঁচশ অংশগ্ৰহণকাৰীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত "মানুহে মানুহৰ বাবে"- পৰিৱেশন কৰিব। তেনেদৰে অভয়াপুৰীত চিনেমা হল চাৰিআলি চ'কত বিগত বৰ্ষসমূহৰ দৰে ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰিব। উদ্‌যাপন সমিতিৰ আহ্বায়ক সন্তোষ দাসে জানিবলৈ দিয়ামতে, সিদিনা পুৱা ৯ বজাত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন, ভাগৱত পাঠ আৰু সন্ধিয়া ড° ভূপেন হাজৰিকাৰ গীতৰ আধাৰত এক সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। উক্ত সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পী লগতে কেবাগৰাকী স্থানীয় শিল্পীয়ে। ইপিনে জ্যোতি সাংস্কৃতিক অনুষ্ঠান, অভয়াপুৰীৰ উদ্যোগতো সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে পুৱা পতাকা উত্তোলন, সুধাকণ্ঠৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত দুটা শাখাত অনুষ্ঠিত কৰিব ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন